চান্দমামা

ফেবৰুৱাৰি / মাৰ্চ ১৯৯৮

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্রতি খোজেই পৰীক্ষা লয়। কেনিনো আগুৱাম, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, নোখোজাকৈ কাৰোবালৈ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়। বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিছৰা বিস্কুট।

PARLE
Parle-G
Gluco BISCUITS

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/108 R as

‘ସଚିତ୍ର ବିଜୟା’ : ଏକ ମାସିକ ପାରିବାରିକ ଉତ୍ସବ

ଜାନୁଆରୀ-ଫେବୃଆରୀ ମିଳିତ ସଂଖ୍ୟା

ଏହି ସଂଖ୍ୟାରୁ
ଗ୍ରାହକ ହୁଅନ୍ତୁ
ସ୍ୱତନ୍ତ୍ର ରିହାତି
ପାଆନ୍ତୁ

ମୁଖ୍ୟ ପ୍ରସଙ୍ଗ: **ପ୍ରଣୟର ପ୍ରତିଲିପି**, ସ୍ୱତନ୍ତ୍ର ପ୍ରସଙ୍ଗ: **ଅର୍ଦ୍ଧଶତାବ୍ଦୀର ମହାନାଟକ: ଧନୁଯାତ୍ରା**, ଭିନ୍ନ ମଣିଷ : **କଣ୍ଢେଇ ନାଚର ଅନନ୍ୟ ଯାଦୁଗର: ମାଗୁଣି କୁଅଁର**, ଜୀବନ ଦର୍ପଣ: **ଗାଁ ମାଟିର ବିସ୍ମୃତ କଳା: ଝଗଡା ଝାଟି, ଛଟା ଛିଗୁଲା**, ଓଡ଼ିଶା ବାହାରେ ଓଡ଼ିଆ: **ଡା. କାଶୀନାଥ ସାହୁ**, ଅନ୍ୟ ଏକ ଧାରାବାହିକୀ: **ପୁଷ୍କର ପୃଥିବୀ**, ପରଂପରା: **ପଶ୍ଚିମ ଓଡ଼ିଶାର ଛେର୍ ଛେରା**, ଦୃଷ୍ଟିପାତ: **ରାଧାନାଥ ରାୟଙ୍କ ପ୍ରଣୟ ପ୍ରସଙ୍ଗ**, ବ୍ୟକ୍ତିତ୍ୱ: **ରାଜକିଶୋର ରାୟ**, ନୂତନ ଧାରାବାହିକୀ: **ନୋବେଲ୍ ପରିକ୍ରମା**, ସ୍ୱପ୍ନ ଜଗତର **ଷଷ୍ଠ ଭାଗ**, ତିନୋଟି ସୁଖପାଠ୍ୟ **ଗଳ୍ପ**, **କବିତାର** କାରୁକାର୍ଯ୍ୟ ଓ **ରଂଗୀନ ଦ୍ୱିପତ୍ରର** ବର୍ଣ୍ଣାଳୀ ।

ଏହି ବର୍ଣ୍ଣମୟ, ବୈଚିତ୍ର୍ୟମୟ ଜାନୁଆରୀ-ଫେବୃଆରୀ ମିଳିତ ସଂଖ୍ୟାର ମୂଲ୍ୟ ମାତ୍ର ବାର ଟଙ୍କା

ଅବଶ୍ୟ ସଂଗ୍ରହଣୀୟ ଏହି ଆକର୍ଷଣୀୟ ସଂଖ୍ୟା ପାଇଁ ନିକଟବର୍ତ୍ତୀ ‘ଜହ୍ନମାମୁଁ’ ଏଜେଣ୍ଟଙ୍କ ପାଖରେ ଅଗ୍ରୀମ ଚାହିଦା ପେଶ୍ କରନ୍ତୁ ।

Goswami
10-3-1998

WITH REGRET

A major breakdown in the printing machine disrupted the process of printing and production of the entire chain of magazines of the Chandamama group of publications. We are, therefore, obliged to **combine the February and March** issues of our periodicals. We regret the inconvenience caused to our readers, distributors, and advertisers.

-PUBLISHER

Strawbear INFOFUN

SPEED
30
LIMIT

Never try to outrun a bear. Despite its amazing size and sloppy looks it can run quite a distance at 30 m.p.h.

Strawberries grow only in cool climatic conditions. Like for instance in Maharashtra strawberries are grown in Panchgani.

Theodore Roosevelt, President of U.S.A. saved a bear and roamed with it in the jungle. (Teddy was the President's pet name). Since then all bears are called Teddy Bear.

At Wimbledon, watching a match at Centre Court and relishing the Strawberry with Cream is a part of the tradition at this premiere tournament.



It's delightful. It's delicious. And it comes in a wild range of exciting shapes. Rasna Candies. Play with it or pop it in. No matter what you do, it's enjoyable. You can choose our 50p shaped candies from 3 flavours – Orange(Oranjutan), Strawberry (Strawbear) and Mango (Mangose). But if you want a wider range, enjoy our more affordable 25p candies. Which are available in Lemon (Lemolion) and Pineapple (Pinopiranha) flavours too. So come and enjoy the excitement. You can have real fun with these funfilled goodies.

If you have any interesting facts about Orange, Strawberry, Mango, Mongoose, Orangutan or Bear, write to us:

Rasna Enterprise Ltd, 4G Trade Centre, Near
Stadium Circle, Ahmedabad 380 009.

Rasna®
CANDIES
&
TOFFEES

INTERACT VISION

Statement about ownership of CHANDAMAMA (Assamese)
Rule 8 (Form VI), Newspapers (Central) Rules, 1956

1. *Place of Publication*	'CHANDAMAMA BUILDINGS' 188, N.S.K. Salai, Vadapalani, Chennai - 600 026
2. *Periodicity of Publication*	MONTHLY Ist of each calendar month
3. *Printer's Name*	B.V.REDDI
Nationality	INDIAN
Address	Prasad Process Private Limited 188, N.S.K. Salai, Vadapalani, Chennai - 600 026
4. *Publisher's Name*	B.VISWANATHA REDDI
Nationality	INDIAN
Address	Chandamama Publications 188, N.S.K. Salai, Vadapalani, Chennai - 600 026
5. *Editor's Name*	B.NAGI REDDI
Nationality	INDIAN
Address	'Chandamama Buildings' 188, N.S.K. Salai, Vadapalani, Chennai - 600 026
6. *Name and Address of individuals who own the paper*	CHANDAMAMA PUBLICATIONS PARTNERS: 1. Sri B. VENKATRAMA REDDY 2. SRI B.V. NARESH REDDY 3. SRI B.V. SANJAY REDDY 4. Sri B.V. SHARATH REDDY 5. Smt. B. PADMAVATHI 6. Sri B.N. RAJESH REDDY 7. Smt. B. VASUNDHARA 8. Kum. B.L. ARCHANA 9. Kum. B.L. ARADHANA 'Chandamama Buildings' 188, N.S.K. Salai Vadapalani, Chennai - 600 026

I, B. Viswanatha Reddi, hereby declare that the particulars given above are true to the best of my knowledge and belief.

B. VISWANATHA REDDI
Signature of the Publisher

2nd March 1998

A CHANDAMAMA PUBLICATION

চান্দমামা

সংস্থাপক : চক্ৰপাণি ❋ সঞ্চালক : নাগিৰেড্ডি

বিশ্ব-ইতিহাসৰ অভূতপূৰ্ব বিদ্ৰোহ

ওঠৰশতিকাৰ ভাৰতবৰ্ষই বিশ্ব-ইতিহাসত এক অভূতপূৰ্ব বিদ্ৰোহ প্ৰত্যক্ষ কৰিছিল। এই বিদ্ৰোহ আছিল ইংৰাজসকলৰ বিৰুদ্ধে ভাৰতবৰ্ষৰ সন্যাসীসকলৰ বিদ্ৰোহ—যি-অভাৱিত বিদ্ৰোহৰ কথা যোৱা ডিছেম্বৰ সংখ্যাত কোৱা হ'ল।

সন্যাসীসকল জন-বসতিৰপৰা আঁতৰি থকা হয়, আৰু-মানৱসমাজৰ এই শ্ৰেণীয়ে মানুহৰ সাধাৰণ সমাজখনৰ কোনো জাগতিক সমস্যালৈকো মন-কাণ নিদিয়া হয়। তথাপি কিয় সন্যাসীসকলে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহী হৈ উঠিছিল ?

প্ৰকৃতপক্ষে—ইংৰাজৰ বিৰুদ্ধে নহয়, বণিজাৰৰ ভেশধাৰী ইস্ট ইণ্ডিয়া কম্প্যানিৰ অত্যাচাৰী ইংৰাজহঁতৰ বিৰুদ্ধেহে আনকি সন্যাসীসকলেও মাত নামাতি নোৱাৰিছিল। কেৱল ইংৰাজৰ বিৰুদ্ধেই নহয়, ইংৰাজৰ টেমেকা ভাৰতৰ কিছুমান ৰজা-জমিদাৰ আদিৰ বিৰুদ্ধেও এই সন্যাসীসকল গৰ্জি উঠিছিল। ইস্ট ইণ্ডিয়া কম্প্যানিৰ চাটুৱা এই ৰজা-জমিদাৰহঁতে ইংৰাজৰ হৈ ইংৰাজতকৈও অধিকভাৱে ভাৰতৰ জনসাধাৰণৰ ওপৰত অত্যাচাৰৰ ৰঙা ঘোঁৰা মেলি দিয়াটো সন্যাসীসকলে সহিব পৰা নাছিল।

এই সন্যাসীসকল কেৱল হিন্দু-সন্যাসীয়েই নাছিল, মুছলমান সন্যাসীসকলেও—অৰ্থাৎ ফকীৰ সকলেও এই 'সন্যাসী-বিদ্ৰোহ'ত সম্মিলিত হৈ একযোগে বৃটিছৰ তথা ইংৰাজৰ বিৰুদ্ধে সফলতাৰে যুদ্ধ কৰিছিল।

এই সন্যাসী-বিদ্ৰোহৰ গুৰি ধৰোঁতা আছিল ভৱানী পাঠক, দেৱীচৌধুৰাণী, মজনু ফকীৰ, মুশ্বা শ্বাহ, কৃপানাথ, আৰু চেৰাগ আলী। এই সন্যাসী-বিদ্ৰোহ বঙ্গদেশত সংগঠিত তথা সংঘটিত হৈছিল। কেই বছৰ মানৰ অন্তত ইস্ট ইণ্ডিয়া কম্প্যানিয়ে এই সন্যাসী-বিদ্ৰোহ দমন কৰিছিল, কিন্তু এই অসাধাৰণ বিদ্ৰোহৰ প্ৰভাৱেৰে সমগ্ৰ ভাৰত অভাৱিতভাবে প্ৰভাৱিত হৈছিল। বঙ্গদেশৰ অমৰ কথাশিল্পী বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়দেৱে তেওঁৰ ৰচিত 'আনন্দমঠ' আৰু 'দেৱীচৌধুৰাণী' নামৰ উপন্যাসত এই বিদ্ৰোহৰ কথা লিখি থৈ গৈছে। আমাৰ অন্যতম জাতীয় সংগীত 'বন্দেমাতৰম্' তেওঁৰ ৰচিত আনন্দমঠৰপৰা গ্ৰহণ কৰা হৈছে।

বছৰ : ২২ সংখ্যা : ১১

খনে : ৬.০০ টকা ❋ বছৰি : ৭২.০০ টকা



INFOFUN

The popularity of mango has won it the title 'King of Tropical Fruits'.

The mongoose never attacks from the back. It's a bold animal and takes on its enemy headlong. Ask the cobra.

The mongoose is a very curious animal especially when it sees shinning objects. It will go to any extent to satisfy its curiosity.

In the world of magic, the Indian rope trick is famous. But the Indian Juggling trick is equally exciting. A mango tree appears to grow from a seed and bear fruits in a few hours.

Rasna
mangose
Strawbear
Rasna
Rasna
Oranjutan

It's delightful. It's delicious. And it comes in a wild range of exciting shapes. Rasna Candies. Play with it or pop it in. No matter what you do, it's enjoyable. You can choose our 50p shaped candies from 3 flavours – Orange(Oranjutan), Strawberry (Strawbear) and Mango (Mangose). But if you want a wider range, enjoy our more affordable 25p candies. Which are available in Lemon (Lemolion) and Pineapple (Pinopiranha) flavours too. So come and enjoy the excitement. You can have real fun with these funfilled goodies.

If you have any interesting facts about Orange, Strawberry, Mango, Mongoose, Orangutan or Bear, write to us:

Rasna Enterprise Ltd, 4G Trade Centre, Near Stadium Circle, Ahmedabad 380 009.

Rasna® CANDIES & TOFFEES

INTERACT VISION

মহাকাশত প্ৰথম ভাৰতীয় মহিলা

নাম তেওঁৰ কল্পনা চাওলা। হৰিয়ানা ৰাজ্যৰ সৰুকৈ চহৰখন কৰ্নালৰ ছোৱালী। সৰুৰেপৰাই উৰাজাহাজলৈ ৰাপ পৰিলক্ষিত হৈছিল। উৰাজাহাজ আঁকিছিল, উৰাজাহাজ সপোনত দেখিছিল, আৰু কেতিয়াবা উৰাজাহাজ চলাব বুলিও সপোন সাজিছিল। হাইস্কুলৰ পঠন সাং কৰাৰ অন্তত কল্পনাৰ পিতৃ-মাতৃয়ে তাইক ডাক্টৰী পঢ়িবলৈ কৈছিল; কিন্তু কল্পনাই এনজিনিয়াৰিং পঢ়িব বুলি ক’লে, আৰু অ্যাৰোনটিক্স—অৰ্থাৎ মহাকাশ-শাস্ত্ৰ পঢ়িব বুলি জেউৰ ধৰিলে। আৰু এইদৰে — ওঠৰ বছৰলৈ অবিৰাম অধ্যয়নৰ অন্তত এদিন আন ছগৰাকী মহাকাশযাত্ৰীৰ লগ লাগি নৱেমবাৰৰ ১৫-ৰ দিনা মহাকাশলৈ যাবলৈ কোলম্বিয়া মহাকাশযানত উঠিলেগৈ। এই কল্পনা চাওলায়েই হ’ল মহাকাশলৈ বুলি উৰি যোৱা প্ৰথম ভাৰতীয় মহিলা। আৰু সমগ্ৰ এছিয়া মহাদেশতো এৱেঁই প্ৰথম মহিলা মহাকাশযাত্ৰী।

মহাকাশ-শাস্ত্ৰত উচ্চশিক্ষাৰ বাবে কল্পনাই আমেৰিকালৈ গৈছিল, আৰু এই শাস্ত্ৰত তেওঁ ডক্টৰেট প্ৰাপ্ত হৈছিল। আমেৰিকাৰ অন্যতম উল্লেখযোগ্য বিমানচালক জন হ্যাৰিছনৰ সৈতে কল্পনাৰ চিনাকি হ’ল আৰু তাৰ পাছত বিবাহিতও হ’ল। আৰু তাৰ পাছত গিৰিয়েক হ্যাৰিছনৰ প্ৰচেষ্টাত কল্পনায়ো বিমান-চালিকাৰ অনুজ্ঞাপত্ৰ (লাইছেন্স) পোৱা হ’ল আৰু ১৯৮৭ চনত কল্পনাৰ ইমান দিনৰ কল্পনা সাৰ্থক হ’ল, তেওঁ অকলেই সম্পূৰ্ণ স্বাধীনভাৱে উৰাজাহাজ চলালে।

আৰু এই ঘটনাৰ পাছত কল্পনাৰ দৃষ্টি মহাকাশলৈহে নিবদ্ধ হ’ল। তেওঁ ‘ন্যাশ্বান্যাল অ্যাৰোনটিক্স অ্যাণ্ড স্পোছ অ্যাডমিনেস্ট্ৰেশ্যান’ত অৰ্থাৎ ‘ন্যাছা’ত যোগদান কৰিলে আৰু ভাত এক বিশেষ বিভাগত অধ্যাপিকা হ’ল।

১৯৯২ চনত কল্পনাই মহাকাশযাত্ৰী হোৱাৰ মনেৰে আবেদন কৰিলে; কিন্তু তেতিয়া তেওঁৰ আবেদন মঞ্জুৰ নহ’ল। ১৯৯৪ চনত তেওঁ পুনৰ আবেদন জনালে। ৩০০০ ৰো অধিক নাৰী-পুৰুষে আবেদন জনাইছিল মহাকাশযাত্ৰী হোৱাৰ বাবে। শাৰীৰিক, মানসিক, বৌদ্ধিক পৰীক্ষা-নিৰীক্ষাৰ অন্তত তিনিহাজাৰৰো অধিকৰ মাজৰপৰা মাত্ৰ ঊনৈছজনক বাছি উলিউৱা হ’ল। কল্পনাকো নিৰ্বাচিত কৰা হ’ল। ১৯৯৬ চনত কল্পনাক মহাকাশীয় প্ৰশিক্ষণ দিবলৈ ষোল্ল মাহৰ বাবে হাউস্টন প্ৰশিক্ষণকেন্দ্ৰলৈ পঠোৱা হ’ল। ইতিমধ্যে ন্যাছা কৰ্তৃপক্ষই তেওঁলোকৰ ৮৮তম মহাকাশযান মহাকাওলৈ পঠাবলৈ প্ৰস্তুতি চলাইছিল। এই মহাকাশ-অভিযানত আছিল তিনিগৰাকী আমেৰিকান মহাকাশযাত্ৰী, এগৰাকী জাপানী, এগৰাকী ইউক্ৰেনীয়। আৰু ভাৰতৰ কল্পনা চাওলা। নৱেমবাৰৰ ১৫-ৰ দিনা আমেৰিকাৰ ৮৮তম মহাকাশযান মহাকাশলৈ উৎক্ষেপণ কৰা হ’ল, যি মহাকাশযানত উঠি আমাৰ কল্পনাও গ’ল মহাকাশলৈ।

কল্পনাই মহাকাশত আছিল পোন্ধৰ দিন। দিনৌ যোল ঘন্টাকৈ মহাকাশত বিভিন্ন কাম কৰিবলগীয়া হৈছিল। কল্পনাক ‘মহাকাশীয় অনুসন্ধান’ বিভাগৰ দায়িত্ব দিয়া হৈছিল। এই দায়িত্বৰ অন্যতম দায়িত্ব আছিল সূৰ্য্যৰ বিষয়ে পুঙ্খানুপুঙ্খ অনুসন্ধান। কল্পনাই সেই গুৰুদায়িত্ব যোগ্যতাৰে পালন কৰিছিল।

মহাকাশলৈ যাত্ৰা কৰাৰ আগমুহূৰ্তত কল্পনাই ভাৰতীয় প্ৰতিনিধি এগৰাকীৰ ওচৰত মন্তব্য কৰিছিল: এই গৰ্ব মোৰ নহয়, মোৰে ভাৰতৰ।



চোৰে দিলে বিয়া

বিয়া হোৱাৰ বহু বছৰৰ অন্তত — সন্তানৰ আশা এৰি পেলাই পৰকালৰ চিন্তা কৰিবলৈ ধৰোঁতেই—ৰামদাস-ৰাধাৰাণীয়ে সন্তান লাভ কৰিলে। ছোৱালী নাম ৰাখিলে বেদৱতী।

এদিন পিয়াহদাঁতী বেদৱতীয়ে মাকৰ পিয়াহ খাই থাকোঁতে মাকৰ শাড়ী কাপোৰত হাতেৰে খামুচি ধৰিছিল। মাকে শাড়ীৰপৰা তাইৰ সৰু হাতখন এৰুৱাবলৈ চেষ্টা কৰিও এৰুৱাব নোৱৰাত পিতাক ৰামদাসে তাইৰ হাতখনত ধৰি আঁজুৰিছিল, কিন্তু বহুতোপৰলৈকে চেষ্টা কৰিও এৰুৱাই আনিব পৰা নাছিল, শাড়ী কাপোৰখন ছিঙি গৈছিল কিন্তু তাইৰ হাত কোনেও এৰুৱাব পৰা নাছিল। শাড়ী-কাপোৰখন আছিল বেছ দামী, গতিকে মাকৰ খঙেই উঠিছিল, দেউতাকেও এই কথাত বেয়া পাইছিল; কিন্তু এই আঢ়ৈ বছৰীয়া আঢ়ৈ আঙুলীয়াক কিনো কৰা যাব কোৱা ?

এই কথা যেৱে শুনিলে অবাক মানিলে। কিছুমানে এইজনী আঢ়ৈ আঙুলীয়াক চাবলৈকো আহিবলৈ ধৰিলে।

এই ঘটনাৰ তিনি মাহমানৰ পাছত বেদৱতীয়ে এদিন পেট চুঁচৰি গৈ গৈ মেজ এখনৰ খুটাত ধৰি ইমান জোৰেৰে হেঁচা মাৰিলে যে মেজৰ ওপৰত থাক কাচৰ বাচন-বৰ্তনখিনি তললৈ পৰি টুকুৰা-টুকুৰ হৈ গ'ল। এইদৰে, তাই ডাঙৰ হোৱাৰ লগে লগে ডাঙৰ ডাঙৰ ঘটনাও ঘটি থাকিল। ঘৰৰ ইটো সিটো বহুতো বস্তু-বাহানি ভাগি গুড়ি কৰি তৰ্ণাস্তি কৰি থাকিল।

কিছুমানে ক'লে যে ঘৰত সৰু ল'ছালী থাকিলে এনেকুৱা হ'বই। কিন্তু কিছুমানে

পৰমানন্দ গোস্বামী

ক'লে যে এইজনী ছোৱালীৰ গাত নিশ্চয় কোনোবা ভূত প্ৰেত লম্ভিছে, কোনোবা অপহৃতা-অসুৰাই বাহ লৈছে। পিতাক ৰামদাসেও পিয়াহ-দাঁতী ছোৱালীৰ কাণ্ড-কাৰ্ষনা চাই কথাটো তেনেকৈয়েই ভাবি থাকিল, কোনোবাধৰণৰ অপশক্তিয়ে নিশ্চয়েই ওম্ভিলে তাইত।

আৰু পাছদিনাই ৰামদাস গ'ল তৰ্দ্ধনিপুৰৰ তান্ত্ৰিক ত্ৰিপুৰৰ ওচৰলৈ। তান্ত্ৰিক ত্ৰিপুৰ প্ৰেতসিদ্ধ তান্ত্ৰিক বুলি জনাজাত। ত্ৰিপুৰে নজনা মন্ত্ৰ নাই, কৰিব নোৱৰা কৰ্ম নাই, তন্ত্ৰ সাধনা বিনে ত্ৰিপুৰৰ কোনো ধৰ্মও নাই। তান্ত্ৰিক ত্ৰিপুৰে তন্ত্ৰ-শক্তি প্ৰদৰ্শন কৰাৰ এই সুযোগ পাই মন্ত্ৰদণ্ড হাতত লৈ ৰামদাসৰ লগ লাগি চন্দনগাঁৱঁলৈ গ'ল আৰু গৈয়েই ৰামদাসে আঙুলিয়াই দেখুৱাই দিয়া ঘৰৰ বাৰাণ্ডাত থিয় হৈ থকা আঁঢ়ে আঙুলীয়া বেদৱতীলৈ সম্মোহক-চাৱনিৰে একেথিৰে চাই ৰ'ল।

টলং ভটংকৈ খোজ দি দি বেদৱতী ত্ৰিপুৰতান্ত্ৰিকৰ কাষ পালেগৈ, আৰু ত্ৰিপুৰে একো টলকিবলৈ নৌপাওঁতেই মন্ত্ৰদণ্ডডালত থাপ মাৰি ধৰি চোঁত কৰে টান মাৰি তললৈ বগৰাই পেলাই দিলে। নিমিষতে সেই মন্ত্ৰদণ্ডডাল ভাগি টুকুৰা-টুকুৰ হ'ল।

এই আকস্মিক কাণ্ডত ভেবাচেকা খাই তান্ত্ৰিক ত্ৰিপুৰে কি ক'ব-কি কৰিব ভাবি উলিয়াব নোৱাৰি নিজৰ বুকুত নিজেই থাপ মাৰি চিঞৰি দিলে, "এই বালিকা বালিক নোহয় এই বালিকা কালিকা লগা। সুঁৱৰিব নোৱৰা কালত ৰাৱণৰ ধ্বংসৰ কাৰণে কুশধ্বজ ৰজাৰ জীয়েক হৈ দি বেদৱতী উপজিছিল, যি বেদৱতীয়ে সীতা হৈ উপজি ৰাৱণক ধ্বংস কৰিছিল—এই কালিকালগা





বালিকাও কিজানি সেই বেদৱতীয়েই। এইৰ চিকিচ্ছা মোৰদ্বাৰাই ন-সম্ভৱে।" এই বুলি কৈ, ভগা মন্ত্ৰদণ্ডৰ টুকুৰাবোৰ বুটলি লৈ, তান্ত্ৰিক ত্ৰিপুৰ তাৰপুৰা দুপদুপকৰে গুচি গ'ল।

আৰু এইদৰে নানান আজৱ ঘটনাৰ মাজেদিয়েই বেদৱতী ডাঙৰ-দীঘল হৈ থাকিল। তাৰ পাছত তাই যেতিয়া উঠন হ'ল তাইৰ বিয়া বাৰুৰ কথা ভাবি মাক দেউতাক উদ্বিগ্ন হৈ উঠিল। এনেহেন ভূতে লম্ভাজনীক কোনেনো কৰাব বিয়া ? দেখাত তাই লনী, মাত কথাতো লনি-দনি; কিন্তু কামত তাই যেনিবা কেঁচাইখাতীজনী। কুঁৱাৰপৰা পানী তোলোঁতে কুঁৱাৰ ৰছী ছিঙি বাল্টি পেলাই দিব, বাচন-বৰ্তন মলোঁতে দুই-এখন ভাঙি পেলাব, কাপোৰ-কানি চাফা কৰোঁতে কাপোৰ ফালি পেলাব। চুবুৰীয়া কাৰোবাব ঘৰলৈ যায় যদি চুবুৰীয়াই ডৰতে কঁপি থাকিব, খেলৰ লগৰীহঁতৰ কলিজাত টেঁকীয়ে ঢেক্কুৰুচ কৰি থাকিব আৰু এইবোৰ কাৰণত মাক-দেউতাকো সদায় তাইৰ চিন্তাত ডুব গৈ থাকিব।

চন্দনগাঁৱৰপৰা প্ৰায় তিনি ক্ৰোশ দূৰৰ নৱলগড় গাঁৱৰ বিজয় নামৰ যুৱা এজনে এক বিশেষ খেল প্ৰদৰ্শন কৰি প্ৰখ্যাত হৈছিল। এই যুৱাই—বিজয়ে বিভিন্ন সৰু-বৰ চহৰ নগৰত ঘূৰি ঘূৰি এক অভিনৱ উপায়েৰে হীৰা চুৰ কৰিছিল। তাৰ চুৰিৰ উপায়ক প্ৰায় অলৌকিক বুলিয়েই ক'ব পাৰি। চুৰিৰ অভিনৱ উপায় হ'লঃ

বিজয় এক বিশেষ ধৰণৰ আঠালতীয়া মাটিৰে আধাহাত পৰিমিত মানুহৰ মূৰ্তি সাজি লৈ, সেই মূৰ্তি হাতত হলৈ হীৰা-জহৰতৰ দোকানলৈ গৈছিল আৰু হীৰা কিনাৰ ছলেৰে এডোখৰ হীৰা সেই মূৰ্তিৰ ভিতৰত এক অলৌকিক উপায়েৰে ভৰাই ল'ব পাৰিছিল। সি যে কেনেকৈ এই নোহোৱা কথা হোৱাব পাৰিছিল কোনেও সেই ৰহস্য উদ্ধাৰ কৰিব পৰা নাছিল আৰু তাক তন্ন তন্নকৈ পৰীক্ষা কৰিও কোনেও সেই চুৰি হোৱা হীৰা তাৰ দেহৰপৰা, চোলাৰ জেপৰপৰা, বা সেই মূৰ্তিৰপৰা বিচাৰি পোৱা নাছিল। কিন্তু সি হীৰা-জহৰতৰ দোকানলৈ গ'লেই যে এডোখৰ দুডোখৰ হীৰা নোহোৱা হৈছিল যে—সেই কথাত কোনো সন্দেহ নাছিল,

যদিও তাক হাতে-লুটে কোনেও কেতিয়াও ধৰিবও পৰা নাছিল। এনেকুৱা কচুপাত ফুলা ঘটনা ভালেমামবাৰলৈ ঘটিল, কিন্তু বিজয়ক চোৰ বুলি কোৱাৰ থল নোলাল।

পিছে কেতিয়াবা যে কচু কাটোঁতেও দা ভাঙে, সেই কথা বিজয়ে নাজানিলেও জনাই জানে আৰু জীৱনৰ বাটত মানে।

এদিন গৈ গৈ বিজয়ে হীৰাপুৰ পালেগৈ। হীৰাপুৰ পাই বিজয়ে এখোজ দুখোজকৈ গৈ গৈ বিবেকৰ হীৰা-জহৰতৰ দোকানলৈ গ'ল আৰু তাতো আঙঠি বনোৱাৰ বাবে হীৰা এডোখৰ কিনাৰ ছলেৰে হীৰা চাই থাকোঁতে এডোখৰ হীৰা তাৰ হাতত থকা আঠালতীয়া মাটিৰ মূৰ্তিৰ ভিতৰত চকুৰ পচাৰতে ভৰাই লোৱা হ'ল। কিন্তু এইবাৰ এই ঘটনাটো সেই দোকানৰ কৰ্মচাৰী এজনে দেখ দেখ দেখা পালে, আৰু দোকানৰ মালিক বিবেকক এই অভিনৱ কথাটো কৈ দিলে।

কিন্তু সেই মাটিৰ মূৰ্তিৰ ভিতৰত কেনেকৈকেনো হীৰাডোখৰ ভৰাই থ'ব ? দোকানৰ মালিক বিবেকে ভাবিলেঃ এয়া দেখোন পৰ্বতত কাছকনী পোৱাৰ দৰে অসম্ভৱ কথা। তথাপি দোকানৰ কৰ্মচাৰীজনে হীৰা এডোফৰ চুৰি কৰি মূৰ্তিৰ ভিতৰত ভৰাই থোৱাৰ কথা বাৰে বাৰে কৈ থাকিল।

তেতিয়া বিজয়ে খং উঠাৰ-আমনি পোৱাৰ মিছা ভাও জুৰি বিবেকক কৈ থাকিল, " এই যে মূৰ্তি দেখিছে — এই মূৰ্তি অভেদ্য বস্তুৰে বনোৱা হৈছে। এই মূৰ্তিৰ ভিতৰত হীৰা এডোখৰ সুমুৱাই থোৱাৰ কথাটো তেনেই হাঁহিউঠা অথহীন কথা।"

বিবেকে বিজয়ক ক'লে, "মোৰ কৰ্মচাৰী মানুহজনে তোমাৰ নামত মিছা অপবাদ দিছে বুলি ভবাৰ কোনো কাৰণ নাই। আৰু





দোকানৰপৰা এডোখৰ হীৰা যে নোহোৱা হৈছে সেই কথাটোও সঁচা। গতিকে তোমাৰ এই মূৰ্তি ভাঙি চাব লাগিব। তোমাৰ কিবা আপত্তি আছে যদি কোৱাঁ।"

বিজয়ে ক'লে যে এই প্ৰস্তাৱ অতি ভাল, গতিকে—তাৰ কোনো আপত্তি নাই।

তেতিয়া বিবেকে সেই মাটিৰ মূৰ্তি ভাঙিবলৈ বহু ধৰণে চেষ্টা কৰিলে, কিন্তু একোপধ্যেই ভাঙিব নোৱাৰিলে। তাৰ পাছত ডাঙৰ হাতুৰিৰেও ভাঙিবলৈ চেষ্টা কৰি চালে। কিন্তু তথাপি সেই মাটিমূৰ্তি ভাঙিব নোৱাৰিলে। তাৰ পাছত সেই মূৰ্তি কৰতেৰে কাটিবলৈকো চেষ্টা কৰি চালে, কিন্তু তথাপি ব্যৰ্থ হ'ল, মূৰ্তি, যেনেকৈ আছিল তেনেকৈ থাকিল।

তেতিয়া তাত গোট খোৱা মানুহখিনিৰ মাজত কিছুমানে ক'লে যে—ইমান টানবো টান মূৰ্তিৰ ভিতৰত কোনো বাহিৰা বস্তু লুকাই থোৱাটো বাদেই, সুমুৱাবও নোৱাৰি।

কিন্তু বিবেকে ক'লে যে মূৰ্তিটো ভাঙি নোচোৱাকৈ এই কথাত তেওঁ নিঃচিন্ত হ'ব নোৱাৰিব। তেতিয়া এজন মানুহে কৈ উঠিল, "এই মূৰ্তি ভঙাৰ কাম চন্দনপুৰ গাঁৱৰ বেদৱতীয়ে হেলাৱঙে কৰিব পাৰিব।"

মানুহজনে বেদৱতীৰ কাহিনী বিবেকক কোৱাত বিবেকে ক'লে, "বেদৱতীৰ কাহিনী কাল্পনিক কাহিনী যেন পাইছোঁ। তথাপি মূৰ্তিটো ভঙাৰ আন উপায় নায়েই যেতিয়া—তালৈ গৈ চেষ্টা কৰি চাব পাৰি। কিয়নো কোন গাঁতত কি সাপ আঁছে কোনে ক'ব। মোৰ ধৰণা এই মূৰ্তিত বা মূৰ্তিৰ মালিকতো কিবা অলৌকিকত্ব আছে। যদি কেনেবাকৈ মই এই ভেদ ভাঙিব পাৰোঁ, তেনেহ'লে এক মহাচোৰৰ চুৰিৰ অলৌকিক ৰহস্য আৱিষ্কাৰ কৰাৰ গৌৰৱ মই পাম। দেশৰ ৰজায়ো তেতিয়া মোৰ মান ধৰিব। যদি বেদৱতীয়ে এই মূৰ্তি ভাঙিব পাৰে মই একলাখ মুদ্ৰা দিবলৈকো সাজু।"

বিজয়ে কৈ উঠিল, "কিন্তু যদি বেদৱতীয়ে এই মূৰ্তি ভাঙিব নোৱাৰে তেনেহ'লে পুৰুষ-পৰম্পৰাই আমাৰ ওচৰত যিমান হীৰা আছে আটাইবোৰ হীৰা বিবেকে উচিত কড়িৰে কিনি ল'ব লাগিব।"

"যদি এই মূৰ্তিৰ ভিতৰত হীৰা পোৱা যায় সেইবোৰ আটাই বোৰ হীৰা মোৰ সম্পত্তি হ'ব আৰু সেইবোৰ হীৰা মই ৰজা-ঘৰত জমা দিম। এই চৰ্ত মানিবানে তুমি ?" বিবেকে ৰাইজক সাক্ষী ৰাখি বিজয়ক সুধিলে।

লগে লগে বিজয়ে হয় কৰিলে, আৰু সকলোটি মিলি চন্দনগাঁৱলৈ বুলি আগ বাঢ়িলে।

বিবেকে বেদৱতীক সেই মূৰ্তিৰ কথা আৰু তেওঁৰ দোকানৰপৰা হীৰা চুৰিৰ কথা বুজাই কোৱাৰ অন্তত পুনৰ ক'লে, "মোৰ নাম বিবেক, মই হীৰা-জহৰতৰ বেপাৰী। মোৰ ধাৰণা, এই মূৰ্তিৰ ভিতৰত মোৰ দোকানৰপৰা চুৰি হোৱা পাঁচ লাখ মুদ্ৰা মূল্যৰ হীৰা এডোখৰ আছে। বহু ধৰণে চেষ্টা কৰিও আমি এই মূৰ্তি ভাঙিব পৰা নাই। তুমি যদি এই মূৰ্তিটো ভাঙি দিব পাৰা—মই তোমাক একলাখ মুদ্ৰা দিম।"

বিজয়ে আখৈ ফুটা দিলে, "যদি প্ৰমাণ হয় যে এই মূৰ্তিত কোনো হীৰা নাই—মই তোমাক বিয়া কৰাম।"

বেদৱতীয়ে ক'লে, "আৰু আখা ইচ্ছাই চৰু হ'লেও কইনা ইচ্ছাই দৰা হ'ব নাপায়। এইবোৰ ডাঙৰ কথা ডাঙৰে পাতে ডাঙৰে মাতে।" এই বুলি কৈয়েই বেদৱতীয়ে বিজয়ৰ হাতৰপৰা মূৰ্তিটো কাঢ়ি লৈ দুয়োখন হাতেৰে চেপি ধৰি মূৰ্তিটো টুকুৰা-টুকুৰ কৰি পেলালে আৰু মূৰ্তিটোৰ ভিতৰৰপৰা ভালেমান হীৰা ওলাই পৰিল।

মহাচোৰ বিজয়ক ৰাইজে কতোৱালৰ হাতত গটাই দিলে, আৰু বেদৱতীৰ মাক-দেউতাকৰ সন্মতিক্ৰমে ৰাইজক সাক্ষী ৰাখিয়েই বিবেকে বেদৱতীৰ হাত এখন হাতত ল'লে।

বেদৱতীয়ে—বিবেক-বিজয়—দুয়োলৈ চালে। তাই কিছু পৰলৈ মৌন হৈ থাকিল আৰু বাৰে বাৰে আকাশলৈ চাই কিবাকিবি চিন্তি থাকিল। তাৰ পাছত—বেদৱতীক নিমাত-নিশ্চুপ হৈ থকা দেখি বিবেকে প্ৰমাদ গণিলে। বিবেকে ভাবিলেঃ তীৰ পাই তৰী বুৰিবহেনে ? মহাচোৰটোক মুঠিত পায়ো এৰি দিবই লাগিবনে ?



বাপ চাই বেটা

মঙ্গল মাধৱৰ ঘৰলৈ আহিল। ভালেমান দিনৰ পাছত দেখাদেখি। দুয়ো বৰ আনন্দৰে কত যে কথা পাতি থাকিল! মাধৱে তাৰ খেতি-বাতিৰ কথাও গল্প-কথা কোৱাদি ক'লে। মঙ্গলেও ই-সি বহুত কথাৰ বকলা মেলিলে।

তাৰ পাছত কথাই কথাই মঙ্গলে মাধৱক ক'লে, "কিন্তু তোমাৰ ল'ৰাটোৰ বুদ্ধি কিন্তু আৰু পূৰঠ হ'ব লাগিছিল। তুমি তাক নপঢ়ালা কিয়? পঢ়া লিখা জনা হ'লে সি বুদ্ধিমান হ'লহেঁতেন, তোমাৰ সা-সম্পত্তিৰ চোৱা-চিতা ভালকৈ কৰিব পৰা হ'লহেঁতেন।"

মঙ্গলৰ কথাত মাধৱে কিঞ্চিত বেয়া পাই কেটেৰ-জেঙেৰকৈ ক'লে, "মঙ্গল, কথা এটা কওঁ, শুনা। বুদ্ধিমান কেৱল পঢ়া-লিখা কৰিলেহে হয়, নহ'লে নহয়—এই ধাৰণা ভুল। ময়ো নপঢ়া-নিলিখা। সেইবুলি মূৰুখটো হৈ আছোঁনে? আৰু মোৰ ল'ৰাটোক তুমি যে বুদ্ধিহীন বুলি ভাবিছা সেই কথাও একোবাৰেই ভুল। সি দেখাতাং বোন্দাহেন, আচলতে বুদ্ধিমান যে জানিছানে নাই?"

মঙ্গলে মাধৱৰ ল'ৰাটোক হাত বাউল দি মাতি আনি সুধিলে, "বোপা, এতিয়া কি বতৰ—কোৱাচোন? জাৰনে জহনে কি?"

"সিবোৰ মই ক'নোৱাৰো। পিছে এতিয়া দোকানত আমৰ দ'ম।"

মঙ্গলে মুচুককৈ হাঁহি মাৰিলে আৰু পুনৰ সুধিলে, "আম ক'ৰপৰা আহে?"

মাধৱৰ পুতেকে টপৰাই কৈ উঠিল, "পাচিৰপৰা আহে।"

পাছ মুহূৰ্তত বাপেক মাধৱে পুতেকলৈ কোৰচীয়াকৈ চাওলে আৰু ক'লে, "মঙ্গল, তুমি তাৰ বিষয়ে কিজানি ঠিকেই কৈছো। তাৰ বুধি পূৰঠ হোৱা নাই। আম যে হাটৰপৰা আহে—সেই সামাইন কথাটোও সি নেজানে।"





সম্ৰাট অশোক

[আগৰ কথা : মগধ সাম্ৰাজ্যৰ উত্তৰাধিকাৰী নিৰ্বাচিত নকৰাকৈয়েই মহাৰাজ বিন্দুসাৰ পৰলোকগত হ'ল। পিতৃৰ মৃত্যু-সম্বাদ পায়ো যুৱৰাজ সুশেম তক্ষশিলা এৰি পাটলিপুত্ৰলৈ নাহিল। অশোক উজ্জয়িনীৰপৰা তৎক্ষণাৎ পাটলিপুত্ৰলৈ বুলি ৰাওনা হ'ল, কিন্তু সুশেমৰ ষড়যন্ত্ৰৰ ফলত অশোক পাটলিপুত্ৰৰ প্ৰবেশপথত আক্ৰান্ত হ'ল। অশোকৰ সৈন্যদলে এই ষড়যন্ত্ৰ সফল হ'বলৈ নিদিলে আৰু তাৰ ফলত ছয় ষড়যন্ত্ৰী ৰাজকোঁৱৰ নিহত হ'ল। জ্যেষ্ঠপুত্ৰ সুশেমৰ অনুপস্থিতিৰ ফলত কণিষ্ঠ অশোকেই প্ৰয়াত মহাৰাজ বিন্দুসাৰৰ মুখাগ্নি কৰিলে আৰু তাৰ পাছত প্ৰধানমন্ত্ৰী, ৰাজ-পুৰোহিত আৰু সেনাধিপতিৰ অনুৰোধক্ৰমে মগধ সাম্ৰাজ্যৰ সিংহাসনত অধিষ্ঠিত হোৱালৈ সম্মতি প্ৰদান কৰিলে। আৰু তাৰ পাছত....]

১২

ৰাত্ৰিৰ দুপৰ পৰতে প্ৰধানমন্ত্ৰীয়ে যুৱৰাজ অশোকৰ হাতলৈ ৰাজদণ্ড সমৰ্পণ কৰিলে। যুৱৰাজ অশোক সিংহাসনত উপৱিষ্ট হ'ল, কিন্তু মস্তকেপৰি ৰাজমুকুট ধাৰণ নকৰিলে। অশোকে বিমৰ্ষ কণ্ঠেৰে ক'লে, “এনেহেন বিষাদপূৰ্ণ পৰিস্থিতিত ৰাজ্যাভিষেকলৈ মোৰ মন নাই। এই সময় মুকুটাভিষেকৰ সময় নহয়।”

মন্ত্ৰিবৰ্গ, সেনাধ্যক্ষ সকলে অশোকৰ এই সময়োচিত প্ৰস্তাৱলৈ তেওঁলোকৰ আন্তৰিক সমৰ্থন জ্ঞাপন কৰিলে।

কিন্তু তথাপি প্ৰতিজনেই দুশ্চিন্তাগ্ৰস্ত হৈ থাকিল। কিয়নো জ্যেষ্ঠ যুৱৰাজ সুশেম নিশ্চয় হাত সাৱটি বহি নাথাকিব, কিবা নহয় কিবা ধৰণে অশান্তিৰ সৃষ্টি কৰিবই, অত্যাচাৰৰ ৰথ চলাবই।

ইপিনে সুশেমৰ মাতৃয়ে কটকী এজনৰ

‘কলিঙ্গ বিজয়লৈ এখোজ’



যোগে পুত্ৰলৈ পত্ৰ প্ৰেৰণ কৰিলে। কটকীয়ে সেই পত্ৰ যুৱৰাজ সুশেমৰ হাতত দিলে। সেই পত্ৰত লিখা আছিলঃ

'তোমাৰ পিতাশ্ৰী লোকান্তৰিত হ'ল। কিন্তু তুমি এতিয়াই পাটলিপুত্ৰলৈ নাহিবা।....'

এই পত্ৰ পাঠ কৰি সুশেম স্তম্ভিত হ'ল। সুশেমৰ প্ৰশ্নৰ উত্তৰত কটকীজনে মহাৰাজৰ মৃত্যু, সৎকাৰৰ আগতে অশোকৰ বিৰুদ্ধে যুদ্ধ, ছয় ৰাজকোঁৱৰৰ মৃত্যু, অশোকৰ সিংহাসন আৰোহণ আদি সমস্ত বিবৰণ সুশেমক ক'লে।

অগ্নিৱৎ জ্বলি উঠি সুশেমে চিঞৰি দিলে, "মই সেই হাৰামৰ নেগুৰ গৰুৰাগলা সলিসিয়ান দাসীপুত্ৰটোক খুন্দি তাও কৰিম। তাক মই—একেখাপে ছোৰা ছোৰা কৰিম তাৰ তেজেৰে ফাকুৱা খেলিম। মই এইক্ষণ পাটলিপুত্ৰলৈ বুলি ৰাওণা কৰিম। দলনায়কহঁতক তুৰন্তে মাতি আনা।"

"কিন্তু যুৱৰাজ, আপোনাৰ মাতৃদেউৰাই "মহাৰাণীয়ে আপোনাক পাটলিপুত্ৰলৈ যাবলৈ হাক দিছে যে"

কটকীয়ে কথাষাৰ নৌশেষ কৰোঁতেই যুৱৰাজ সুশেমে গৰ্জি উঠি ক'লে, "মোৰ মুখৰ ওপৰত যদি মাত মাতিছা যমৰ আলহী হৈছা যে জানি থোৱা। মোৰ পিতাশ্ৰীয়ে মৃত্যুৰ আগে আগে মোকেই মগধৰ সিংহাসনৰ একমাত্ৰ উত্তৰাধিকাৰী পাতি থৈ গ'ল। তেওঁৰ দহন-বহনৰ সময়ছোৱাত উপস্থিত নাথাকিলেই সিংহাসন হেৰুৱাব লাগিব—এনেকুৱা কোনো নিয়ম নাই, মোৰ পিতৃৰ অন্তিম ইচ্ছাক তেওঁৰ নিৰ্ণয়ক ৰদ কৰাৰ ক্ষমতা কোনো সাঁৰিয়াৰেই নাই। যদিহে তেনেকুৱা কোনোবা ওলায় তাক মই সাতো সাগৰত স্নান কৰাইহে এৰিম।" সুশেম মুহূৰ্তমানলৈ ৰ'ল আৰু তাৰ পাছত পুনৰ গোমে ফেঁট মেলি ফোচফোচোৱাদি কৈ উঠিল, "মই জানো—জানো মই এইবোৰ ষড়যন্ত্ৰৰ গুৰিত আছে সেই ভাঁৱৰীপকীয়া ভল্লটকটো। সি শিয়ালটো মহামন্ত্ৰী নহয় মহা ষড়যন্ত্ৰীহে। তাক মই পালি পালিকৈ শিকাম।"

মহামন্ত্ৰী, সেনাধিপতি প্ৰমুখই যেতিয়া বিৰাট সৈন্যবাহিনীৰে সৈতে সুশেম পাটলিপুত্ৰলৈ বুলি যাত্ৰা কৰাৰ সম্বাদ পালে, তেতিয়া প্ৰমাদ গণিলে। প্ৰমাদ গণিলে কিয়নো যি হওক যা হওক সুশেম হল মহাৰাজৰ জ্যেষ্ঠ পুত্ৰ, জ্যেষ্ঠ যুৱৰাজ, পাটলিপুত্ৰলৈ অহাৰ অধিকাৰ সুশেমৰো নিশ্চয়েই আছে।

সুশেম পাটলিপুত্ৰলৈ অহাৰ সম্বাদ চোৰাংচোৱাহঁতৰ যোগে পাই যুৱৰাজ অশোকও চিন্তান্বিত হৈ উঠিল। এই বিষয়ত আলোচনা-বিলোচনাৰ বাবে অশোকে মহামন্ত্ৰী সেনাধ্যক্ষ আৰু অন্য অন্য প্ৰমুখ সকলকো মতাই অনালে। সকলোটিয়েই আহিল,কিন্তু মনে মনে থাকিল। কোনেও টুঁ শব্দটিও নকৰা হ'ল। তাত এক নৈঃশব্দৰ ভয়াবহতাই মূৰ দাঙি উঠিল।

সেই নৈঃশব্দক নোহোৱা কৰি অশোকেই পুনৰ কৈ উঠিল, "হে মোৰ মিত্ৰবৰ্গ, এই সুকঠিন সময় মৌন হৈ থকাৰ সময় নহয়। আপোনালোক মগধৰ শুভ-চিন্তক। আপোনালোকৰ দিহা-পৰামৰ্শ মোক লাগে।"

"মহাৰাজ, মুকুটাভিষেক এতিয়াই হ'ব নালাগে বুলি আপুনিয়েই কৈছিল। তথাপি মুকুটাভিষেক হওক-নহওক আপুনিয়েই আমাৰ মহাৰাজ। এতেকে শত্ৰু যদি দ্বাৰদেশত, আপুনিয়েই আমাক যোদ্ধৃ বেশত শত্ৰুক ভেটিবলৈ পঠাব লাগে, আপুনিয়েই নিৰ্ণয় ল'ব লাগে। কিয়নো মগধত এতিয়া শান্তি স্থাপনৰ একমাত্ৰ উপায়—যুদ্ধ।"

সকলোটিয়েই সমৱেত কণ্ঠেৰে কৈ উঠিল, "যুদ্ধ, যুদ্ধ!"

অশোকে সকলোটিলৈ চাই ক'লে, "আপোনালোকৰ সঠিক পৰামৰ্শৰ বাবে আন্তৰিক ধন্যবাদ। পিছে মই মোৰ অগ্ৰজ সুশেমক এবাৰলৈ—কমেও এবাৰৰ বাবে এক সুযোগ দিব খুজিছোঁ।"

অশোকৰ কথাত আচৰিত মানি মহামন্ত্ৰী ভল্লাটকে সুধিলে, "কেনেকুৱা সুযোগ?"



"সুশেম যদি শান্তিপূৰ্ণভাবে তক্ষশিলালৈ উভতি যোৱা হয়—তাত মগধৰ ৰাজ-প্ৰতিনিধি হৈ তক্ষশিলাৰ শাসনৰ দায়িত্ব কাঢ়িয়াব পাৰিব।" অশোকে ক'লে।

এগৰাকী মন্ত্ৰীয়ে ক'লে, "এই আশা নাই বুলিয়েই যেন বোধ হৈছে। আৰু জ্যেষ্ঠ যুৱৰাজক বিনা বাধাৰে উভতি যাবলৈ দিলেও তেওঁ আপোনাকে দুৰ্বল বুলি গণ্য কৰি তক্ষশিলাত স্বতন্ত্ৰতা ঘোষণা কৰিব পাৰে। যদি ফলাফল এনেকুৱা হয়—তেনেহ'লে এই ফলাফলৰ দূৰ প্ৰসাৰী ছায়া সমগ্ৰ মগধ সাম্ৰাজ্যতে পৰিব পাৰে, সমগ্ৰ মগধতে আঞ্চলিক বিদ্ৰোহে মূৰ দাঙিব পাৰে।"

মহামন্ত্ৰীয়ে মন্তব্য কৰিলে, "আমাৰ সুযোগ্য মন্ত্ৰীমহোদয়ৰ কথা পেলনীয়াবিধৰো



নহয়, অতিশয়োক্তিও নহয়। আমাৰ বৰ্তমান মহাৰাজৰ উদাৰতাক জ্যেষ্ঠ যুৱৰাজে মগধ সাম্ৰাজ্যকে বিদাৰণৰ কামত ব্যৱহাৰ কৰিব পাৰে। তথাপি আমাৰ মহাৰাজৰ সদিচ্ছালৈকো মোৰ আন্তৰিক সমৰ্থন নথকা নহয়। সুশেমক বুজাই বৰাই ক্ষান্ত শান্ত কৰাৰ চেষ্টা দিয়াৰ মই বিৰোধী নহওঁ।"

"কিন্তু —"

দ্বিধাগ্ৰস্ত অশোকে যেনিবা নিজক কোৱাদিয়েই কৈ থাকিল, "মেকুৰীৰ ডিঙিত টিলিঙা আঁৰিব কোনে? কোনেনো আক্ৰমণোদ্যত জ্যেষ্ঠ যুৱৰাজক বুজাই-বৰাই শান্ত-ক্ষান্ত কৰিবগৈ?"

"এই ভাৰ ময়েই ল'লোঁ।"

মহামন্ত্ৰী ভল্লাটকে ক'লে, "মই নিজেই জ্যেষ্ঠ যুৱৰাজ সুশেমক মাল্যভূষিত কৰি এনেহেন আত্মঘাতী কাৰ্যৰদ্বাৰা মগধ সাম্ৰাজ্যৰ মহা অনিষ্ট সধাৰপৰা বিৰত কৰিবলৈ আগবাঢ়ি যাম। আৰু তাৰ পাছত আপোনাৰ প্ৰস্তাৱ তেওঁৰ ওচৰত দাঙি ধৰিম।"

"আপোনাৰ এই ৰাজভক্তি তথা সৎমনোবৃত্তিৰ কোনো তুলনা দিবলৈ মই অপাৰক। কিন্তু হে আমাৰ মাননীয় মহামন্ত্ৰী, এই সৎ কাৰ্য্য কৰিবলৈ গৈ আপুনি যে মহা অসৎ কাৰ্য্যৰ সন্মুখীন হ'ব পাৰে ভাবি চাইছেনে?" অশোকে ক'লে।

"জানো মই, মোৰ এই কাৰ্য্য বিপদজনক। কিন্তু মোক হত্যা কৰি সুশেমৰ কিবা লাভ দেখেনে? বৰং সুশেমৰ এই কাৰ্য্যই —যদিহে মোক হত্যা কৰে সুশেমক ঘোৰ নিন্দাৰ তথা ৰাইজৰ বিৰুদ্ধতাৰ পাত্ৰ কৰি তুলিব, আৰু মগধৰ সিংহাসনলাভৰ পথ চিৰতৰে ৰুদ্ধ কৰি দিব। কিয়নো কথাতে বোলে—ৰাইজেই ৰজা। কথষাৰ আখৰে আখৰে সত্য। আৰু মগধ সাম্ৰাজ্যৰ মঙ্গলৰ বাবে যদি মোৰ দৰে নিঃকিনৰ জীৱন উছৰ্গিব পাৰোঁ তাতকৈ জীৱন-গৌৰৱ আৰুনো কি?" মহামন্ত্ৰীয়ে ক'লে।

"হে আমাৰ গৌৰৱৰ মহামন্ত্ৰী, আপোনাৰ তুলনা আপুনিয়েই। ক'বলগা একোৱেই মই বিচাৰি পোৱা নাই। আপোনাৰ মহৎ উদ্দেশ্য জয়যুক্ত হওক।" অশোকে ক'লে।

তিমানতে সুশেম পাটলিপুত্ৰ নগৰৰ দ্বাৰদেশ পাইছিলহি। সুশেমে যিমানেই

আগবাঢ়ি আছিল, তিমানেই তেওঁৰ ক্ৰোধও বাঢ়ি গৈ আছিল। সুশেমে তেওঁৰ অনুচৰ এজনক ক'লে, "মগধৰ সিংহাসনত নবহালৈকে বাটত বাধা দিয়া যাক পাম তাকেই খতম কৰিম—এয়ে হওক আমাৰ পণ।" অশ্বপৃষ্ঠাৰূঢ় সুশেমে সৈনিক আৰু সৈনাধ্যক্ষহঁতলৈ চাই ৰূঢ়ভাৱে ক'লে আৰু চাবেৰে আগুৱাই যাবলৈ ধৰিলে।

এইদৰে গৈ গৈ যুৱৰাজ সুশেমে যেতিয়া নগৰদ্বাৰ পালেগৈ, মহামন্ত্ৰী ভল্লাটকে মিঠাকৈ হাঁহিৰে পুষ্পমালা হাতত লৈ সুশেমৰ পিনে আগুৱাই যাবলৈ ধৰিলে। মুহূৰ্তৰ বাবে সুশেমে ঘোঁৰাৰ লেকামত টানি ধৰি ৰৈ দিলে আৰু পাছ মুহূৰ্তত চিঞৰি উঠি ক'লে, "আ! তইহেনে সাজ চাই চাপৰি বাই যোৱা সাতকালৰ চেং ভাঁৰৰীপকীয়া ভল্লাটক! তই ইয়াতো!" এই বুলি কৈয়েই সুশেমে বিজুলীগতিৰে খাপৰপৰা তৰোৱাল উলিয়াই আনি মহামন্ত্ৰী ভল্লাটকলৈ প্ৰধাৱিত হ'ল।

মহামন্ত্ৰীয়ে চিঞৰি কৈ উঠিল, "হে যুৱৰাজ! কওক-ৰওক।" কিন্তু তিমানতে সুশেমে মহামন্ত্ৰী ভল্লাটকক হত্যাৰ বাবে তৰোৱালেৰে ঘপিয়ালেই। মহামন্ত্ৰীৰ মস্তক দেহৰপৰা বিচ্ছিন্ন হৈ ফৰি পৰিল।

প্ৰাকাৰৰ ওপৰত দণ্ডায়মান মহামন্ত্ৰীৰ পুত্ৰই এই ঘটনা দেখা পাই চিৎকাৰ কৰি ৰাজকীয় সৈন্যদলক সুশেমক আৰু তেওঁৰ সৈন্যবাহিনীক আগুৰি ধৰিবলৈ আদেশ দিলে। মহামন্ত্ৰীৰ পুত্ৰও আছিল এগৰাকী দলনায়ক। তেওঁৰ আদেশ পাই ৰাজকীয় সৈন্যসকলে সুশেমক আৰু তেওঁৰ সৈন্যহঁতক কোনো পিনে ওলাব নোৱৰাকৈ আগুৰি ধৰিলে, আৰু দলনায়ক মহামন্ত্ৰীৰ পুত্ৰই লৰৰি আছি একে ঘাপে সুশেমৰো মুণ্ডচ্ছেদ কৰি পিতৃহত্যাৰ পোটক তুলিলে। আৰু— তক্ষশিলাৰপৰা অহা সৈন্যহঁতে ক্ষমা প্ৰাৰ্থনা কৰি রাজকীয় সৈন্যদলৰ লগ লাগিলে।



শান্তি স্থাপনাৰ্থে নিকৰুণ হত্যাস অশোকৰ প্ৰাণত হাহাকাৰৰ সৃষ্টি কৰিলে আৰু মগধৰ মহান শুভ-চিন্তক মহামন্ত্ৰীক হেৰুৱাই অশোকে বিষাদসাগৰত ডুব দিলে।

কিন্তু ৰাজকীয় কৰ্তব্যই দুখ-কষ্ট নামানে। গতিকে ৰজা অশোক অলপতেই দুঃখ-শোক পাহৰিবলৈ বাধ্য হ'ল আৰু পাটলিপুত্ৰত তথা সমগ্ৰ মগধত শান্তি স্থাপনৰ বাবে ৰাজকীয়



কৰ্তব্যকৰ্মলৈ মন দিয়া হ'ল।

জ্যোতিষীয়ে অশোকৰ মুকুটাভিষেকৰ বাবে শুভ মুহূৰ্ত স্থিৰ কৰিলে। কিন্তু এই বিষয়ত এক জটিল সমস্যাই মূৰ দাঙিলে।

বিদিশা আছিল বৌদ্ধ মতাৱলম্বী। এতেকে বিদিশাক মহাৰাণীৰূপে স্বীকাৰ কৰাত পুৰোহিতবৰ্গই তেওঁলোকৰ অক্ষমতা প্ৰকাশ নকৰি নোৱাৰিলে। এই অসুবিধাৰ কথা কেৱল ধৰ্মীয় ক্ষেত্ৰতে আবদ্ধ নাছিল, এই ক্ষেত্ৰত স্বাস্থ্যগত বিষয়তো অসুবিধাৰ সৃষ্টি কৰিছিল। বিদিশাৰ স্বাস্থ্য ইমানেই বেয়া হৈছিল যে দূৰ উজ্জয়িনীৰপৰা পাটলিপুত্ৰলৈ যাত্ৰা কৰাৰ ক্ষেত্ৰত উজ্জয়িনীৰ বৈদ্যবৰ্গই বিদিশাক নিষেধ কৰিছিল। এইবোৰ বিভিন্ন কাৰণত বিশেষকৈ মহাৰাণী নোহোৱাকৈ মহাৰাজৰ মুকুটাভিষেক একান্ত অসম্ভৱ হৈ উঠিছিল। ইপিনে মুকুটাভিষেকৰ বাবে এনেহেন শুভ মুহূৰ্ত পুনৰ পঞ্চবৰ্ষৰ পাছতহে পোৱা যাব।

প্ৰয়াত মহামন্ত্ৰী ভল্লটকৰও পৰিবৰ্তে নিযুক্ত নতুন মহামন্ত্ৰী ৰথগুপ্তই অশোকক ক'লে, "মহাৰাজ, আপোনাৰ মুকুটাভিষেকৰ বিষয়ত যে এনেকৈ খৰখেদা কৰা হৈছে তাৰ কাৰণে মোক ক্ষমা কৰিব। এই খৰখেদাৰ হেতু হ'ল অহা পঞ্চবৰ্ষতো শুভ মুহূৰ্তৰ অভাৱ। ইপিনে—বিদিশা দেৱীৰ স্বাস্থ্য যে অতি বিপদজনক মাত্ৰা পাইছেহি, সেই কথা আপোনাৰো অবিদিত নহয়, আৰু যুৱৰাজ মহেন্দ্ৰকো যে বৌদ্ধধৰ্মতে দীক্ষিত কৰাৰ দিহা লোৱা হৈছে, তাকো আপুনি জানে। আপুনিয়েই ভাবি চাওক, যিগৰাকী যুৱৰাজ যুদ্ধৰ বিষয়ে অনিচ্ছুক আস্থাহীন ভৱিষ্যতত সেইগৰাকী যুৱৰাজে কেনেকৈ সাম্ৰাজ্য শাসনৰ দায়িত্ব চম্ভালিব ? এতেকে আপোনাৰ পক্ষে বেদনাদায়ক হোৱা সত্বেও বাধ্যত পৰিয়েই কওঁ আপুনি পুনৰ্বিবাহ কৰক। তাৰ বাহিৰে অন্য উপায় মই দেখা নাই।"

ৰজা অশোকে মহামন্ত্ৰী ৰথগুপ্তৰ এই পৰামৰ্শ নামানিলে। এই প্ৰস্তাৱ অশোকে পোনে পোনেই প্ৰত্যাখ্যান কৰিলে। কিন্তু দূতৰ মুখে এই কথাটো জানি বিদিশাই অশোকলৈ এই বাৰ্তা প্ৰেৰণ কৰিলেঃ

'দিনে দিনে মোৰ স্বাস্থ্য মৃত্যুমুখী হৈছে। মই ৰাজপত্নীৰূপে মোৰ কৰ্তব্য পালনত সম্পূৰ্ণ অক্ষম। আপুনি অনুগ্ৰহ কৰি অন্য কোনোবাজনী ৰাজকুমাৰীক প্ৰসন্ন মনেৰে



বিবাহ কৰিলেহে মই স্বস্তি লভিম।'

অতঃপৰ অশোকৰ পক্ষে আন কোনো উপায়েই নোহোৱা হ'ল।

এই পত্ৰ পাই, বহু ধৰণে ভাবি চাই—অতঃপৰ অশোকে আনন্দমিত্ৰাক বিবাহ কৰালে আৰু তাৰ পাছত সমাৰোহপূৰ্ণ মুকুটাভিষেকো সম্পন্ন হ'ল।

এইদৰে—একে একে দিন গ'ল মাহ গ'ল বছৰ বাগৰিল—কিন্তু অশোকে তথাপি ৰাজকাৰ্য্যত পৰিপূৰ্ণভাবে মনঃসংযোগ কৰিব পৰা নহ'ল। এক দীৰ্ঘ-প্ৰলম্বিত উদাস-উদাসীনতাই অশোকক যেনিবা আচ্ছন্ন কৰি থাকিল। আনকি এদিনৰ বাবেও অশোকক কোনেও পৰিপূৰ্ণ প্ৰফুল্লিত নেদেখিলে। কিয়নো—অশোকে বিদিশাক আৰু তেওঁৰ পুত্ৰদ্বয়ক একোপধ্যেই বিস্মৃত হ'ব নোৱাৰিলে। আৰু তাৰ অনিবাৰ্য্য পৰিণামত সাম্ৰাজ্য-শাসনৰ বিষয়ে উদাসীনতাই প্ৰকট ৰূপ ধাৰণ কৰিলে।

ৰজা অশোকৰ শাসনকাৰ্য্যৰ প্ৰতি বিতৃষ্ণালৈ লক্ষ্য কৰি মহামন্ত্ৰী ৰথগুপ্তই এই বিষয়ে সেনাধিপতিৰপৰা পৰামৰ্শ প্ৰাৰ্থনা কৰাত সেনাধিপতিয়ে ক'লে, "মযো মহাৰাজৰ শাসনকাৰ্য্যৰ প্ৰতি উদাসীনতালৈ মন নকৰাকৈ থকা নাই। আৰু সাম্ৰাজ্যৰ শাসনৰ প্ৰতি মহাৰাজৰ মন আকৃষ্ট কৰাৰ এক আঁচনিও চিন্তি থৈছোঁ।"

"কি সেই আঁচনি ?" মহামন্ত্ৰী ৰথগুপ্তই সাগ্ৰহৰে সুধিলে।

"কলিঙ্গদেশৰ ৰজা নিঃসন্তান অৱস্থাত ঢুকাল। যি কাৰ্য্য চন্দ্ৰগুপ্ত মৌৰ্য্যই তথা আমাৰ লোকান্তৰিত মহাৰাজ বিন্দুসাৰেও কৰিব পৰা নাছিল, আমাৰ বৰ্তমান মহাৰাজ অশোকক সেই কাৰ্য্যলৈ উদগাব লাগিব।"

সেনাধিপতিক মহামন্ত্ৰীয়ে পুনৰ সুধিলে, "কি সেই কাৰ্য্য ?"

"কলিঙ্গ বিজয় !"

সেনাধিপতিয়ে মুহূৰ্তমান ৰৈ পুনৰ ক'লে, "এয়েহে কলিঙ্গ বিজয়লৈ প্ৰকৃষ্ট সময়। ৰজাহীন কলিঙ্গ এতিয়া মহাসমুদ্ৰত গুৰিয়ালহীন নৌকাৰৎ। এয়েহে সময়।"

আৰু সেনাধিপতিয়ে-মহামন্ত্ৰীয়ে যুগ্ম প্ৰচেষ্টাৰে ৰজা অশোকক কলিঙ্গ বিজয়লৈ সন্মত কৰালে।

[আগলৈ



পাণ্ডিত্যৰ মাখিছাল

তথাপি ৰজা বিক্ৰমাদিত্য নদমিল। পুনৰ সেই গছজোপাৰ ডালৰপৰা ওলমি থকা মৃতদেহটা নমাই আনি, কান্ধত পেলাই লৈ, ৰাত্ৰিৰ দুপৰ পৰতে কিনকিনীয়া বৰষুণ আৰু আউঁসীৰ ঘন-ঘোৰ এন্ধাৰৰ মাজেদি কেৱল হাড়ৰ খটখট শব্দ উঠা প্ৰেত-পিশাচৰ নাচ চলি থকা মৃত্যুশোকৰ হুমুনিয়াহৰে ভৰপূৰ পূতিগন্ধময় মৰিশালিলৈ গৈ থাকিল আৰু মৃতদেহস্থ বেতালে কৈ থাকিল, “হে ৰজা, তোমাৰ ধ্যেয় যে কি তাৰ উমান লোৱাও টান। কিন্তু তুমি যদি কিবা কাৰণত কিবা ধৰণৰ পাণ্ডিত্য আৰ্জিবলৈ অকল্পনীয় শ্ৰম কৰিছা, তেনেহ’লে আজি তুমি প্ৰগুণ নামৰ এক নিৰ্গুণৰ কাহিনী শুনি শুনি গৈ থাকা। এই কাহিনীয়ে তোমাক আন একো দিব নোৱাৰিলেও পাণ্ডিত্যৰ মাখিছালৰ বিষয়ে ভবাৰ সমল যোগাব।” এই বুলি মন্তব্য কৰি বেতালে পুনৰ ৰজাক ক’বলৈ ধৰিলেঃ

বেতাল-কথা



অতি প্ৰাচীনকালত শতভোজ নামেৰে এগৰাকী ৰজা আছিল। ৰজা শতভোজ আছিল কলাপ্ৰিয় ৰজা। তেওঁৰ সভাত আছিল বিবিধ শাস্ত্ৰজ্ঞ পণ্ডিতবৰ্গ। মহাৰাজ শতভোজ য'লৈকে গৈছিল, প্ৰাজ্ঞ পণ্ডিতসকলকো লগত লৈ ওলাইছিল আৰু আজৰিপৰতে তেওঁলোকৰ সৈতে শাস্ত্ৰচৰ্চা কৰি বিমল আনন্দ লভিছিল।

এইখন দেশতে সুৰপুৰ নামৰ গাঁও এখন আছিল প্ৰাকৃতিক সৌন্দৰ্য্যেৰে ভৰপূৰ। মহাৰাজ শতভোজ পা-পৰিয়ালে সেই সৌন্দৰ্য্যমণ্ডিত গাঁওখনলৈ গ'ল। কোৱা বাহুল্য, তেওঁ তেওঁৰ সৈতে প্ৰাজ্ঞ পণ্ডিতবৰ্গকো লৈ গ'ল।

মহাৰাজে গাঁৱৰে এক প্ৰান্তত তম্বু তৰিলে। এই কাৰ্য্যত হাত-উজান দিবলৈ এই প্ৰখ্যাত গাঁওখনৰ বিখ্যাত লোকসকলো নিজ ইচ্ছাৰে আগবাঢ়ি আহিল।

এই সুন্দৰী সুৰপুৰ গছে-বনে ভৰপূৰ গাঁওখনত যেনেকৈ প্ৰখ্যাত বিজ্ঞতাপূৰ্ণ মানুহ আছিল, তেনেকৈ এক বিখ্যাত মূৰ্খও বাস কৰিছিল। এই মূৰ্খ মানুহজনৰ নাম আছিল প্ৰগুণ। প্ৰগুণ যদিও আক্ষৰিক অৰ্থতো আছিল প্ৰগুণেই অৰ্থাৎ সবল, তথাপি তাৰ নিৰ্গুণতা তথা মূৰ্খতাও আছিল প্ৰবল। নিৰ্গুণ প্ৰগুণে নিজক গাঁৱৰ সৰ্বশ্ৰেষ্ঠ বুদ্ধিমান বুলি ভাবিছিল।

গাঁৱৰ প্ৰকৃত বুদ্ধিমান লোকসকলে প্ৰগুণৰ প্ৰচণ্ড মূৰুখালি অপাৰ উদাৰতাৰে সহিছিল, আৰু কোনেও তাক তাৰ মূৰ্খতাৰ কথাটো সোঁৱৰাই দিয়াৰ আৱশ্যকতাও অনুভৱ নকৰিছিল।

প্ৰগুণৰ এজনী ভনীয়েক আছিল অপৰূপ ধুনীয়া, স্বৰ্গলোকৰ অপ্সৰাইঁতো কিজানি প্ৰগুণৰ ভনীয়েক প্ৰমীলাৰ আগত কুৰূপা বুলি বোধ হ'ব। গাঁৱৰ তো হয়েই, আনকি চুবুৰীয়া দহোখন গাঁৱৰো ঢেৰ ডেকাল'ৰাইঁতে ৰূপময়ী প্ৰমীলাক বিয়া কৰাবলৈ নানান ধৰণে চেষ্টা কৰিছিল। এই ডেকাইঁতে নিৰ্গুণ প্ৰগুণকো সুগুণসম্পন্ন বুলি কৈ কৈ বৰপীৰা পাৰি দিছিল আৰু পাৰ্যমানে চটুৱাই জোল খুৱাইছিল আৰু এই উপায়েৰে প্ৰমীলাজনীক পোৱাৰ বাবে ফমুটি মাৰিছিল।

বিশেষকৈ এই কাৰণত প্ৰগুণৰ মনত এই ধাৰণাই শিপাইছিল যে তাৰমান বুদ্ধিমান গাঁৱত দূৰৰে কথা—দেশতো কিজানি নাই। নহ'লেনো তাক ইমান মানুহে মিলি আকাশত



তোলেনে ? মানুহে কিয় ইমান শলাগে ?

দেশৰ ৰজা শতভোজ যে সিহঁতৰ গাঁৱৰ সীমাতে তম্বু তৰি আছিল, কথাটো প্ৰগুণেও নজনা নহয়। আৰু মহাৰাজৰ সৈতে যে বিৰাট বিৰাট পণ্ডিতসকল আহিল—সিটি কথাৰো প্ৰগুণে ভু পায়।

গতিকে আকাশতেলীয়া প্ৰগুণে ভাবিলে যে ৰাজপণ্ডিতহঁতৰপৰা যেনেতেনে কিবা ধৰণৰ মান-সন্মানৰ শৰাই পোৱাৰ বাবে চেষ্টা দিব লাগে।

ভবামতে কাম প্ৰগুণ তাৰ নাম। প্ৰগুণে ৰাজপণ্ডিতসকলক ক'লেগৈ, "ডাঙৰীয়াসকল, মোৰ নাম প্ৰগুণ। কেৱল এইখন গাঁৱৰে নহয়, চুবুৰীয়া গাঁৱৰ, আনকি দূৰ-দূৰণিৰ গাঁৱৰ মানুহবিলাকেও মোৰ নাম জানে আৰু মোক মানে। মানে মানে -এই গাঁৱত বা এই অঞ্চলতো যে মোৰ সমান পণ্ডিত নাই-নোলাব, সেই কথাটো মানে। মই মোৰ জীৱনত বহুতো কিবাকিবি পালোঁ, কিন্তু এটি বিশেষ ইচ্ছা পূৰাব নোবাৰিলোঁ। মোৰ এই বিশেষ ইচ্ছাটি হ'ল এয়ে যে ৰাজসভাৰ পণ্ডিতহঁতে মোৰ মান ধৰক।"

ৰাজপণ্ডিতসকলে প্ৰগুণক প্ৰাজ্ঞ পণ্ডিত বুলি ভাবি বিভিন্ন শাস্ত্ৰালোচনাৰ পাতনি হিচাপে 'দুগুটি অক্ষৰ ৰাম ৰাম'ৰ দৰে প্ৰগুণক কেইগুটিমান প্ৰশ্ন কৰি তাৰ পাণ্ডিত্য কিমান দু' টুকুৰি চালে। কিন্তু প্ৰগুণৰ উত্তৰ শুনি তেওঁলোক থৰযুগুতি এৰাহেন হ'ল। এগৰাকী পণ্ডিতে প্ৰগুণক ক'লে, "তোমাৰ নাম নিৰ্গুণহে হ'ব লাগিছিল, বোপা। তোমাক যে কোনেও একো নকয়-নোবোলে তাৰ কাৰণ হ'ল তোমাৰ অপাৰ মূৰ্খতা।" পণ্ডিতসকলেও কিঞ্চিত ছেলুখ তুলিলে।

শুনি প্ৰগুণৰ মুখখন ক'লা পৰিল। কিন্তু তথাপি সি কৈ উঠিল, "আজিপধ্যে কোনেও মোৰ পাণ্ডিত্যৰ পৰীক্ষা লোৱা নাছিল, ইতিকিং কৰা নাছিল। মই আপোনালোকক প্ৰশ্ন কৰিবলৈ কোৱা নাছিলোঁ নহয় ? মই আপোনালোকক মোৰ মান ধৰিবলৈ কৈছিলোঁহে। আপোনালোকৰ এইকণ গিয়ান-বুধিও নাইনে ? আপোনালোকৰ দৰে একেবাৰে অহৌবাংবিলাকক পণ্ডিত বুলি ভাবি ৰজাই কেনেকৈ যে পুহিছে তাৰ তলা-নলা মই ঠাৱৰ কৰিব পৰা নাই। আপোনালোকক ৰাজসভাৰপৰা উলিয়াইহে দিব লাগে।"

প্ৰগুণৰ কটু কথা শুনি পণ্ডিতবৰ্গৰ অন্তৰত আঘাত লাগিল । তথাপি তেওঁলোকে শান্ত কণ্ঠেৰে প্ৰগুণক ক'লে, "বন্ধু, তোমাৰ এই অভিপ্ৰায়ত আমি সহায় কৰিব নোৱাৰিম । কাষৰীয়া কক্ষত স্বয়ং মহাৰাজ আছে, তুমি তেওঁক সুধিচোৱাগৈ ।"

প্ৰগুণৰ মহাৰাজক দৰ্শনৰ চেষ্টাত সফল হ'ল । মহাৰাজ শতভোজৰ সৌন্দৰ্য্যৰ শলাগ লৈ প্ৰগুণে মহাৰাজক ক'লে, "মহাৰাজ, আপুনি দেখাই-মেলাই ইমান যে ধুনীয়াৰো ধুনীয়া ! কিন্তু আপোনাৰ সভাত তেনেবোৰ কুৎসিত অযোগ্য পণ্ডিতহঁতে কেনেকৈনো ঠাই পালে ?"

মহাৰাজ শতভোজে বুজি পালে যে এই মানুহজন একেবাৰে ভোদা । তেওঁ প্ৰগুণক ক'লে, "কোৱাঁ, আমাৰ পণ্ডিতসকলে তোমালৈ কি অযোগ্যতা দেখুৱালে ।" মহাৰাজে কৌতূহলী হৈ ভোজৰ খাহী ভোদাইকাই বুলি জানিও তাক সুধিলে ।

"সেই পণ্ডিতহঁতে মোৰ মান ধৰিবলৈ নামানিলে—যে এয়ে হ'ল সেইহঁতৰ অযোগ্যতাৰ দেখ দেখ প্ৰমাণ । আৰুনো কি প্ৰমাণ লাগিছে ? আপুনি তেওঁলোকক কিঞ্চিত ভদ্ৰতা শিকাওক, মোৰ মান ধৰিবলৈ কওক, আৰু নহ'লে ৰাজসভাৰপৰা উলিয়াই দিয়ক ।" প্ৰগুণে মহাৰাজক খাবাংখাচ কৈ দিলে ।

"তুমি যি যেনেকৈ কৰিবলৈ কৰিবলৈ মোক ক'লা, মই যদি তেনেকৈ নকৰোঁ, তুমি মোক কি কৰিবা ?" মহাৰাজে তাক আৰু জোকাই তুলিবৰ মনেৰে সুধিলে । মহাৰাজৰ এই কথাৰ কি উত্তৰ দিব পাৰি প্ৰগুণে পট্‌কৈ ভাবি উলিয়ায় নোৱাৰি নিবোকাটো হৈ থকাত মহাৰাজে পনুৰ তাক ক'লে, "বতাও—কোৱাঁ—কি চিন্তা কৰিছা ? কোৱাঁ, তুমি মোক কোৱামতে মই যদি কাম নকৰোঁ, তুমি মোৰ বিৰুদ্ধে কি ব্যৱস্থা ল'বা ?"



এনেকুৱা প্ৰশ্ন গাঁৱৰ ডেকাল'ৰাহঁতৰ কিছুমানেও তাক কেতিয়াবা কেতিয়াবা কৰিছিল। তেতিয়া সিহঁতক সি কৈছিল যে তেনেহ'লে মোৰ ভনীজনী বিয়া তোমাৰ লগত নাপাতোঁ। আৰু এই কথা কোৱাৰ লগে লগে সেইজন ডেকাই প্ৰগুণক পুনৰ গছত তুলিছিল, তাৰ সকলো কথাৰ শলাগ লৈছিল।

প্ৰগুণে সেই কথা মহাৰাজকো ক'লে, “মই কি কৰিম নকওঁ আপোনাক। কি নকৰিম তাকেহে ক'ম।”

“ঠিক আছে, তাকে কোৱাঁচোন শুনো।” মহাৰাজে ক'লে, ।

“মই মোৰ ভনীজনীৰ বিয়া আপোনাৰ সৈতে নাপাতোঁ। বছ।”

প্ৰগুণৰ এই কথা শুনি মহাৰাজে হো-হোৱাই হাঁহিলে আৰু তাৰ পাছত ভাবিলে যে সি যে কিমান ওখ খাপৰ মূহেখ দেখা যাওক।

মহাব্ৰাজে প্ৰগুণক ক'লে, “তোমাৰ ভনীয়েৰাক এবাৰ চাবলৈ বৰ মন গৈছে। ব'লা যাওঁ তোমাৰ ঘৰলৈ। দেখাৰ পাছত ভবা— আৰু তাৰ পাছত জানোচা তুমি মানৰ শৰাইকে পাই যাবা। হ'বনে?”

প্ৰগুণ মহাৰাজৰ কথাত সন্মত হ'ল। মহাৰাজ প্ৰগুণৰ ঘৰলৈ গ'ল, আৰু গৈ প্ৰমীলাক চাই একেবাৰে ৰ'লাগি ৰৈ গ'ল। ইমান সৌন্দৰ্য্য যে মানুহ এজনীত থাকিব পাৰে—মহাৰাজৰ কল্পনায়ো ঢুকি পোৱা নাছিল। তেওঁ প্ৰমীলাৰ সৈতে দুই-চাৰি কথা পাতি বুজি পালে যে প্ৰমীলাজনী প্ৰগুণৰ বিপৰীত, অতি বুদ্ধিমতী।

মহাৰাজে প্ৰমীলাক ক'লে, “তুমি—তুমি কোনোবাখন দেশৰ মহাৰাণী হোৱাটোহে ন্যায়সংগত। তুমি মোক বিবাহ কৰাবলৈ মত দিবানে?”

কথাৰ মাজত প্ৰগুণে হস্তক্ষেপ কৰি কৈ উঠিল, “মহাৰাজ, আপুনি আপোনাৰ





সভাপণ্ডিতহঁতক কওক মোৰ মান ধৰিবলৈ, তেহে এই বিভা সম্ভৱ হ'ব, নতু নহ'ব। আপুনি ৰাজীনে ?"

মহাৰাজ শতভোজে ক'লে, "যদি আমাৰ হয় মতৰ মিল, মাজত কিয়নো খাম তোমাৰ কিল ? তুমিনো কোনহে এলেকৰ পেলেকটো আহিলা, ঠেং মেলি বহিলা ? লাগিলে তোমাক থোড়া-বহুত ধন দিব পাৰোঁ, তোমাৰ মান ধৰিবলৈ একোপধ্যে বাধ্য কৰিব নোৱাৰোঁ। তুমি পৰৰ ওপৰত পচলা কুটাৰ অভিযোগ এৰা।"

প্ৰমীলাই মহাৰাজক ক'লে, "মহাৰাজ, এওঁ মোৰেই ককাইদেউ। তেওঁৰ এই ইচ্ছাক অন্যায় ইচ্ছা বা অতি অধিক ইচ্ছা বুলিও ক'ব নোৱাৰি। আৰু আপোনাৰ পক্ষে এই সামান্য কাৰ্য্য অসাধ্যও নহয়। মোৰ অনুৰোধত এই সামান্য ইচ্ছাক আপুনি পূৰণ কৰিব নোৱাৰিবনে ?"

মহাৰাজ শতভোজে প্ৰমীলাৰ কথাত কিছু যুক্তি বিচাৰি পালে আৰু প্ৰগুণৰ এই ইচ্ছা পূৰণলৈ চেষ্টা কৰি চাব বুলি কথা দিলে।

তেওঁ তেওঁৰ পণ্ডিতবৰ্গক প্ৰমীলাৰ কথা প্ৰগুণৰ ইচ্ছাৰ কথা বিশদভাৱে বুজাই কোৱাৰ অন্তত প্ৰমীলাক বিবাহ কৰাৰ বাবে তেওঁলোকৰপৰা সহায়তা খুজিলে।

পণ্ডিতসকলে পৰস্পৰৰ লগত এই বিষয়ে আলোচনা-বিলোচনা কৰি সৰ্বসন্মতভাৱে মহাৰাজক ক'লে যে—লাগিলে তেওঁলোকে ৰাজপণ্ডিতৰ পদ পৰিত্যাগ কৰিব, তথাপি এক পৰিপূৰ্ণ মূৰ্খলৈ মান ধৰিব নোৱাৰিব।

মহাৰাজৰপৰা পণ্ডিতবৰ্গৰ অভিমত অৱগত হৈ অতঃপৰ প্ৰমীলা পণ্ডিতবৰ্গৰ কাষ চাপিল। প্ৰমীলাই পণ্ডিতবৰ্গক ক'লে, "আপোনালোক মহান পণ্ডিত। কিন্তু সেই পাণ্ডিত্যেৰে আপোনালোকে আপোনালোকৰ মহাৰাজৰ এই সামান্যমান উপকাৰ কৰিব নোৱৰাটো এক বিচিত্ৰ কথা।"

প্ৰমীলাৰ কথাত সচকিত হৈ পণ্ডিতসকলে ক'লে, "আমাৰ পাণ্ডিত্য সৰ্বক্ষেত্ৰতেই মহাৰাজৰ সহায়ক হৈছে। মাত্ৰ এক মহামূৰ্খক পণ্ডিত হিচাপে স্বীকৃতি প্ৰদান কৰাতহে আঁমি বিৰত হৈছোঁ।"

প্ৰমীলাই সুধিলে, "কিয় বিৰত ?"

"এই বিবাহৰ অৰ্থ —হ'ব জানি-বুজি সন্মানৰ অপব্যৱহাৰ। অযোগ্যক যোগ্য বুলি

যহোৱাটো কোনো পণ্ডিতৰ ধৰ্ম নহয়।" এগৰাকী পণ্ডিতে ক'লে।

"কিন্তু মোৰ ককাইদেউ যে এই সন্মানৰ যোগ্য সেই কথা মই যদি আপোনালোকৰ আগত সাব্যস্ত কৰিব পাৰোঁ তেতিয়া মান ধৰিবনে?" প্ৰমীলাই সুধিলে।

"তোমাৰ ককায়েৰৰ কোনো বিষয়তেই জ্ঞান নাই। কেনেকৈনো তুমি তেওঁৰ যোগ্যতাক সাব্যস্ত কৰিবা?" পণ্ডিত এগৰাকীয়ে প্ৰমীলাক সুধিলে।

প্ৰমীলাই মিঠাকৈ হাঁহিৰে ক'লে, "এই কথা সাব্যস্ত কৰিবলৈ ককাইদেউৰ যোগ্যতা থকাটো কোনো লাগতিয়াল কথা নহয়, মোৰ লোকজ্ঞানেই যথেষ্ট।"

এই মন্তব্য কৰাৰ পাছত প্ৰমীলাই কিছুমান বস্তু-সামগ্ৰী উলিয়াই পণ্ডিতবৰ্গক দেখুৱালে। এইবোৰ সামগ্ৰী প্ৰমীলাই বিভিন্ন দেশৰ ৰাজকোঁৱৰ আৰু অভিজাত বংশৰ যুৱাসকলৰপৰা উপহাৰস্বৰূপে পাইছিল। সেই সকল ৰাজকোঁৱৰ-ধনিককোঁৱৰহঁতে অপৰূপ সুন্দৰী প্ৰমীলাক বিয়া কৰোৱাৰ প্ৰস্তাৱৰে সৈতে এইবোৰ উপহাৰ তাইলৈ পঠাইছিল।

এটি সুদৃশ্য বাকচত আছিল নিমৰ কাঠেৰে বনোৱা নাকফুল। সেই দেশত প্ৰচুৰ চন্দনবৃক্ষ, কিন্তু তথাপি এই নাকফুল নিমৰ। কিয়নো সেই দেশত অতি সাধাৰণ কামতো আনকি খৰিকাঠ হিচাপেও চন্দনবৃক্ষৰ ব্যৱহাৰ কৰা হয়, কিন্তু নিম তাত বিৰল বৃক্ষ। সেইহে তাত নিম চন্দনতকৈ মূল্যৱান।



আন এটি সৰু পেৰাত আছিল তামৰ আঙঠি। সেই দেশত য'তে ত'তে মোণে মোণে সোণ; কিন্তু তাত তাম হ'ল এক দুষ্প্ৰাপ্য ধাতু। সেইহে সোণৰ সলনি তামৰ আঙঠিকে উপহাৰস্বৰূপে পঠলে।

আন এটা বাকচত আছিল কিচকিচ কৰে ক'লা কয়লাৰ সৰু সৰু টুকুৰা। সেইখন দেশত বাটে-ঘাটে মাটিৰ তলত পানীৰ তলত দ'মে দ'মে হীৰা কিন্তু কয়লা হ'ল ডিমৰুৰ ফুলহেন বস্তু। সেইহে সাধাৰণৰো সাধাৰণ হীৰাৰ সলনি অসাধাৰণ কয়লাৰ টুকুৰাকে উপহাৰ হিচাপে পঠাই সৌন্দৰ্যৱতী প্ৰমীলাক তুষ্ট কৰাৰ চেষ্টা কৰিছে। এঠাইৰপৰা প্ৰমীলাই হাতে কটা হাতে বোৱা অতি সাধাৰণ বস্ত্ৰ পাইছিল, কিন্তু তাত অতি উচ্চশ্ৰেণীৰ পাটৰ কাপোৰৰ প্ৰচলনেই হ'ল বস্ত্ৰ-ব্যৱস্থাৰ গুৰিকথা।

এইবোৰ অকাণ্ড কাণ্ড শুনি, অৱস্তু বস্তু চাই পণ্ডিতসকলে প্ৰকৃততেই তৱধ মানিলে আৰু প্ৰমীলাক ক'লে, “আনি আমাৰ জীৱনত এয়ে প্ৰথমবাৰৰ বাবে এনেবোৰ নোহোৱা কথা শুনিছোঁ, নেদেখা বস্তু দেখিছোঁ । তুমি বাস্তৱিকতেই বৰ ভাগ্যশালী ছোৱালী।”

“আপোনালোক মহাপণ্ডিত । এতিয়া মোৰ ককাইদেউৰ মূল্য উপলব্ধি কৰিব পাৰিছে নিশ্চয় । যদি পাৰিছে তেওঁৰ মান ধৰিব মুলি আশা কৰিব পাৰোঁ, আৰু মহাৰাজেও মোক বিবাহ কৰাব পাৰিব বুলি নিঃচিন্ত হ'ব পাৰোঁ।” প্ৰমীলাই পণ্ডিতবৰ্গক ক'লে।

“তোমাৰ এই বক্তব্য বৰ বিচিত্ৰ যেন পাইছোঁ । এইবোৰ বস্তুৰ সৈতে তোমাৰ ককায়েৰৰ মান ধৰাৰ সম্পৰ্কনো কি ? কথাটো আমাক বুজাই ক'বানে ?” পণ্ডিত এগৰাকীয়ে ক'লে।

প্ৰমীলাই ক'লে, “মহোদয়সকল, আপোনালোকক মই সাধাৰণবো সাধাৰণজনীয়ে কিনো বুজাই ক'ম ? বোধ কৰোঁ মোৰ পৰীক্ষা লোৱাৰ মনেৰেই এই কথা কৈছে। মোৰ বিশ্বাস — কথাখিনিৰ প্ৰকৃত মূল্যায়ন আপোনালোকে ইতিমধ্যে কৰিব পাৰিছেই।”

তেতিয়া এগৰাকী বৃদ্ধ পণ্ডিতে কৈ উঠিল, “কন্যা, তোমাৰ কথাত আমাৰ পাণ্ডিত্যৰ অহঙ্কাৰ আজি টুটিল। এদেশৰ অৱহেলাৰ বস্তু যেনেকৈ আন দেশত অমূল্য হয়, তেনেকৈয়েই কোনো প্ৰকৃত পণ্ডিতে যে জগতৰ কাৰোবাক যথামূৰ্খ বুলি ভবা উচিত নহয়, আজিহে আমি শিকিলোঁ।”

ইমানলৈকে কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যৰপৰা এই বিষয়ে তেওঁৰ মতামত সোধাত ৰজা বিক্ৰমাদিত্যই বেতালক ক'লে, “প্ৰমীলাৰ বক্তব্য সঠিক আছিল । এজন মহামূৰ্খয়ো এনে কিছুমান কথা জানিব পাৰে, যিকথাৰ ভু মহাপণ্ডিতেও নাপায় । গতিকে পাণ্ডিত্যৰ মাখিছাল গুচালে পণ্ডিততো মূৰ্খতা ওলাই পৰিব পাৰে যে—সেই কথাত সন্দেহৰ অৱকাশ নাই।”

ৰজা বিক্ৰমাদিত্যই এই কথা কৈ তেওঁৰ মৌনতা ভংগ কৰাৰ লগে লগেই বেতালে সেই মৃতদেহটো লৈ পুনৰ সেই গছজোপালৈ বিজুলীগতিৰে ওলটি গ'ল। [কল্পিত



সাগৰৰ পাৰে পাৰে-২৬

নৈ আৰু সাগৰৰ মিতালি–মিলন এই মৰতৰ মনমোহা সুন্দৰবন...

ৰচন : মীৰা নায়াৰ ✻ আঁকন : গৌতম সেন



এইবাৰ মহানগৰ কলিকতা এৰি আমি আচিঘাটলৈ বুলি ৰাওণা হ'ম। এই অচিঘাট (আচিপুৰ) আছিল ১৮৪০ চনত প্ৰতিষ্ঠিত এক চীনা-উপনিবেশ। এতিয়া আচিঘাট বা আচিপুৰ *চায়না টাউন* নামেৰে জনাজাত।

হুগলী বা গঙ্গা নৈয়ে দক্ষিণৰ ফালে বৈ বৈ যি ঠাইত বিৰাট বহল হৈ সাগৰত পৰিছেগৈ অৰ্থাৎ বঙ্গোপসাগৰত পৰিছেগৈ তাৰে ওচৰত আছে ডায়মণ্ডহাৰবাৰ নামৰ একালৰ এক সুৰম্য পোতাশ্ৰয়। তেতিয়া বিলাতৰপৰা অহা ইস্ট ইণ্ডিয়া কম্প্যানিৰ বেপেৰুৱা জাহাজবোৰ এই পোতাশ্ৰয়তে নঙৰ কৰিছিল। এতিয়া অৱশ্যে ইয়াত তাহানিৰ বৃটিছৰ দুৰ্গৰ ভগ্নাৱশেষহে আছে, সেই পোতাশ্ৰয় আৰু নাই, যদিও এতিয়াও ডায়মণ্ডহাৰবাৰত বেপেৰুৱা নাও, মোটৰলঞ্চ আদিয়ে নঙৰ পেলায় আৰু এতিয়াও ডায়মণ্ডহাৰবাৰ এখন ব্যস্ত বন্দৰ।

ডায়মণ্ডহাৰবাৰৰপৰা কিছুখিনি দক্ষিণলৈ আগবাঢ়িলেই পোৱা যাব পৃথিৱীৰ বৃহত্তম ব-দ্বীপ। গঙ্গা তথা হুগলী নৈ আৰু ব্ৰহ্মপুত্ৰৰ সুতীব্ৰ স্ৰোতধাৰাই ইয়ালৈ বিপুল পৰিমাণৰ পলস কঢ়িয়াই আনে। তথাপি, সাগৰে এই ঠাইৰ বিস্তীৰ্ণ ভূভাগ দিনে-নিশাই গ্ৰাস কৰি আছে।

এই সুবিস্তীৰ্ণ ব-দ্বীপ বিয়পা জলাহ আৰু অৰণ্য-সমন্বিত অঞ্চলৰ সৌন্দৰ্য্য প্ৰকৃততেই নয়নাভিৰাম। এনেহেন অপৰূপ নৈ-সাগৰ-বিধৌত আৰণ্য-সৌন্দৰ্য্য কলিকতা মহানগৰ এৰি অহাৰ পিছৰপৰা বাংলাদেশলৈকে বিয়পা।

বাঘ-মুখা পিন্ধা মাছমৰীয়া



পৃথিবীৰ বৃহত্তম ম্যাংগ্ৰোভ-অৰণ্য-সমন্বিত এই অঞ্চলৰ কালি ১৫৫০০ স্কোৱেয়াৰ কিল'মিটাৰ।

এই মহাৰণ্য সুন্দৰবন নামেৰে জগতত জনাজাত। সুন্দৰবন-ৰ অৰ্থ হ'ল সৌন্দৰ্য্যমণ্ডিত বন, বা সুন্দৰী নামৰ বৃক্ষেৰে ভৰপূৰ বন। এই সুন্দৰবনেই হ'ল মহানগৰ কলিকতাৰ অক্সিজেনৰ যোগনিয়াৰ কলিকতা মহানগৰৰ প্ৰকৃত হাওঁফাওঁ। এই বন সুন্দৰবন কলিকতাৰ ভূমি-ৰক্ষকো। কিয়নো সুন্দৰবনৰূপী প্ৰাকৃতিক অৰণ্যপ্ৰাচীৰ নথকাহেতেঁন—সাগৰে আনকি নগৰ কলিকতাৰ মাটিকো নিশ্চয় খহালেহেঁতেন।

ৰাতিৰ পৰতে এই মহাৰণ্য সুন্দৰবনত অযুত-নিযুত জোনাকী-পৰুৱাই জিলিকি-জিলিকি ইয়াতে যেনিবা পৰীৰ ৰাজ্যৰ সৃষ্টি কৰে। এই মহাৰণ্যৰ মাজেদি বৈ যোৱা অসংখ্য

সৰু সৰু নৈ-খালৰ বুকুৰেদি কোবাল বতাহ ভেদি মাছমৰীয়া-নাওবোৰে আগুৱাই যায় বাঘৰ ৰাজ্য সুন্দৰবনৰ খাল-জানত থকা অফুৰন্ত মাছ, বিৰাট আকাৰৰ কেঁকোৰাআৰু কত কি আনিবলৈ....। সুন্দৰৰ আদিম সৃষ্টি সুন্দৰবনত সুন্দৰী, গৰান, গাৰোৱা, ধুন্দল আদি বিৰিখৰ সমদলি দৃষ্টিয়ে মনেমানে পৰিলক্ষিত হয়।


দুটা ৰয়্যাল বেঙ্গল টাইগাৰ

একেই ঠাইত একেলগে ইমানবোৰ প্ৰজাতিৰ জীৱ-জন্তু-সৰীসৃপ আদিৰ সহাৱস্থান পৃথিবীৰ আন কোনো ঠাইত দেখা নাযায়। সুন্দৰবনত ৰয়্যাল বেঙ্গল টাইগাৰৰ লগত পহু-হৰিণা, ভয়ংকৰ প্ৰজাতিৰ কুম্ভীৰ-ঘঁৰিয়াল, হাঙৰ, বিৰাট আকৃতিৰ জেঠি-মোনাকিৰা, শিশু-শুহ, মাছ-কাছ, অতিপাত বিষাক্ত প্ৰজাতিৰ বিধেবিধ বিশাল বিশাল সাপ, মৌমাছিৰ মেলা, বৃহদাকাৰ কেঁকোৰা, অসংখ্য প্ৰজাতিৰ শামুক, অসংখ্য প্ৰজাতিৰ ৰাজহাড় থকা আৰু নথকা সৰীসৃপ, পোক-পৰুৱা আৰু শত-সহস্ৰবিধৰ চৰাই-চিৰিকতিও আছে। সুন্দৰবনৰ চৰাইৰ মেলা মন কৰিবলগীয়া।

সুন্দৰবন হ'ল ৩০০-৫০০ ব্যাঘ্ৰৰ আবাস। মাত্ৰ এডৰা অৰণ্যতে ইমান বাঘ পৃথিবীৰ আন ক'তো নাই। এই অৰণ্যৰ বাঘবিলাকে মানুহৰ দৰেই নৈ-খালত সাঁতুৰিব পাৰে। এই অৰণ্যলৈ অহা মৌ-সংগ্ৰহকাৰীহঁতে আৰু কাঠকটীয়া-মাছমৰীয়াহঁতে বাঘক ভাবিবলৈ বাঘ-মুখা পিন্ধে।

১৯৭২ চনত এই মহাৰণ্য সুন্দৰবনক পৃথিবীৰ প্ৰাচীনতম ঐতিহ্যপূৰ্ণ অভয়াৰণ্য হিচাপে ঘোষণা কৰা হৈছে। এই অৰণ্যত থকা 'টাইগাৰ প্ৰজেক্ট' পৃথিৱীত বিখ্যাত। ১৯৮৪ চনত সুন্দৰবনস্থিত ব্যাঘ্ৰকুলক নিৰাপত্তা

প্ৰদানৰ বাবে এই মহাৰণ্যক জাতীয় অৰণ্য ৰূপে ঘোষণা কৰা হৈছে। এই মহাৰণ্য সুন্দৰবনএতিয়া সমগ্ৰ পৃথিৱীৰ সম্মিলিত সম্পদ।

সুন্দৰবনস্থিত হুগলী তথা গঙ্গা নৈৰ মোহনাত সৰু-বৰ ১০২টা দ্বীপ আছে। এই দ্বীপসমূহৰ মাজত অন্যতম সুবৃহৎ দ্বীপ হ'ল *সাগৰদ্বীপ*। বিশ্বকবি ৰবীন্দ্ৰনাথে এই দ্বীপলৈ বাৰে বাৰে আহিছিল, আৰু এই দ্বীপত অৱস্থানকালত অসংখ্য কবিতা ৰচনা কৰিছিল।

গঙ্গাসাগৰ হ'ল একেবাৰে দক্ষিণমূৰীয়া দ্বীপ। মকৰ-সংক্ৰান্তিৰ দিনা (জানুৱাৰিৰ ১৪ তাৰিখ) এই দ্বীপলৈ লাখ-বিলাখ হিন্দু তীৰ্থযাত্ৰীৰ আৰু সমগ্ৰ ভাৰতৰপৰা অহা সাধু-সন্ন্যাসীৰ সমাগম হয়। ইয়াত কপিলমুনিৰ মন্দিৰ আছে আৰু মকৰ-সংক্ৰান্তিত সাগৰত স্নান কৰি পুণ্যাৰ্জনৰ উপলক্ষ্যে তিনি দিনলৈ মেলা অনুষ্ঠিত হয়।

ইয়াত এটি বাতিঘৰ বা লাইটহাউছ আছে। ২৬ মিটাৰ ওখ এই লাইট হাউছ ১৮২১ চনত নিৰ্মিত হৈছিল। সমুদ্ৰৰ বুকুত ১৬ কিল'মিটাৰ দূৰৰপৰা এই লাইটহাউছ দেখা যায়।

কলিকতাৰপৰা পোৰ্ট ব্লেয়িৰ বা পোৰ্ট ব্লেয়াৰ-ৰ দূৰত্ব এহেজাৰ কিল'মিটাৰ। পোৰ্ট ব্লেয়িৰ হ'ল *আন্দামান* আৰু *নিকোবাৰ* দ্বীপপুঞ্জৰ ৰাজধানী। আন্দামান-নিকোবাৰ দ্বীপপুঞ্জ বঙ্গোপসাগৰৰ ৭৮০ কিল'মিটাৰলৈকে বিয়পা। একেবাৰে উত্তৰসীমাত থকা দ্বীপটো মিয়ানমাৰৰ (মানদেশ) পৰা মাত্ৰ ১৯০ কি'লমিটাৰ আৰু দক্ষিণ সীমাস্থিত দ্বীপ গ্ৰেট নিপোবাৰ ইন্দ'নেজিয়াৰপৰা ১৫০ কিল'মিটাৰ মাথোন।

'আন্দামান'নামটো 'হনুমান'ৰ নামৰপৰা উদ্ভূত বুলি কোৱা হয়।

মালয়ৰ মানুহে 'হনুমান'ক 'হন্ডুমান' বুলি কয়। কোৱাহয় যে সেই মালয়বাসীসকলেই স্মৰণাতীতকালৰপৰা এই দ্বীপক 'হন্ডুমান' দ্বীপ বুলি কৈছিল, যি নামটো কালক্ৰমে 'আন্দামান'ৰ ৰূপ লৈছিল।

গঙ্গাসাগৰস্থিত কপিল মুনিৰ মন্দিৰ





আন্দামানৰ এক সুৰম্য সাগৰবালি

নিকোবাৰ দ্বীপপুঞ্জক নাক্কাভৰম্, অৰ্থাৎ নঙঠা লোকৰ ৰাজ্য বুলি হেনো সেই প্ৰাচীনতম কালৰেপৰাই কোৱা হৈছিল। সম্ভৱত এই ঠাইৰ মানুহবিলাকে কাপোৰ-কানি কাক বোলে নজনাতহেএই নাম পাইছিল। ১৫ শতিকাত ইয়ালৈ অহা পৰ্টুগিজহঁতে এই দ্বীপপুঞ্জক নাকুবাৰ বুলি কৈছিল। আৰু পাছত এই নাকুবাৰেই নিকোবাৰ নাম লৈছিল।

ভাৰতত বৃটিছ শাসনৰ কালত উত্তৰ-আন্দামানত এক বিশাল কাৰাগাৰ স্থাপন কৰা হৈছিল। ১৮৫৭ চনৰ ভাৰতৰ স্বাধীনতা-সংগ্ৰামী চিপাহীসকলক আৰু আন বহুতোকো নিৰ্বাসনদণ্ড দান কৰি এই কাৰাগাৰলৈ পঠোৱা হৈছিল। এই ঠাই তেতিয়া কালাপানী নামেৰে জনাজাত হৈছিল আৰু দণ্ডদানৰ এক ভয়াবহ ঠাই হিচাপে পৰিগণিত হৈছিল। তেতিয়া এই ঠাইৰ পানীক ক'লা বৰণৰ, শাক-পাচলি ক'লা বৰণৰ আৰু আন নানাবিধৰ গাৰ নোম ডাল ডাল হোৱা উৰা-বাতৰি প্ৰচাৰিত হৈছিল।



তাৰ পাছত ভাৰত যেতিয়া পুনৰ স্বাধীন হ'ল—এই উৰা-বাতৰিবিলাকো নোহোৱা হ'ল, আৰু এই সগাৰে আগুৰা মনোমোহা দ্বীপপুঞ্জৰ অনাবিল সৌন্দৰ্য্যৰ কথা জগতে জানিব পৰা হ'ল। আন্দামান-নিকোবাৰ ১৯৫৬ চনৰ ১ নৱেমবাৰৰপৰা ভাৰতৰ অন্যতম কেন্দ্ৰ-শাসিত ৰাজ্যৰূপে পৰিগণিত।

আন্দামানৰ মাছমৰীয়া



বিভা-বাঁহী

কথাতে বোলে বহিব জানিলে মাটিয়েই পীৰা। এই কথাষাৰৰ দেখ দেখ প্ৰমাণ গোবিন্দৰ মিঠাইৰ দোকান। সুশৃংখল আৰু সুন্দৰকৈ তথা চাফ-চিকুণকৈ মিঠাইৰ দোকান চলায়েই গোবিন্দই ৰইনাইদি কোঁচাইছিল। গোবিন্দ, গোবিন্দৰ পৰিবাৰ, আৰু একমাত্ৰ সন্তান ৰত্নমালা। যিজনে ৰত্নমালাক বিয়া কৰাব, গোবিন্দৰ সা-সম্পত্তি শেহান্তৰত সেইজনেই পাব। গতিকে—বহুতেই ৰত্নমালাক বোৱাৰী কৰাৰ মনেৰে গোবিন্দৰ কাষ চাপিছিল।

কাষ চাপিছিল, কিন্তু প্ৰায় কোনেও আচল কামৰ কথাটো কবুল কৰাব পৰা নাছিল ; কিয়নো—গোবিন্দই সকলোৰে সকলো কথা ধৈৰযৰে শুনিও হুমতুম নামাতিছিল।

পিছে—শৰতৰ বেলিকা কথা বেলেগ হ'ল। বিয়াৰ কথাত সাতভাৰস্তৰ কথা হৈ যোৱাৰ পাছত গোবিন্দই দৰাৰ বাপেক শৰতক ক'লে, ‘‘ডাঙৰীয়া, মোৰ সামান্য এটি অনুৰোধ আছে। বেয়া নাপায় যদি — ক'ৱেঁই।’’

‘‘ক'ক—।’’ শৰতে ক'লে।

‘‘কথা হ'ল—কথা খাটাং কৰাৰ আগতে আপোনাৰ ল'ৰাটিক যদি আমাৰ ঘৰত এসাজ খোৱা-বোৱা কৰিবলৈ পঠাই দিয়ে বৰ ভাল পাম। পিছে—তাক নিমন্ত্ৰণ কৰাৰ আঁৰত কিবা উদ্দেশ্য আছে বুলি নাভাবিব, বা এইদৰে আপোনালোকক হেয় কৰা হৈছে বুলিও নাভাবিব। কথা হ'ল যে—এগৰাকী সাধুবাবাই মোক এই আদেশ দিলে। তেওঁ ক'লে যে যিজনৰ সৈতে তোমাৰ ছোৱালীজনীৰ বিয়া পাতিবা, সেইজনক বিয়া পতাৰ আগতে নিমন্ত্ৰণ কৰি আনি এসাজ খুৱাবা। মই তেতিয়া তোমাক বতাই দিম যে সেইজন দৰা তোমাৰ ছোৱালীৰ পক্ষে ভালনে অ-ভাল। কথা —

‘নৱকুমাৰ’



—বুইছা—দৰাচলতে—ইমানেই।"

গোবিন্দৰ কথা শুনি অবাক মানি শৰত কেইমুহূৰ্তমানৰ বাবে তভক খালে, কিন্তু পাছ মুহূৰ্তে গমি চালে যে নিমন্ত্ৰিত হৈ এসাজ খোৱা-বোৱা কৰিলে কোনো হানি-বিঘিনিৰ সম্ভাৱনা নাই। গতিকে—শৰতে 'বাৰু' বুলি কৈ গোবিন্দৰপৰা বিদায় লৈ গুচি গ'ল।

শৰত ল'ৰাটো গোবিন্দৰ ঘৰলৈ আহিল, ভাত-পানী খালে, আৰু খোৱা-বোৱাৰ অন্তত গোবিন্দই দৰাৰূপী ল'ৰাটোকে ক'লে", "বোপা, আমাৰ ৰত্নমালাজনীৰ সৈতে তোমাৰ যোৰা নপতাই ভাল হ'ব বুলি সাধুৱে ক'লে। কথাটো তুমি তোমাৰ দেউতাৰাক বুজাই ক'বা। ক'বা যে—তেওঁ মোক ক্ষমা কৰে যেন।"

এই ঘটনাৰ পাছত আৰু তিনিজন দৰা তথা ল'ৰাক মতাই অনাই গোবিন্দই ভোজ খুৱাইছিল, আৰু সিহঁতকো মুঠমাঠ একেইখিনি কথা কৈছিল। দৰা-ল'ৰাহঁতৰ বাপেক-মাকে ভাবিছিল : এয়ানো কেনে কথা? ল'ৰা যোগ্যতাৰ জোখনে বেঙৰ মাথা ? কিন্তু গোবিন্দ নিজগৰ, কিয়নো গোবিন্দই দৰাল'ৰাহঁতৰ বাপেকহঁতৰপৰা আগতীয়াকৈ অনুমতি লৈছিল, দস্তুৰমত নিমন্ত্ৰণ কৰি এসাজকৈ খুৱাইছিল।

এদিন গোবিন্দৰ সৰুকালৰ বন্ধু নৰেন্দ্ৰ গোবিন্দৰ ঘৰলৈ আহিল। আহিয়েই নৰেন্দ্ৰই গোবিন্দক ক'লে, "কথানো কি, গোবিন ? তুমি বোলে দৰাহঁতক মাতি আনি বৰভোজ খুৱাইছা ? কথানো কি ?"

গোবিন্দই হাঁহি মাৰি ক'লে, "কথা হ'ল— হেৰি — কি বোলেনে — সাধুৰ আদেশ। যোগ্য জোঁৱাই বিচাৰি নোপাৱলৈকে এই কথাৰ ভেদ মই ভাঙিব নোৱাৰিম।"

নৰেন্দ্ৰয়ো হাঁহি হাঁহি ক'লে, "ঠিক আছে, চলি থাকক ভোজ আৰু দৰাৰ খোজ। কিন্তু সীতাপুৰত যে মোৰ ভনীজনীক দিছিলোঁ জানাই চাগৈ। তাইৰ ল'ৰাটোও কিন্তু তোমাৰ জোঁৱাই হ'ব পাৰে। অৱশ্যে তাক ভোজ খাবলৈ মাতিবানে নামাতা তোমাৰ ইচ্ছা।"

"ভোজ খাবলৈ নিশ্চয় মাতিম। বাদবাকী কথা পাছত ভাবি চাম। ব'লা তেনে—কাইলৈ ধলপুৱাতে দুয়ো মিলি সীতাপুৰলৈ যাওঁগৈ ল'ৰা চাওঁচাই যদি ভাল পাওঁ—মাতি আনি ভোজ খুৱাওঁ। কি কোৱা ?"

নৰেন্দ্ৰই গোবিন্দৰ কথা মানি ল'লে।

কথা মতে পাছদিনা ধলপুৱাতে সীতাপুৰলৈ বুলি দুয়ো খোজ ল'লে। তাত লাগতিয়াল কথাখিনি পাতিলে, আৰু যথাৰ্থ দৰাক অৰ্থাৎ ৰমেশক ভোজ খাবলৈ নিমন্ত্ৰণ কৰিলে।

বিয়াৰ আগতে শহুৰৰ ঘৰত ভোজ — যেনিবা গছত কঁঠাল, গোঁফত তেল-নৌখাওঁতেই চেলবেল ! ৰমেশৰ মাক-দেউতাকে আচৰিত মানিলে, কিন্তু তথাপি ৰমেশক গোবিন্দৰ ঘৰলৈ যাবলৈ অনুমতি দিলে।

গোবিন্দ সেইদিনাই গ'লগৈ। কিন্তু নৰেন্দ্ৰ ৰমেশহঁতৰ ঘৰতে থাকি গ'ল, আৰু পাছদিনা ৰমেশক লগত লৈ নৰেন্দ্ৰ গোবিন্দৰ ঘৰলৈ গ'ল।

তিনিবিধৰ অঞ্জা, তিনিবিধৰ দালি, বিধোবিধ ভজা, চাৰিবিধৰ মাছ, আৰু লগতে দৈ-মিঠাই। নৰেন্দ্ৰ আৰু গোবিন্দ খাবলৈ বহিল, কিন্তু ৰমেশ থিয় হৈ থাকিল।

ৰমেশে ক'লে, "ইমান পদ-পদাৰ্থ খাম কেনেকৈ ? ইমান বস্তু খাব নোৱাৰিম। ভালেখিনিমান আগতেই গুচাই ল'লেহে ভাল।"

"কিনো কোৱা ? তোমাৰ বয়সত আমি শিল খাই হজম কৰিছিলোঁ। পাৰিবা, বহাঁচোন — বহাঁ।" গোবিন্দই ৰমেশক ক'লে।

কিন্তু ৰমেশে মিঠাকৈ হাঁহিৰে ক'লে, "মোৰ অভ্যাস হ'ল পৰিমিত আহাৰ। পৰিমিত আহাৰে দেহত অধিক শক্তি দিয়ে, কিয়নো অধিক আহাৰ পৰিপাক কৰোঁতে অযথা দেহশক্তি ক্ষয় হয়। এনেহেন অতি সাধাৰণ কথাটো আপুনিও নিশ্চয় নজনা নহয়।"



গোবিন্দই তেওঁৰ ছোৱালীজনীক মাতিলে, আৰু তাই আহি ৰমেশৰ কাঁহীৰপৰা ইটো-সিটো ভালেখিনিমান গুচাই নিলে। যিখিনি থাকিল, সেইখিনি ৰমেশে পৰিষ্কাৰভাবে খালে।

আহাৰৰ অন্তত তামোল-পান খাবলৈ কৈ গোবিন্দই মন্তব্য কৰিলে, "বোপখোৱা-বোৱা বৰ ভাল নহ'ল যেন পাইছোঁ।"

ৰমেশে একপ্ৰকাৰে বাধ্যত পৰিয়েই ক'লে, "দুই-তিনি পদ খোৱাবস্তু ভালকৈ ৰন্ধা নহ'ল।" সেইবোৰ বস্তুত কি কি পদাৰ্থ দিয়াহেঁতেন সুখাদ্য হ'লহেঁতেন—ৰমেশ সেই কথাও অসঙ্কোচে কৈ দিলে।

ৰমেশৰ কথাত গোবিন্দৰ নিৰ্ঘাত খং উঠিব

বুলি নৰেন্দ্ৰই ভাবিছিল। কিন্তু কথা আচৰিতেই, ৰমেশৰ কথাৰ উত্তৰত গোবিন্দই নৰেন্দ্ৰলৈ চাই হাঁহিমুখেৰে ক'লে, "কুইছা নৰ, সাধুৰে মেৰে কাণে কাণে কৈ গ'ল যে—এই ল'ৰাটিয়েই হওক মোৰ মৰমৰ জোঁৱাই।

নৰেন্দ্ৰই দন টানিয়েই খাইছিল। সেইহে হেঁপাই-ফোঁপাই কোৱাদি কৈ থাকিল, সাধু মানে যে তুমিয়েই কথাটি গমি তোমাৰ আও-ভাওলৈ ভালকৈ মন কৰিছোঁ মই"

গোবিন্দই হাঁহি হাঁহি কৈ থাকিল, "নৰ, মই যে মিঠাইৰ দোকানী, জানাই। মিঠাইৰ দোকানী যদি হয় খকুৱা, যদি খোৱা-বোৱাব অভ্যাস পৰিমিত নহয়, তেনেহ'লে কথা বিষম। ইমান খোৱাবস্তুৰ মাজত বহি সদায় ইটো খাওঁ সিটো চাকি চাওঁ কৰি থাকিব, আৰু দোকানখন লেতেৰা হোৱাৰ উপৰিও লোকৰ চকুত এইবোৰ বিসদৃশ দৃশ্য পৰিব, আৰু তাৰ ফলত দোকানত গ্ৰাহকৰ সংখ্যা হ্ৰাস পাব, আৰু লভৰ গুৰ পকুৱাই খাব। আজি তোমাক কওঁ, ৰত্নাৱলীক যিজনে বিয়া কৰাব, মোৰ অন্যান্য সা-সম্পত্তিৰ লগত এই বিৰাট মিঠাইৰ দোকানখনো পাব। এতেকে—সেই পাওঁতা যদি যথেষ্ট পৰিষ্কাৰ-পৰিচ্ছন্ন প্ৰকৃতিৰ নহয়—তেনেহ'লে ইমান শ্ৰমেৰে গঢ়ি তোলা দোকানখন এদিন নিশ্চয় নোহোৱা হ'ব। গতিকে—মই কেৱল দেখাতে চিতল দৰা বিচৰা নাছিলোঁ, বিচাৰিছিলোঁ—দামত বছা দৰা। আৰু আজি মই মোৰ মনে-খোৱা জোঁৱাই পাই এই কথাত নিঃচিন্ত হৈছোঁ যে ৰমেশে কৰি কৰি মূৰা-কুক ভবাব নালাগিব ৰত্নাৱলীৰ জীৱন ৰত্নৰ দৰেই উজলি থাকিব।"

"কিন্তু —" নৰেন্দ্ৰই গোবিন্দক ক'লে, "কেৱল তোমাৰ মতেই মতনে ? আন কোনোবাজনীৰ মত বা মাত—?"

গোবিন্দই বন্ধুক হাত দাঙি ৰখালে আৰু ক'লে, "খাই-বৈ তোমালোকে যেতিয়া চ'ৰাঘৰত বহিছিলাগৈ মাত আৰু মতৰ চয়-নিচয় তেতিয়াই হৈ গ'ল।"

নৰেন্দ্ৰই এইবাৰ ৰমেশলৈ চালে আৰু ক'লে, "পিছে — ৰমেশৰ কোনো ৰাই-ৰুই নাই যে ? ৰমেশ, তোমাৰ মত একা?"

ৰমেশে ঘৰৰ ভিতৰত থকা ৰত্নাৱলীলৈ চাই হাঁহিলে মাথোন। এই হাঁহি হিয়া-জুৰ-হাঁহি—যি-হাঁহিত বাজে বিভা-বাঁহী।



বৃটিছ-বিৰোধী যুঁজাৰু

④

পালায়াক্কাৰ-বিদ্ৰোহ

ৰচন : মীৰা উগ্ৰা ❋ চিত্ৰণ : গৌতম সেন

১৭৯৮ চনত যেতিয়া পাঞ্চালমকুৰিচিৰ পালায়ক্কৰ বীৰ পাণ্ড্য কাট্টাবোম্মানক ফাঁচি দিয়া হ'ল, তেতিয়া ইস্ট ইণ্ডিয়া কম্প্যানিৰ বিষয়াহঁতে স্বস্তিৰ উঁশাহ এৰিলে...।


খৰ কৰ্!
ুনৰ যাতে এনেকুৱা বিদ্ৰোহ মূ দাঙিব নাপায় তাৰ বাবে নতুন আইন প্ৰণয়ন কৰিব লগিব।
কি হৈছেনো তাত কথানো কি?
কোম্প্যানি-চৰকাৰৰ হুকুমত আমি এই দুৰ্গ ভাঙি পেলাইছোঁ....
তোমালোকৰ অস্ত্ৰশস্ত্ৰ সমৰ্পণ কৰাঁ, কম্প্যানিৰ হুকুম....
কি-কি-কিন্তু এই অস্ত্ৰপাট মই এইমাত্ৰ কিনলোহেঁ....
কিনিলা কি হ'ল? এক পইচাও নোপোৱা
আন বস্তাবিলাকো বোজাই কৰি দিয়া। চৰেই নতুন খাজনা দিব লাগিব।
দেশত চোৰ-ডকাইতৰ ৰাজত্ব আৰম্ভ হ'ল...
টকাৰ মোনাটো তুৰন্তে দিয়া! হাৰডালো লাগে!
তুৰন্তে দে!

1 / © Amrita Bharati, 1997


আমাৰ পালায়াক্কৰ আৰু নাই। এতিয়া আমি সামান্য ছুৰি এপাটো লগত ল'বৰ অধিকাৰ হেৰুৱৰলোঁ। এতিয়া আমাক বচাব কোনে ?
ছেৰাতিয়া আৰু উম্মাদুৰাই এতিয়াও জীয়াই আছে
তেওঁলোকক আমি কাৰাগাৰৰপৰা মুক্ত কৰিম...

বীৰ পাণ্ডৰ দুজন ভায়েকক আৰু আন পোন্ধৰজনকো পালায়ামকোট্টিৰ দুৰ্গত বন্দী কৰি থোৱা হৈছিল। বিদ্ৰোহী জনতা সেই দুৰ্গলৈ ঢপলিয়াই গৈ থাকিল...।



সকসুৰা বেপাৰীৰ ভাও জুৰিলে


আমি পূজাৰ বাবে গছৰ পাত আৰু অন্যান্য সামগ্ৰী লৈ আহিছোঁ। বন্দীহঁতক এইবোৰ লাগিব....

সাঁজ লাগি ভগাৰ পাছত সেই সামগ্ৰীৰ মাজত অস্ত্ৰ-শস্ত্ৰ ভৰাই দিয়া হ'ল



আৰু ভেবা-চেকা খোৱা ৰখীয়াহঁতক পৰ্য্যুদস্ত কৰি বন্দীসকল বেগাই কাৰাগাৰৰপৰা ওলাই আহিল...



2 / © Amrita Bharati 1998



ছেৰাতিয়াক ৰাইজে পাঞ্চালমকুৰিচিৰ নতুন পালায়াক্কৰ ৰূপে ঘোষণা কৰা হ'ল।

আমি পুনৰ অস্ত্ৰ-শস্ত্ৰ প্ৰস্তুত কৰিম...
আৰু দুৰ্গও পুনৰ নিৰ্মাণ কৰিম...

চাওঁতে চাওঁতে শিৱগঞ্জৰ মাকডু পাণ্ড্যায়ন, ডিণ্ডিগুল্লৰ গোপালা নায়ক, মালাবাৰৰ কেৰালা বৰ্মা প্ৰমুখ আৰু আন অনেক চৰ্দাৰো ছেৰতিয়াৰ চাৰিওফালে গোট খালেহি

আমাৰ মিত্ৰ মাৰুডু পাণ্ড্যায়নে ত্ৰিছ হেজাৰ মানুহ পঠিয়াইছে....

আমাৰ মিত্ৰ প্ৰৱৰসকলে দুৰ্গৰ মেৰামতিৰ বাবে দ'মে দ'মে বস্তু-সামগ্ৰী পঠিয়াইছে। তেওঁলোকে বাৰুদ-বন্দুকো পঠিয়াইছে....

ছেৰাতিয়াৰ কৰ্মকাণ্ডলৈ মন কৰি তিৰুনেভেলিৰপৰা কলিন ম্যাকুলেই দ্ৰুততাৰে আগবাঢ়ি পাঞ্চালমকুৰিচি আক্ৰমণ কৰিবলৈগৈ....

এয়ানো কি দেখিছোঁ! আমি ভাঙি পেলোৱা দুৰ্গ—পুনৰ নিৰ্মাণ কৰিলে ইহঁতে...!

উমমাদুৰাইৰ নেতৃত্বত যিখন তয়াময়া যুদ্ধ হ'ল সেই যুদ্ধত ম্যাকুলেই ৰাথাত পৰি হোঁহকা দিলে....

কিন্তু মৰিলেও টিঙৰপৰা ননমাবিধৰ ম্যাকুলেই ১৮০১ চনৰ ৩১ মাৰ্চৰ দিনা পুনৰ যুদ্ধলৈ জঁপিয়াই পৰিল। যদিও—এইবাৰো পলাল....

3 © Amrita Bharati 1998

জেনাৰেল এগনিউৱে দুৰ্গৰ এখন দেৱাল ভাঙি পেলাব পাৰিলে...



উভয়পক্ষৰে বহুসংখ্যক হতাহত হ'ল। কিন্তু নেতৃবৃন্দ পলাল...

মাৰুদু পাণ্ড্যায়ন আৰু অন্যান্য মিত্ৰবন্ধুসকলে পুনৰ একত্ৰিত হৈ ইংৰাজৰ অন্যান্য দুৰ্গৰ বাকখিনি অনিষ্ট সাধিলে। উম্মাদুৰায়ে মাদুৰাই অধিকাৰ কৰিলে....



....আৰু এইদৰে গৰিলাযুদ্ধৰ যোগেদি এই বীৰসকলে ইংৰাজহঁতক তৰ্নাত্তি কৰিবলৈ ধৰিলে....

ইংৰাজহঁতে সিহঁতৰ সৈন্যবাহিনীক শক্তিশালী কৰি তুলিলে


ক্বাইচ! হে ৰজা টোণ্ডাইমান! সময়োচিত সহায়ৰ বাবে আপোনালৈ ওলগ জনাইছো....
ছাৰ, তাঞ্জাভুৰৰ মহাৰাজেও আমালৈ বিপুল পৰিমাণৰ অস্ত্ৰ-সম্ভাৰ পঠিয়ালে....

পালায়কৰসকলে দুৰন্ত সাহসৰে সৈতে যুঁজিও বহুঠাইত পৰাজিত হ'ল....


আক্ৰমণ কৰাঁ!
হত্যা কৰাঁ!

মাৰুদু পাণ্ড্যায়ন, তেওঁৰ ভায়েক ৱেল্লা পাণ্ড্যায়ন, তেওঁলোকৰ পুত্ৰসকল আৰু নাতিয়েকসকলকো বন্দী কৰি নিৰ্বিচাৰ হত্যা কৰা হ'ল। ১৮০১ চনৰ ১৬ নৱেমবাৰৰ দিনা গোপালা নায়ক আৰু অন্যান্য পালায়কাৰসকলৰো মুণ্ডচ্ছেদ কৰা হ'ল।



আঢ়ৈশ বছৰৰপৰা চলি অহা পালায়কৰ-প্ৰথা বদ কৰা হ'ল। কিয়নো পাঞ্চালমকুৰিচিয়ে বৃটিছৰ যুদ্ধ-ক্ষমতা অভিজাত্যক বাৰুকৈ চূণ-খাৰ কৰিছিল। সকলো ঠাইৰপৰা পালায়কৰ নাম সমূলি মচি পেলোৱা হৈছিল।



মহাভাৰত

৪৩

উত্তৰৰ কথাৰ উত্তৰত বিৰাট ৰজাই ক'লে, "তোমাৰ কথিত সেইজনা ঈশ্বৰ কোনজানানো। পিছেসেইজনা ঈশ্বৰক দেখাৰ বৰ মন ।"

উত্তৰে ক'লে, "তেওঁ কালিলৈ বা পৰহিলৈ আমাক দৰ্শন দিবহি বুলি মোক কৈছিল।"

পাছদিনা প্ৰাতস্‌কালত পাণ্ডৱসকলে প্ৰাতকৃত্যাদি সমাপি স্নানাদি সম্পন্ন কৰি বিৰাট ৰজাৰ দৰবাৰলৈ আহিল আৰু প্ৰতিতাৰাকী অৰ্থাৎ পঞ্চ পাণ্ডৱেই ৰাজকীয় উচ্চাসনত বহিল।

অলপ সময়ৰ পাছত বিৰাট ৰজা তাত উপস্থিত হ'লহি। তেওঁ এই দৃশ্য দেখি অবাক হৈ পৰিল আৰু ক্ৰোধিত কণ্ঠেৰে ধৰ্মৰাজক কৈ উঠিল, "মই তোমালোকক কৰ্ম-নিযুক্ত কৰিছিলোঁ । তোমালোক কিয় আৰু কি সাহসেৰে উচ্চাসনত আসীন হ'লা ?"

অৰ্জুনে বিৰাট ৰজাক সম্বোধি ধৰ্মৰাজলৈ আঙুলিয়াই ক'লে, "হে ৰাজন্‌! এওঁ আনকি দেৱাদিদেৱ ইন্দ্ৰৰ আসনতো আসীন হোৱাৰ যোগ্য, এই আসন তেনেই তুচ্ছ। এওঁ হ'ল ধৰ্মধ্বজ, অপাৰ বলশালী, ৰাজৰ্ষি ; এওঁ মনুৰ দৰে লোক-ৰক্ষক। এওঁ যেতিয়া কুৰুদেশৰ শাসক আছিল, তেতিয়া এওঁৰ আছিল দশসহস্ৰ গজ, ত্ৰিশ সহস্ৰ ৰথ । এওঁৰ শক্তিমত্তালৈ স্বয়ং দুৰ্য্যোধনেও ভয় কৰিছিল। তেনেস্থলত—আপুনি এওঁৰ প্ৰতি এনেহেন কুবাক্য প্ৰয়োগ কৰাটো উচিত হৈছনে ?

অৰ্জুনৰ কথাত বিৰাট ৰজা বিস্ময়ৰ সাগৰত ডুবিল। তেওঁ ক'লে, "তেনেহ'লে এওঁ কি কুন্তীদেৱীৰ প্ৰথম পুত্ৰ—ধৰ্মৰাজ ?



তেনেহ'লেএওঁৰ ভ্ৰাতা ভীম, অৰ্জুন, নকুল, সহদেৱ ক'ত ? দ্ৰৌপদী ক'ত আছে ?"

তেতিয়া অৰ্জুনে কৈ থাকিল, "হে ৰাজন্, আপোনাৰ ৰন্ধন-শালাত যিজন বল্লভে ৰান্ধনিৰ কাম কৰি আছে—সেই বল্লভেই হ'ল ভীম। এই ভীমেই কীচক-বধ কৰিলে। আপোনাৰ অশ্বশালাৰ চোৰা-চিতা কৰাজন হ'ল নকুল, আৰু গো-পালনৰ কাৰ্য্যৰত হ'ল সহদেৱ। আৰু আপোনাৰ নৱতম লিগিৰীজনী সেই সৈৰিন্ধ্ৰীয়েই হ'ল দ্ৰৌপদী। মই অৰ্জুন। হে ৰাজন্, আপোনাৰ আশ্ৰয়ত আমাৰ অজ্ঞাতবাস বৰ সুখকৰ হৈছে।"

যেতিয়া পাণ্ডৱৰ অজ্ঞাতবাসৰ ৰহস্য প্ৰকাশিত হ'ল, তেতিয়া উত্তৰে অৰ্জুনৰ পৰাক্ৰমৰো প্ৰকাশ কৰিলে। অৰ্জুনে কেনেকৈ কৌৰৱ মহাবীৰসকলক থালী-ভগা জুয়ে খেদাদি খেদিলে, আৰু বিজয়লাভ কৰিলে—মুক্তকণ্ঠে সেই কথা বিবৰি মন্তব্য কৰিলে, "এই যুদ্ধ কল্পনায়ো ঢুকি নোপোৱা যুদ্ধ।"

বিৰাট ৰজাই শুন-নুশুনকৈ পুত্ৰ উত্তৰক ক'লে, "পাণ্ডৱসকলৰ সৈতে মিত্ৰতাৰ বান্ধ বান্ধিব লাগে। আমাৰ উত্তৰাক অৰ্জুনৰ হস্তত দিওঁনে ?"

উত্তৰে ক'লে, "সৰ্বাগ্ৰে পূৰ্ণ পয়োভৰে আমি পাণ্ডৱসৱৰ মান ধৰাহে আৱশ্যক।"

বিৰাট ৰজাই ক'লে, "তুমি অতি সময়োচিত কাৰ্য্যৰ কথা মোক সোঁৱৰাই দিলা। মই যেতিয়া যুদ্ধত বিজিত আৰু সুশৰ্মাৰ হাতত বন্দী, তেতিয়া ভীমেই মোক মুক্ত কৰিছিল আৰু মোক বিজয়ীও কৰিছিল। ধৰ্মৰাজক আমি আপোন কৰি লোৱা আৱশ্যক। মই অজ্ঞানতাবশতঃ নক'বলগীয়া কৈছোঁ তেওঁলোকক, অপব্যৱহাৰ কৰিছোঁ। ধৰ্মৰাজৰপৰা মই ক্ষমা প্ৰাৰ্থনা কৰিম।"

এই বুলি খেদ প্ৰকাশ কৰাৰ অন্তত বিৰাট ৰজাই নিজ ৰাজ্য, কোষাগাৰ আৰু আনকি ৰাজধানীও পাণ্ডৱলৈ সমৰ্পিলে আৰু বাৰে বাৰে তেওঁলোকক বুকুত আঁকোৱালি ল'লে।

তাৰ পাছত তেওঁ ধৰ্মৰাজক ক'লে, "আপুনি—আপোনালোকে বনবাস

কৰিলে, অজ্ঞাতবাসও সফঁলতাৰে অতিবাহিত কৰিলে। মোৰ এই ৰাজ্য অৰ্জুনৰ অধীন হওক, মই মোৰ পুত্ৰী উত্তৰাক অৰ্জুনৰ হস্ততে সমৰ্পিম।”

ধৰ্মৰাজে অৰ্জুনে চালে। অৰ্জুনে বিৰাট ৰজাক ক’লে, “হে ৰাজন, মই আপোনাৰ পুত্ৰীক পুত্ৰবধূ ৰূপে গ্ৰহণ কৰিলোঁ। আমাৰ উভয় বংশৰ মাজত সুস্থিৰ সম্পৰ্কয়েই কাম্য, এই কথাতে উভয়ৰে মঙ্গল।”

এই কথাত বিস্ময়াভিভূত বিৰাট ৰজাই অৰ্জুনক সুধিলে, “মোৰ পুত্ৰী উত্তৰাক পত্নীৰূপে গ্ৰহণ কৰাত কিবা আপত্তি আছেনে ?”

“ৰাজন্, আপোনাৰ পুত্ৰীক মই বহুদিন ধৰি লক্ষ্য কৰি এই সিদ্ধান্তলৈ উপনীত হৈছোঁ যে — আপোনাৰ পুত্ৰীয়ে মোক পিতৃসম জ্ঞান কৰে। অধিকন্তু, মই আপোনাৰ পুত্ৰীৰ নাট্যাচাৰ্য্য। মোৰ পুত্ৰ হ’ল শ্ৰীকৃষ্ণৰ ভাগিনেয়। যদিও সি এতিয়াও কিশোৰেই হৈ আছে, তথাপি সি যুৱাসকলৰ দৰেই সাহসী, বীৰ, আৰু অস্ত্ৰদক্ষ। মোৰ পুত্ৰ আপোনাৰ পুত্ৰীৰ যোগ্য বৰ।” অৰ্জুনে ক’লে।

অৰ্জুনৰ বক্তব্যত বিৰাট ৰজা সন্তুষ্ট হ’ল। তেওঁ ক’লে, “ঠিক আছে, আপোনাৰ ইচ্ছানুযায়ী কাৰ্য্য হওক ; তথাপি এই শুভ সম্পৰ্কৰ সৃষ্টি হওক৷

অজ্ঞাতবাসৰ কালছোৱা অতিক্ৰান্ত হোৱাৰ লগে লগেই পাণ্ডৱসকলে বিৰাটনগৰ এৰি মৎস্যদেশৰ উপপ্লাব্য নামৰ স্থানলৈ গমন কৰি তাতেই বসতি ল’লে। লগতে তেওঁলোকে তেওঁলোকৰ হিতৈষী সৈন্যসকলকো লৈ আহিল। চাওঁতে চাওঁতে উপপ্লাব্যলৈ দ্ৰুপদ-পুত্ৰ উপপাণ্ডৱ শিখণ্ডী, ধৃষ্টদ্যুম্ন অবাদিয়ে এক অক্ষৌহিণী সেনাৰে সৈতে উপপ্লব্য পালেহি। অন্য অন্য অনেক ৰজাও আহিল। দ্বাৰকাৰপৰা অভিমন্যু,





ইন্দ্রসেন প্রমুখক লগত লৈ আহিল শ্রীকৃষ্ণ আৰু বলৰাম। আৰু এওঁসৱৰ সৈতে আহিল কৃতবৰ্মা, যুযুধান, সাত্যকি, অক্রূৰ, সাম্ব প্ৰমুখ।

বিৰাট ৰজাৰ গৃহ শঙ্খধ্বনিৰে মুখৰ হৈ উঠিল, ভেৰুবাদ্য বাজি উঠিল, আৰু আগমনকাৰীসকল স্বাগতমিত হ'ল। বিৰাটৰজাই পাণ্ডৱসৱক পূজিলে আৰু পূজাৰ অন্তত অতিথিবৰ্গক ইক্ষুৰসেৰে তৃপ্ত কৰিলে। ইপিনে-সুদেষ্ণাই আৰু অন্তেষপুৰৰ অন্য অন্য নাৰীসকলে উত্তৰাক কনিয়াৰূপে সুসজ্জিত কৰিলে, অলঙ্কাৰে সুসজ্জিত। আৰু অতঃপৰ অভিমন্যু উত্তৰা পতি-পত্নীৰ অচ্ছেদ্য বন্ধনত আৱদ্ধ হ'ল।

বিবাহৰ দ্বিতীয় দিনা বিৰাটৰজাৰ গৃহত অতিথিসকলৰ এক মহতী সভা অনুষ্ঠিত হ'ল। এই সভাত বিৰাট, দ্রুপদ তথা আন কেই-গৰাকীমান বৃদ্ধ ৰজাও উপস্থিত আছিল। সভাত বসুদেৱ, সাত্যকি, বলৰাম, কৃষ্ণ, প্রদ্যুম্ন, সাম্ব, অভিমন্যু, উপপাণ্ডৱ, পাণ্ডৱ আৰু বিৰাট-পুত্ৰ উত্তৰো সমাৱিষ্ট আছিল।

অলপ পৰলৈ এওঁলোকে পৰস্পৰৰ মাজত কথা পাতি থাকিল। তাৰ পাছত সকলোটিলৈ সম্বোধি কৃষ্ণই কৈ থাকিল :

"এই কথা আপোনালোকৰ অজ্ঞাত নহয় যে শকুনিয়ে মায়াবী পাশটিৰে আমাৰ ধৰ্মৰাজৰ সৰ্বস্ব হৰণ কৰিছিল। ঘাইকৈ ধৰ্মৰাজৰ তথা পাণ্ডৱসৱৰ ৰাজ্য হৰণ কৰাৰ বাবেই দুৰ্য্যোধনে এই কৌশল অবলম্বন কৰিছিল, কিয়নো—দুৰ্যোধনে আপোন পৰাক্ৰমেৰে এই কাৰ্য কৰিব নোৱাৰিব বুলি সঠিকভাবে উপলব্ধি কৰিব পাৰিছিল। শকুনি মায়া-পাশটিৰ চালেৰে পৰাজিত পাণ্ডৱে বচনৱদ্ধতাৰ পূৰ্ণ মূল্য প্ৰদানি বনবাস-অজ্ঞাতবাসৰ মহাক্লেশ সহিলে, একবৰ্ষলৈ দাসৰূপে বিৰাটনগৰত যাপিলে, পৰাজিত হোৱাৰ পূৰ্ণমূল্য দিলে। এতিয়া, যেতিয়া সৰ্বচৰ্ত পূৰণ হৈ গ'ল, তেতিয়া পাণ্ডৱসৱক আমি কিৰূপে সহায় কৰিম, আগলৈ তেওঁলোকৰ বাবে কি ব্যৱস্থা অৱলম্বন কৰিম, আমিয়েই নিৰ্ণয় কৰিব লাগি, যি-

নির্ণয় ধর্মৰাজ আৰু দুৰ্য্যোধনৰ পক্ষেও গ্ৰহণীয় হ'ব লাগিব, ন্যায়োচিত হ'ব লাগিব, আৰু ধৰ্মসন্মতো হ'ব লাগিব। আমাৰ ধর্মৰাজক অন্যায়োচিতভাবে স্বৰ্গাধিপতি পাতিলেও তেওঁ গ্ৰহণ নকৰিব, ন্যায়োচিত ভাবে ক্ষুদ্ৰাতিক্ষুদ্ৰ ভূমিখণ্ড দিলেও গ্ৰহণ কৰিব। ধৃতৰাষ্ট্ৰৰ পুত্ৰসৱৰ মঙ্গলাকাঙ্খীসকলৰ মাজত ধৰ্মৰাজও এগৰাকী। এতিয়া, পাণ্ডৱসৱে স্ব-শক্তিৰে অৰ্জিত নিজ ৰাজ্য ঘূৰাই পাব লাগে। পাণ্ডৱ-কৌৰৱ-দুগৰাকী সহোদৰ ভায়েক-ককায়েকৰে পুত্ৰসৱ। এতেকে উভয়পক্ষৰ মঙ্গলকাৰী পথ বিচাৰি উলিয়াব লাগে। দুৰ্য্যোধনে যদি ন্যায়পূৰ্বক পাণ্ডৱসকলৰ ৰাজ্য ওভোতাই দিয়ে, আন কোনো সমস্যা নাথাকিব। কিন্তু যদি ওভোতাই নিদিয়ে, তেনেহ'লে ধৃতৰাষ্ট্ৰৰ পুত্ৰসৱক বধ কৰাৰ বাহিৰে আৰুনো উপায় কি? পাণ্ডৱে তেতিয়া বাধ্যত পৰিয়েই এই অনাকাঙ্খিত কাৰ্য্য কৰিব লাগিব। এই বিষয়ে দুৰ্য্যোধনৰ অভিপ্ৰায় কি—আমি নাজানো। এতেকে—দুৰ্য্যোধনৰ অভিপ্ৰায় জানিবলৈ আমাৰ কোনোবা এগৰাকীক দূতৰূপে দুৰ্য্যোধনৰ ওচৰলৈ প্ৰেৰণ কৰা হওক। আমাৰ দূতগৰাকী কুলীন, কুশল আৰু সদা-সচেতন হ'ব লাগিব। তেওঁ কঠিন হৃদয় দুৰ্যোধনক কোমলাবপৰা হ'লে উত্তম হ'ব, দুৰ্য্যোধনক বুজাই-বৰাই পাণ্ডৱসৱক অৰ্দ্ধৰাজ্য প্ৰদানিবলৈ সন্মত কৰাবপৰা হ'ব লাগিব। মোৰ আশা, আমাৰ দূতগৰাকীয়ে এই প্ৰকাৰে এক মহৎ উদ্দেশ্য সাধিব পাৰিব।"

কৃষ্ণৰ এই সময়োচিত প্ৰস্তাৱলৈ সমৰ্থন জ্ঞাপন কৰি বলৰামে ক'লে, "আমাৰ দূতগৰাকীয়ে কেৱল দুৰ্য্যোধনৰ সৈতে সাক্ষাৎ কৰিলেই নহ'ব, তেওঁ ধৃতৰাষ্ট্ৰ, ভীষ্ম, দ্ৰোণ, কৃপ, কৰ্ণ, অশ্বত্থামা প্ৰমুখৰ সৈতেও সাক্ষাৎ কৰক, তেওঁলোকক বৰ্তমান পৰিস্থিতিৰ কথা





সম্যক অৱগত কৰাওক। আমাৰ দূতে কোনো পক্ষাৱলম্বন নকৰিব, নিৰপেক্ষ হৈ সকলো বক্তব্য ক'ব আৰু শ্ৰৱণিব। এই কথা ময়ো মানি লৈছোঁ যে ধৰ্মৰাজে শকুনিৰ সৈতে পাশটি খেলি প্ৰমাদত পৰিছিল; কিন্তু শকুনিয়ে পাশটিৰে ধৰ্মৰাজক প্ৰতাৰিছিল বুলি মই নাভাবোঁ। পাশটিত শকুনিৰ প্ৰবীণতায়েই ধৰ্মৰাজক হৰুৱাইছিল বুলি মই ভাবোঁ। গতিকে—আমাৰ দূতে দুৰ্যোধনৰ অনুগ্ৰহ লাভ কৰাৰ বাবে চেষ্টিত হোৱাটোহে বাঞ্ছনীয়।"

বলৰামৰ বক্তব্য শেষ হোৱামাত্ৰেই সাত্যকি দণ্ডায়মান হ'ল আৰু বলৰামৰ বক্তব্যৰ প্ৰতিবাদ কৰি ক'লে, "বলৰাম, তোমাৰ বক্তব্য তোমাৰেই ব্যক্তিগত, মোৰ ক'বলগীয়া নথকাটোহে উচিত আছিল। কিন্তু ইয়াত আমি কোনো ব্যক্তিগত কথা আলচিবলৈ সমৱেত হোৱা নাই, আৰু সেইহে সমষ্টিগত স্বাৰ্থতে মই তোমাৰ বক্তব্যৰ কঠোৰ প্ৰতিবাদ কৰোঁ। তোমাৰ অৰ্থহীন প্ৰলাপৰ প্ৰতিবাদ কোনেও কৰা নাই কিয়—মই সেই কথাত বিস্মিত। দুৰ্য্যোধনে যে ৰাজ্যলোভত শকুনিৰ সৈতে ষড়যন্ত্ৰ ৰচি মায়া-পাশটিৰে ধৰ্মৰাজক বাটৰ মগনিয়াৰ কৰি তুলিছিল, সেই ন্যাক্কাৰজনক কথা তুমি কেনেকৈ আৰু কিয় বিস্মৃত হৈছা—তুমিহে জানিবা। যেই কি নহওক—পৰাজয় পৰাজয়েই আৰু সেই পৰাজয় মানি লৈ, সৰ্বস্ব তিয়াগি পাণ্ডৱসকলে বনবাস-অজ্ঞাতবাসৰ ক্লেশ কৰিছিল, আনকি দাস্যবৃত্তি কৰিছিল—ধৰ্মৰ বাটেৰে বাট বুলি কুলাই-পাচিয়ে নধৰা দুখ সহিছিল। তেওঁলোকে চৰিত্ৰৱান, সত্যৱান, ধৰ্মৱান ৰূপে জগতৰ সমুখত প্ৰকাশিত হৈছিল। এতিয়া তেওঁলোকে তেওঁলোকৰ হৃতৰাজ্য ঘূৰাই পাবলৈ দুঃশীলতাৰ প্ৰতিমূৰ্তি দুৰ্য্যোধনৰ অনুগ্ৰহ কিয় প্ৰাৰ্থনা কৰিব লাগে—মই তাৰ কোনো সদৰ্থ বিচাৰি উলিয়াব পৰা নাই। দুৰ্য্যোধনে যদি পাণ্ডৱসকলৰ প্ৰাপ্য ৰাজ্য ঘূৰাই দিবলৈ অসম্মত হয়, তেনেহ'লে পাণ্ডৱসকলৰ ন্যায্যতাৰ পক্ষাৱলম্বন কৰি আমি নিশ্চয়েই দুৰ্য্যোধনৰ দুঃশীলতাৰ বিৰুদ্ধে জঁপিয়াই পৰিম, আৰু পাণ্ডৱসকলৰ হৃতৰাজ্য

পুনৰুদ্ধাৰ কৰি ধৰ্মৰাজৰ ৰাজ্যাভিষেক পাতিম। এই কথাত দুৰ্য্যোধনৰ দৰে দুষ্টমতিৰপৰা দয়া ভিক্ষাৰ দৰ্কাৰ নেদেখোঁ।”

বৃদ্ধ দ্ৰুপদে শান্ত কণ্ঠেৰে ক’লে, “সাত্যকিৰ বক্তব্যত যথাৰ্থতা আছে যে—এই কথাত তিলমানো সন্দেহ নাই। আমি এই কথালৈ মন কৰিব লাগিব যে ধৃতৰাষ্ট্ৰৰ পুত্ৰসকল তেওঁৰ বাধ্য হৈ থকা নাই। পুত্ৰসৱে পিতৃ ধৃতৰাষ্ট্ৰৰ কথালৈ কদাপি কৰ্ণসাৰ নকৰে। ভীষ্ম আৰু দ্ৰোণই অসহায়ভাবেই দুৰাচাৰী দুৰ্য্যোধনক সমৰ্থন কৰি আছে। কৰ্ণ আৰু শকুনিয়ে অসৎ দুৰ্য্যোধনক সেৱি ধন্য মানিছে। এতেকে—আমাৰ দূত কেৱল অপক্ষপাতী, সৎ আৰু বুদ্ধিমন্ত হ’লেই নহ’ব, তেওঁ পাণ্ডৱৰ হৈ প্ৰয়োজন হ’লে মাত মাতিব লাগিব। কেৱল ভদ্ৰভাবে জঘন্যতম অভদ্ৰতাক জয় কৰাৰ চিন্তা—আত্মঘাতী বাতুলতা হ’ব পাৰে-এই কথালৈ দূতে অৱশ্যেই মেন কৰিব লাগিব। আৰু এটা বিশেষ কথা হ’ল এয়ে যে—দুৰ্য্যোধনে বিনা যুদ্ধে সূচ্যগ্ৰ মেদিনী এৰি নিদিবএই কথাকে সাৰোগত কৰি আমি যুদ্ধৰ বাবে সাৰ্বিক প্ৰস্তুতি ল’ব লাগিব। শল্য, ধৃষ্টকেতু জয়ৎসেন, কৈকেয় প্ৰমুখই যাতে সসৈন্যে আমাৰ সাহায্যাৰ্থ ইয়ালৈ আহে তাৰ বাবে তেওঁলোকলৈ বাৰ্তা প্ৰেৰণ কৰিব লাগিব।”

সদৌ শেষত কৃষ্ণই ক’লে, “মাননীয় দ্ৰুপদৰ কথা অনুসাৰে কাৰ্য্য কৰিলে পাণ্ডৱৰ মঙ্গলেই হ’ব। যি কি নহওক—পাণ্ডৱ আৰু কৌৰৱ উভয় পক্ষয়েই সুখে-শান্তিৰে জীৱন-নিৰ্বাহ কৰাটোহে আমাক লাগে। আশা কৰোঁ এই কথাত সকলোটিয়েই একমত। দ্ৰুপদ মহাবৃদ্ধ, তেওঁ হ’ল আমাৰ গুৰুৰ সমান। ধৃতৰাষ্ট্ৰলৈ কেনে ধৰণৰ বাৰ্তা প্ৰেৰণ কৰিব লাগে—সেই কথা দ্ৰুপদে স্থিৰ-কৰিলেই উত্তম হ’ব। দ্ৰুপদ-প্ৰেৰিত বাৰ্তালৈ যদি দুৰ্য্যোধনে যদি উপেক্ষা প্ৰদৰ্শে এই প্ৰস্তাৱ—অমান্য কৰে—অন্য অন্য ৰজালৈ বাৰ্তা প্ৰেৰণ কৰাৰ লগে লগে মোলৈকো বাৰ্তা প্ৰেৰণ কৰিব।”

এই বুলি কোৱাৰ অন্তত শ্ৰীকৃষ্ণই উভতি খোঁজ লেৱাৰ লগে লগে বিৰাটৰজাই শ্ৰীকৃষ্ণক ৰথাই নানান মূল্যৱান উপহাৰ প্ৰদান কৰি বিদায়-অভিনন্দন জ্ঞাপিলে। [আগলৈ



চান্দমামাৰ জবৰ–খবৰ

অভিনৱ হবি

চেমনীয়াহঁতৰ মাজত ভালোমানে ডাক-টিকেট, মুদ্ৰা, জুইবাহৰ লেবেল, পিকটিয়ৰ (পিকচাৰ) প'স্টকাৰ্ড, আনকি চকোলেট আৰু টফিৰ কাগজ আদিও গোটায়। ইয়াকে বোলে 'হবি'। কিন্তু কেৱল ৰাজ্যৰ নীলাম্বুৰ নামৰ ঠাইৰ শ্বামিব আৰু শ্বাহিৰ নামৰ ল'ৰা দুজনৰ কথা বেলেগ। সিহঁতৰ 'হবি' অভিনৱ। নীলাম্বুৰ ঠাইডোখৰ দৰাচলতে অটব্য অৰণ্য থকা ঠাই। এই অৰণ্যত প্ৰচুৰ হাতী আৰু অন্যান্য জা-জন্তুও নথকা নহয়। অৰণ্যৰ ওচৰতে সিহঁতৰ ঘৰ, আৰু সেইহে আজৰি পালেই সিহঁতে তাতেই ঘুৰি ফুৰে। প্ৰায় দুবছৰৰ আগতে শ্বামিৰ-শ্বাহিৰে এই অৰণ্যত ঘুৰি ফুৰোঁতে এক অভাৱিত ধৰণৰ চৰাইৰ পাখি বুটলি পাইছিল। এই পাখি আছিল ২ ফুট দীঘল পাখি। আৰু তেতিয়াৰপৰা সিহঁতে হাবি-বননিৰপৰা কেৱল চৰাইৰ পাখি বোটলাত লাগিল। এতিয়া সিহঁতৰ সংগ্ৰহত কমেও এশবিধৰ চৰাইৰ বিভিন্ন আকাৰ-প্ৰকাৰৰ পাখি আছে। ম'ৰা চৰাইৰ পাখি, ভাটৌ, মাছৰোকা, ঘৰচিৰিকা, কাজী, মইনা, পাৰ, চিলনী, শেন আদিকত যে বৰণৰ কত যে ৰকমৰ কত যে ধৰণৰ চৰাইৰ পাখি—কৈ শেষ কৰিব নোৱাৰি। সিহঁতৰ মাতৃ-পিতৃয়ে আৰু শিক্ষকসকলেও যেতিয়া যিহঁতৰ এই অভিনৱ 'হবি'ৰ কথা জানিলে, তেওঁলোকেও সিহঁতৰ এই হবিলৈ উছাহ যোগালে। এতিয়াও সিহঁতে বনৰপৰা চৰাইৰ পাখি বোটলে, পিছেএতিয়া 'বিৰল প্ৰজাপতিৰ চৰাইৰ পাখি'হে বোটলে।

সোণৰ সঁফুৰা

নহয়, সোণ-সংগ্ৰহ কোনো ধৰণৰ 'হবি' নহয়। কিন্তু জনা গৈছে যে—ভাৰতীয় পৰিয়ালসমূহত কমেও ৯৫০০ টন সোণ আছে—যি সোণৰ দাম প্ৰায় ৪৯৩০০০ কৌটি টকা। ঘাইকৈ এই সোণ গহনাৰ ৰূপত আছে। পৃথিৱীত যিমান সোণ উৎপাদিত হয়, তাৰ শতকৰা ৮ ভাগ সোণ ভাৰতীয় পৰিয়ালসমূহত গোট খায়গৈ। বছৰি গড়ে ৫০০ টন সোণ ভাৰতীয় পৰিয়ালসমূহত জমা হয়। কিন্তু এই পাঁচশ টনৰ মাত্ৰ ২ টনহে ভাৰতৰ খনিসমূহৰপৰা উৎপাদিত, বাদবাকীখিনি বিদেশৰপৰা আমদানিকৃত।

জঁকা—কিমান টকা ?

প্ৰায় ৬৫০০০০০০ কোটি বছৰৰ আগেয়ে ডায়ানেছোৰাছ নামৰ অতিকায় প্ৰাণী পৃথিৱীৰ বুকুত আছিল বুলি কোৱা হয়। এই সুপ্ৰাচীনকালৰ ডায়নোছোৰাছৰ এটি জঁকা সদ্যহতে বিচাৰে পোৱা হ'ল। জঁকাটো দীঘলে ৫০ ফুট। এই জঁকাটোৰ নামকৰণ কৰা হৈছে—স্যুই। আমেৰিকাৰ ছাউদ ডাকোটা নামৰ ঠাইৰ হেনড্ৰিকছান নামৰ ব্যক্তিএগৰাকীয়ে ১৯৯০ চনত এই জঁকাটো বুটলি পাইছিল। সদ্যহতে সেই বিশাল জঁকাটো ১৩০ টা ক্ৰেটত—অৰ্থাৎ বিৰাট বিৰাট কাঠৰ বাকচত—ভৰাই নিউয়ৰ্কলৈ লৈ অহা হৈছে। পৃথিবীৰ অন্যান্য ঠাইত এতিয়ালৈকে বিচাৰি পোৱা ডায়নোছোৱাছৰ জঁকাৰ ৪০-৫০ ভাগহে অবিকৃত পোৱা গৈছে। কিন্তু—স্যুইৰ জঁকা অটুট অৱস্থাতে আছে। স্যুইৰ লাওখোলাৰ বিশ্লেষণৰপৰা জনা গ'ল যে এই মাইকী ডায়নোছোৱাছক ইয়াতেকৈ কোনোবা। বৃহৎ জন্তুৱে আক্ৰমণ কৰি মাৰি পেলাইছিল। শ্বিকাগো মিউজিয়ামৰ অধিকৰ্তাই এই জঁকাটো কমেও ৮৪০০০০০ ডলাৰত (আমাৰ ৩০ কোটি টকা) বিক্ৰি হ'ব বুলি অনুমান কৰিছে।

চান্দমামা
কোলাৰ কাৰ্ড
১১০

শোভাময়
ভাৰত

ঐতিহ্যৰ ইতিহাস কোচিনৰ নীলাকাশ



©1991 UBC Feature World. All rights reswrved

সেউজৰ সমাৰোহময় পৰ্বতশ্ৰেণীৰে আগুৰা। দক্ষিণ ভাৰতৰ কেৰল ৰাজ্যৰ কোচিন নামৰ নগৰখনৰ ঐতিহ্য অতি প্ৰাচীন। ঐতিহাসিক তথা সাংস্কৃতিক সমলেৰে এইখন নগৰ প্ৰখ্যাত। কোচিন ভাৰতৰ অন্যতম প্ৰাচীনদিনীয়া বন্দৰ। এই বন্দৰৰপৰা বিশেষকৈ চাহপাত, কফি, আৰু সুগন্ধিদ্ৰব্য পৃথিৱীৰ দূৰ-সুদূৰ দেশলৈ ৰপ্তানি কৰা হয়। ষোড়শ শতিকাত পৰ্টুগিজসকলে এই কোচিনতে উপনিবেশ প্ৰতিষ্ঠা কৰিছিল। পাছত ডাচসকলে পৰ্টুগিজসকলৰপৰা কোচিন অধিকাৰ কৰিছিল। কোচিন বন্দৰৰ ওচৰত থকা মত্তানচেৰিত থকা ‘ডাচপ্যালেছ’ আচলতে ১৫৫৭ চনত পৰ্টুগিজ-নিৰ্মিত ৰাজভৱন। কিন্তু ডাচসকলে এই প্যালেছ পুনৰুদ্ধাৰ কৰি তেওঁলোকৰ নিজ-নাম প্ৰতিষ্ঠিত কৰিলে।

এই নগৰ কোচিনতে আছে সুপ্ৰাচীন কালত ইহুদিসকলে প্ৰতিষ্ঠ কৰা ধৰ্মমন্দিৰ—চিন্যাগগ্। এই প্ৰাৰ্থনা-মন্দিৰ ১৫৬৮ চনত নিৰ্মিত হৈছিল। কিন্তু খৃষ্টীয় প্ৰথম শতিকাত ৰোমৰ অত্যাচাৰত জৰ্জৰিত হৈ বহুসংখ্যক ইহুদি মানুহ কোচিন অঞ্চলত আশ্ৰয় লৈছিলহি। চীনদেশৰ মাছমৰীয়াসকলে আজিও সমুদ্ৰৰ বুকুৰেদি মাছধৰা নাৱত উঠি কেতিয়ান কোচিন পায়হি।

কোচিনৰ চাৰিওফালে আছে বহুসংখ্যক দ্বীপ। এই দ্বীপসমূহলৈ নাৱেৰে যাব পাৰি। এই দ্বীপসমূহৰ অন্যতম ওয়েলিংটন দ্বীপত ডলফিন পৰিলক্ষিত হয়। কোচিনত ৰেলওৱে স্টেশ্যান আৰু বিমানকোঁঠও আছে। আলেপ্পি নামৰ ঠাইৰপৰা নায়েৰে কোচিন’লৈ গ’লে অতি নয়ন মনোহৰ নাৰিকল কুঞ্জৰ মাজেদি যাব পাৰি। এই নাও-যাত্ৰা এক পাহৰিব নোৱৰা জীৱন-স্মৃতি।

ভাৰতৰ পৌৰাণিককালৰ ৰাজৰ্ষি

একবীৰা

বহু বহুকালৰ আগৰ কথা। তেতিয়া পৱিত্ৰ গঙ্গা নৈৰ তটৱৰ্তী অসংখ্য ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্য আছিল। এই ৰাজ্যসমূহৰ এক ৰাজ্যৰ যুৱৰাজ আছিল — এক বীৰা।

এদিন যুৱৰাজ একবীৰাই বন-বিহাৰ কৰি থাকোঁতে হঠাৎ দক্ষিণ দিশৰপৰা এক অভিনৱ মনমোহক সুগন্ধ ভাহি আহিল। এই অদ্ভুত সুগন্ধ ক'ৰপৰা ওলাইছে—বিচাৰি উলিয়াবৰ মনেৰে যুৱৰাজ একবীৰা ওলাল। গৈ গৈ এক অতি নয়নমনোহৰ সৰোবৰৰ মাজত এটি শতপত্ৰী পদুম ফুলি থকা দেখা পালে। সেই সৰোবৰৰ পাৰত বহি এগৰাকী অপৰূপ সুন্দৰী যুৱতীয়ে বিলাপ কৰি আছিল। যুৱৰাজ একবীৰাই যুৱতীক সুধিলে যে এই বিলাপৰ হেতু কি।

এই যুৱতী আছিল ৰৈভ্য ৰজাৰ কুঁৱৰী একাৱলীৰ সখিয়েক। ৰাজকুঁৱৰী একাৱলী আছিল পদুমপ্ৰিয়। ৰৈভ্য ৰজাই তেওঁৰ একমাত্ৰ পুত্ৰীৰ বাবে কত ঠাইৰপৰা কত যে পদুম অনাইছিল! কিন্তু ৰাজকুঁৱৰী একাৱলীক এই সৰোবৰৰ শতপত্ৰী পদুমেহে আকৰ্ষণ কৰিছিল আৰু এই পদুমৰ অভাৱিত সুগন্ধই ৰাজকুঁৱৰীৰ হিয়া-মনত অপূৰ্ব ভাৱৰ ঢৌ তুলিছিল। ৰাজকুঁৱৰীৰ এই আকৰ্ষণৰ কথা কালকেতু নামৰ ৰাক্ষসে জানিছিল। ৰাক্ষস কালকেতুৱে ৰাজকুঁৱাৰী একাৱলীৰ ওচৰত বিবাহৰ প্ৰস্তাৱ দাঙি ধৰাত ৰাজকুঁৱীয়ে এই প্ৰস্তাৱ তৎক্ষণাৎ প্ৰত্যাখ্যান কৰিছিল আৰু লগে লগে কালকেতুৱে ৰাজকুঁৱৰী একাৱলীক জোৰ কৰি পাতাললোকলৈ লৈ গৈছিল। আৰু এই কাৰণেই ৰাজকুঁৱৰীৰ সখিয়েকে বিলাপ কৰি আছিল।

যুৱৰাজ একবীৰা তৎমুহূৰ্ততেই পাতাললোকলৈ গ'ল, আৰু সেই ৰাক্ষস কালকেতুক বধি ৰাজকুঁৱৰী একাৱলীক মুক্ত কৰি লৈ আহি ৰৈভ্য ৰজাৰ ওচৰলৈ লৈ গ'ল।

তাৰ পাছত ৰৈভ্যৰজাৰ অনুৰোধত ৰাজকোঁৱৰ একবীৰাই ৰাজকুঁৱৰী একাৱলীক বিভা কৰাইছিল।



জানন-মানন

চিনি দিয়ে চিনাকি



©1997 UBC Feature World. All rights reserved

মধ্যযুগত ৰাজ-পৰিয়লেৰ যোদ্ধাসকলে বাহুত নিজ-নিজ বংশৰ সুন্দৰ সুন্দৰ চিহ্ন তথা বেজীৰে খুচি দিয়া ছাপ চিত্ৰিত কৰিছিল। এইবোৰ চিত্ৰক 'হেৰাল্ডিক ডিজাইনছ' বুলি অভিহিত কৰা হয়। এই-বিষয়ক অধ্যয়নৰ নাম হ'ল —'হেৰালড্ৰি'। ১১৪০ খৃষ্টাব্দৰ ৰণুৱাসকলৰ হাতত বুকুত আনকি মুখতো এনেবোৰ হেৰাল্ডিক ডিজাইন পৰিলক্ষিত হৈছিল। কিছুমান ৰণুৱাই তেওঁলোকৰ শিৰস্ত্ৰাণত, কৱচ-তাৱিজত, আনকি ঘোঁৰাৰ লেকামতো এনেবোৰ চিত্ৰ আঁকি লৈছিল আৰু কোন—কোন পক্ষৰ যোদ্ধা যে—এইবোৰ চিত্ৰ-চিনেৰেই তাৰ চিনাকি লৈছিল।

ৰাম-জখলা

কাৰ্ল-কাহিনী



কাৰ্ল লুয়িছ হ'ল ঐতিহ্যগত খেলুৱৈ পৰিয়ালৰ সন্তান। কাৰ্লৰ পিতাক আছিল ব্যায়াম-শিক্ষক, মাক আৰু বায়েক আছিল আন্তৰ্জাতিক খেলুৱৈ। ক্ৰীড়াক্ষেত্ৰত কাৰ্ল লুয়িছৰ গৌৰৱপূৰ্ণ সাফল্যও মন কৰিবলগীয়া। ১৯৮৩ চনৰপৰা একেৰাহে তিনিবাৰলৈ আমেৰিকান চ্যাম্পিয়ান। ১৯৮৪ চনত অ'লিম্পিক অংশ গ্ৰহণ আৰু জেছি অ'তোৰ সমান ৰেকৰ্ড স্থাপন। ১৯৮৮ চনত ছিঅ'লত অনুষ্ঠিত অ'লিম্পিকত ১০০ মিটাৰ, ২০০ মিটাৰ দৌৰ-প্ৰতিযোগিতাত স্বৰ্ণ-পদক বিজয়ী হৈ জেছি অ'ৱেন্সৰ সমান ৰেকৰ্ড কৰিছিল। ১৯৮৮ চনত ছিঅ'ল অলিম্পিকত লংজাম্পতো সোণৰ পদক পাইছিল। দৌৰ-প্ৰতিযোগিতা কাৰ্লৰ অনবদ্য বিজয়ৰ বাবে তেওঁক ৰাইজে 'স্প্ৰিণ্টাৰ' নামেৰে ভূষিত কৰিছিল। সদ্যহতে কাৰ্ল লুয়িছে ক্ৰীড়া-জগতৰপৰা অৱসৰ গ্ৰহণ কৰিলে।

স্বাধীনতাৰ সুৱৰ্ণজয়ন্তী উপলক্ষে চান্দমামাৰ নৈবেদ্য

বিদ্ৰোহৰ বীৰগাথা – ৪



[বণিজাৰৰ ছদ্মবেশত অধিকাৰৰ আকাংক্ষাৰে ইংৰাজ সাম্ৰাজ্যবাদী যেতিয়া বাউলা হৈ উঠিছিল, তেতিয়া বাঘৰ আগতেল খোৱাহঁতক বাঘ-ঢকা দিবলৈ সমগ্ৰ ভাৰতৰ সাধাৰণ ৰাইজ বৃটিছৰ বিৰুদ্ধে বিদ্ৰোহৰ জুই জ্বালিছিল। বেপেৰুৱা ইস্ট ইণ্ডিয়া কম্প্যানিৰ আঁৰপটৰ আঁৰ লৈ ইংৰাজহঁতে নানান ছলেৰে ভাৰতৰ ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যসমূহ অধিকাৰ কৰি ব্যৱসায়িক আৰু সাম্ৰাজ্যবাদী অত্যাচাৰ একেলগেই চলাইছিল। কিন্তু সহ্যগুণ থকা ভাৰতীয় জনসাধাৰণৰ পক্ষে যেতিয়া এই অত্যাচাৰ অতিচাৰ হৈ উঠিল, তেতিয়া আনকি বৃটিছৰ দৰ্মহা খোৱা চিপাহীসকলেও বিদ্ৰোহৰ জুই জ্বলাই থাকিল। এই জন-বিদ্ৰোহৰ ফলত ভাৰতৰ বিভিন্ন ঠাইত বাঘৰ ঢুলিয়ান ইংৰাজহঁত নিহত-আহত হৈ থাকিল, যুদ্ধ কৰি কৰি ভাগৰি পৰিল, ঠায়ে ঠায়ে সন্ধিৰ বাবে শ্বেত-পতাকাও উৰাই থাকিল, আৰু তাৰ ফলত ভাৰতৰ জনসাধাৰণে চিপাহীসকলৰ সৈতে একযোগে ভাৰতৰ স্বাধীনতাৰ বাবে অবিৰাম-অবিশ্ৰাম যুঁজি থাকিল।]

বেলিয়ে ধলফাট দিয়াৰ লগে লগে বাটৰুৱাসকলে এক অপৰূপ দৃশ্য দেখা পাই থমকি ৰ'ল। ঝান্সীৰ ৰাজপ্ৰাসাদৰ সমীপস্থ এক বিৰাট পথাৰত এজন যুৱাই অশ্বাৰোহণৰ প্ৰশিক্ষণ লৈ আছিল। শিক্ষকো আছিল এজন যুৱা। যুৱা-শিক্ষকে অশ্বৰ লেকামত ধৰি অশ্বৰ লগে লগে লৰৰি আছিল আৰু শিকাৰুৱে এহাতত লেকাম আৰু আনখন হাতত চোকৰ তৰোৱাল লৈ সেই বিশাল পথাৰখনৰ ইমূৰৰপৰা সিমূৰলৈ টাকুৰিঘূৰণে ঘূৰি আছিল।

চাওঁতে চাওঁতে তাত ভালেমান মানুহ-মুনিহ গোট খালে আৰু এই অভিনৱ অশ্বাৰোহণৰ প্ৰশিক্ষণ হৰ্ষধ্বনিৰে সৈতে উপভোগ কৰিবলৈ ধৰিলে। কিছু সময়ৰ অন্তত দৰ্শকসকলে আহুকাণে-পহুকাণে যেতিয়া জানিলে যে এই অশ্বাৰোহী যুৱা—যুৱা নহয়, স্বয়ং ঝান্সীৰ ৰাণী লক্ষ্মীবাঈ আৰু প্ৰশিক্ষক হ'ল পুৰীৰ চন্দন হুজুৰী তেতিয়া তেওঁলোকৰ

আনন্দৰ পাৰ-কূল নোহাৰা হ'ল। জনতাই আনন্দমুখৰ হৈ চিঞৰি উঠিল : মহাৰাণী জিন্দহ্-বাদ! আমাৰ মাতৃ-জিন্দহ্‌বাদ!

ৰাণী লক্ষ্মীবাঈয়ে দ্রুতগতি অশ্বৰ লেকামত টানি ধৰি জনতালৈ মূৰ দোঁৱাই তেওঁলোকৰ অভিনন্দন প্রসন্নতাৰে গ্রহণ কৰিলে আৰু তেওঁ নিজেই চিঞৰি ক'লে, "ঝান্সী—জিন্দহ্‌বাদ ! মই থাকোঁ বা নাথাকোঁএই দেশ অমৰ ৰহে !"

"অমৰ ৰহে! অমৰ ৰহে!"

জনতাই সাগৰৰ দৰে গৰ্জি উঠি ক'লে।

লগতে ইয়াকো ক'লে, "মাতা আমাৰ! আমাৰ শত্রু যে কিমান শক্তিমানআমি নজনা নহয়। শত্রুৰ অত্যাচাৰৰ আমি ওৰ পেলামেই—এই কৰিলোঁ অঙ্গীকাৰ!"

ৰাণী লক্ষ্মীবাঈয়ে জনতালৈ হাত যুৰি নমস্কাৰ কৰি, পাছ মুহূৰ্ততে ৰাজভৱনলৈ অশ্বচালনা কৰিলে।

এই ঘটনা১৮৫৭ চনৰ জুন মাহৰ শেষ দিনৰ ঘটনা। সেইদিনা ৰাজভৱনত মহামন্ত্রী, মন্ত্রী, দল-নায়ক, পৌৰ-প্রমুখ আদি ৰাজভৱনত সমাবিষ্ট হৈছিল। ৰাণী লক্ষ্মীবাঈয়ে তেওঁলোকক সম্বোধি কৈছিল, "কানপুৰত ইংৰাজৰ বিৰুদ্ধে যুদ্ধ চলি আছে। তাত নানাছাহিবে গোৰাহঁতৰ বিৰুদ্ধে দক্ষতাৰে সৈতে যুঁজি আছে। কোম্পানিৰ সৈন্যহঁতে নিৰুপায়ত পৰি দুৰ্গৰপৰা ওলাই আহিছে আৰু বাধ্যত পৰি বিদ্রোহীসকলৰ চোকৰ তৰোৱালৰ সম্মুখীন হ'ব লগিছে। যিকোনো মুহূৰ্ততে আমাৰ বিদ্রোহীসকলে কানপুৰত বিদ্রোহী-ৰাজ প্রতিষ্ঠিত কৰাৰ তথা কানপুৰ অধিকাৰ কৰাৰ বাতৰিলৈ আমি বাট চাই আছোঁ। প্রাণ ৰক্ষাৰ বাবে ইংৰাজহঁতে নিশ্চয় কেনিবাদি পলাব লাগিব। ইংৰাজহঁতৰ আগত স্বতন্ত্রতা তথা স্বাধীনতা ঘোষণা কৰাৰ এয়েহে প্রকৃষ্ট সময় বুলি মই ভাবোঁ। এই বিষয়ত আপোনাসবৰ মতামত জ্ঞাত হ'বলৈহে আপোনালোকক মই ইয়ালৈ মতাই অনালোঁ। অনুগ্রহ কৰি আপোনাসবৰ মূল্যবান মতামত প্রকাশ কৰি বাধিত কৰক।"



"মহাৰাণী, আপোনাৰ অভিপ্রায় সঠিক। স্বতন্ত্রতা ঘোষণা কৰাৰ আৰু ইংৰাজক শিকনি দিয়াৰো—এয়েহে সময়।" এগৰাকী পৌৰ-প্রমুখে ক'লে।

আন এগৰাকীয়ে ক'লে, "সহ্যশক্তিৰো



সীমা আছে। এতিয়া আৰু আমি ইংৰাজৰ অত্যাচাৰ নসহোঁ যে তাৰ দেখ দেখ প্ৰমাণ স্বতঃস্ফূৰ্ত বিদ্ৰোহ।

"ইংৰাজহঁতে ভাৰতলৈ বেপাৰ কৰিবলৈ অহা নাই, সিহঁতৰ মুখ্য উদ্দেশ্য হ'ল—সাম্ৰাজ্যবিস্তাৰ। আচলতে ইহঁত বণিজাৰেই নহয়, ইহঁত দুৰন্ত লুটিয়াৰ। ইহঁতে আমাক ঢেৰ লুটিলে, আৰু লুট কৰিবলৈ সুবিধা দিব নোৱাৰি।" আন এগৰাকীয়ে মন্তব্য কৰিলে।

লক্ষ্মীবাঈয়ে ক'লে, "এতিয়া বৃটিছৰ ৰাজপ্ৰতিনিধি হ'ল এলিছ। আপোনালোকে নিশ্চয় জানিব পায় যে মেজৰ মাৰোকৰ উপস্থিতিত মোৰ স্বৰ্গতঃ পতিয়ে এটি পুত্ৰ-সন্তানক তোলনীয়া হিচাপে লৈছিল আৰু বৃটিছ তথা ইংৰাজ-কৰ্তৃপক্ষই আইনসঙ্গতভাৱে এই দত্তকপুত্ৰৰ অস্তিত্বক মানি লৈছিল। কিন্তু এতিয়া গৱৰ্নৰ ড্যালহৌজিয়ে সেই চুক্তিলৈ অমান্যতা প্ৰদৰ্শন কৰা হৈছে, আৰু ৰাজকীয় ক্ষেত্ৰত 'দত্তক-প্ৰথা'ক অগ্ৰাহ্য কৰিছে। আমাৰ স্বৰ্গতঃ মহাৰাজে বৃটিছক তথা ড্যালহৌজিক তোলনীয়া হিচাপে লোৱাহেঁতেন সিহঁতে নিশ্চয় ভালেই পালেহেঁতেন। কিন্তু আমাৰ ক্ষেত্ৰত কথা বিষম। এই অস্বীকৃতি বিশ্বাসঘাতকতা নহেনো কি? এতিয়া—মোৰ বক্তব্য হ'ল যে আমাৰ ৰাজ্যত আমি কি কৰিম-নকৰিম আমাৰহে বিবেচ্য হ'ব লাগে, বৃটিছৰ বা ইংৰাজৰ বিবেচ্য হ'ব নালাগে। যদিও আমাৰ স্বতন্ত্ৰতা আমি যিকোনো মূল্যেৰে ৰক্ষা কৰিম, তথাপি, ইংৰাজহঁতে যদি ঝান্সীৰপৰা শান্তিপূৰ্ণভাৱে গুচি যায়—তাৰ বাবে আমি সিহঁতক সুযোগ দিম।

"মহাৰাণী, ঝান্সীত আপোনাৰ অধিকাৰলৈ অস্বীকৃতিএক বিচিত্ৰ বিশ্বাসঘাতকতাৰ বাহিৰে আন একোৱেই নহয়।" মহামন্ত্ৰীক ক'লে।

"তেওঁলোকে জানি-বুজিয়েই কৈছে, বা নজনাকৈয়েই—তাৰ কোনো ইফাল-সিফাল নহ'ব, তেওঁলোকে তেওঁলোকৰ প্ৰাপ্য পাবই লাগিব। মহামন্ত্ৰী, আপুনি সমগ্ৰ বিষয় উত্থাপন কৰি বৃটিছ-কৰ্তৃপক্ষলৈ এখন পত্ৰ লিখি কালিলৈ কটকী এগৰাকীৰ হতুৱাই পত্ৰখন ইংৰাজ কৰ্তৃপক্ষলৈ পঠাব। আগলৈ আমি কি ব্যৱস্থা ল'ম—এই পত্ৰপ্ৰেৰণৰ পাছত ভাবি চোৱা হ'ব।" লক্ষ্মীবাঈয়ে ক'লে।

"আপোনাৰ আদেশ পালন কৰা হ'ব, মহাৰাণী।" এই বুলি কৈ মহামন্ত্ৰী বহাৰপৰা

উঠি থিয় হ'ল আৰু লগে লগে সিদিনাৰ সেই মহাগুৰুত্বপূৰ্ণ সভা সমাপ্ত হ'ল।

পাছদিনা, মহামন্ত্ৰীয়ে ইংৰাজ তথা বৃটিছ-কৰ্তৃপক্ষলৈ পত্ৰ এখন লিখিলে আৰু ভাৰতৰ বৃটিছ-প্ৰতিনিধিলৈ পঠালে। পত্ৰৰ সাৰমৰ্ম আছিল :

'....ঝান্সী হ'ল স্বাধীন ৰাজ্য। কোম্পানিয়ে যদি ঝান্সী অধিকাৰ কৰাৰ কথা বা ঝান্সীক বৃটিছৰ তলতীয়া কৰাৰ কথা ভাবিছে—তেনেহ'লে সেই ভ্ৰান্তিৰপৰা মুক্ত হ'বলৈ এয়ে সুযোগ। ইয়াত আপোনালোকে আমাৰ আলহী ব মিত্ৰ হৈ বসবাস কৰি থকা নাই, আপোনালোকে আমাৰ প্ৰজাবৰ্গৰ ওপৰত অত্যাচাৰ কৰিছে। মহাৰাণী লক্ষ্মীবাঈ ঝান্সীৰ মহাৰাণী। তেওঁ আৰু ঝান্সীৰ প্ৰজাবৰ্গয়ো আপোনালোকে ঝান্সী এৰি গুচি যোৱাটোকে বিচাৰে। যদি নাযায়তেনেহ'লে এক ভয়ানক পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি আশংকা কৰা হৈছে। কিয়নৌ-আপোনালোকৰ সৈনিকহঁতে আমাৰ ৰাজ্যৰ প্ৰজাবৰ্গক অত্যাচাৰ কৰা হৈছে, তেওঁলোকক লুট-পাত কৰিছে, তেওঁলোকৰ সৈতে বৰ্বৰতাৰে আচাৰ-আচৰণ কৰিছে, আনকি তেওঁলোকৰ বহুতকে অবাবতে হত্যাও কৰা হৈছে। আপোনালোকক সোঁৱৰাই দিওঁ, আমি এই অত্যাচাৰ নিৰৱে সহি নাথাকোঁ। আৰু—যেতিয়াই সুবিধা ওলাব, আমাৰ বিক্ষুব্ধ প্ৰজাবৰ্গই আপোনালোকৰ ওপৰত দানহ পৰাদি পৰিব, অন্যায়-অত্যাচাৰৰ হোৰ তুলিব। কিন্তুএনেহেন অৱস্থা নৌপাওঁতেই আপোনালোকে—ইংৰাজ লোকসকলে — ঝান্সী এৰি শান্তিৰে গুচি যোৱাটোহে আমাৰ একমাত্ৰ কাম্য।'



এই পত্ৰই বৃটিছ-কৰ্তৃপক্ষক ভবাই তুলিলে, ইংৰাজহঁত টেঙা খোৱা যেন হ'ল, টেঙৰৰ ভিঙিত যেনিবা ছেলিলেও টিঙৰপৰা, ননমা হঁতে পেটে পেটে ভয় খালেও অপৰি ওপৰি এই পত্ৰৰ পৰোৱা নকৰাব ভাও জুৰিলে। লগতেএই কথাটোও ভাবিলে : আধুনিক যুদ্ধবিদ্যাত ইংৰাজৰ প্ৰশিক্ষণপ্ৰাপ্ত সৈন্যহতঁক এইবোৰ সাধাৰণ মানুহেনো কি কৰিব ? বৰঞ্চ—ঝান্সীক চিৰদিনৰ বাবে দখল কৰাৰ চেলু পোৱা যাব।

মহামন্ত্ৰীৰ, তথা মহাৰাণীৰ সতৰ্কবাণীমূলক পত্ৰলৈ ইংৰাজে উপেক্ষা প্ৰদৰ্শন কৰাৰ কথা সমগ্ৰ ঝান্সীত বনাগ্নিৰ দৰে

বিয়পি পৰিল, আৰু ঝান্সীৰ ক্ষুব্ধ-ক্ষিপ্ত প্ৰজাবৰ্গই দলে-দলে ইংৰাজৰ বিৰুদ্ধে যুঁজিবলৈ ওলাই পৰিল, আৰু চাওঁতে চাওঁতে ইংৰাজৰ দুৰ্গ আগুৰি ধৰিল।

ঝান্সীৰ অৱসৰপ্ৰাপ্ত সৈনিকসকলৰ তথা দল-নায়কসকলৰপৰা বহুতো প্ৰজাই যুদ্ধবিদ্যাৰ প্ৰশিক্ষণপ্ৰাপ্ত হৈছিল। ঝান্সীৰ বৰ্তমান সৈন্যসকলৰ সৈতে লগ লাগি সাধাৰণ প্ৰজাবৰ্গয়ো ইংৰাজৰ দুৰ্গলৈ জঁপিয়াই পৰিল।

বিদ্ৰোহীসকলে চিঞৰি চিঞৰি কৈ থাকিল, "এই বণিজাৰ হৈ অহা লুটিয়াৰহঁতে আমাৰ সৰ্বস্ব লুট কৰিলে। ইহঁতক কোনেও শুদাই নেৰিবা।"

"এইবোৰ সাত পৰগণা মাৰি অহা সাত ঘাটৰ পানী খোৱাহঁতে আমাৰ পিতৃ-ভাতৃসকলক অকাৰণে হত্যা কৰিলে। ইহঁতক য'তে পাবা হত্যা—হত্যা কৰিবা।" এই বুলি কৈ কৈ কিছুমান বিদ্ৰোহীয়ে সাত চেউৰীৰ লৰ দি পলাব ধৰা ইংৰাজহঁতক তৰোৱালেৰে কুচুকটা দি থাকিল।

ইস্ট ইণ্ডিয়া কম্প্যানিৰ দুৰ্গৰ ওপৰত ঝান্সীৰ পতাকা উত্তোলনৰ আগতেই প্ৰায় এশমান ইংৰাজক বিদ্ৰোহীসকলে কুচুকটা দিলে। আৰু ঝান্সীৰ এই বিজয়লাভৰ ফলত অন্যান্য ঠাইতো বিদ্ৰোহে দেখা দিলে।

ঝান্সীৰ এই বিদ্ৰোহৰ বাতৰি জুন মাহৰ আঠ তাৰিখৰ দিনা সাগৰ পালেগৈ। লগতে এই কথাও জনা গ'ল যে ললিতপুৰত বানপুৰৰ ৰজাই এক বিৰাট সৈন্যবাহিনী লৈ বৃটিছৰ তথা ইংৰাজৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ ওলাই পৰিছে। আৰু স্বাহগড়ৰ ৰজাই ভালেমান ইংৰাজ সৈন্যক আৰু সাধাৰণ ইংৰাজকো বন্দী কৰি কাৰাগাৰত ভৰাই থোৱাৰ বাতৰিও দাবানলৰ দৰে সকলোতে বিয়পি পৰিল।

এইবাৰ সমগ্ৰ ভাৰতৰ অ'ত ত'ত থকা ইংৰাজহঁতৰ মনত ত্ৰাসৰ সৃষ্টি হ'ল। এইবাৰ সাতো সমুদ্ৰ পাৰ হৈ পৰদেশ অধিকাৰ কৰিবলৈ অহা বণিজাৰৰূপী ইংৰাজ সাম্ৰাজ্যবাদী লুটিয়াৰহঁতে ধাৰৰ নলকঁপা দি থাকিল। নিয়াৰিৰ মূৰত লো পোন হোৱাৰ দৰে বিদ্ৰোহীসকলৰ ব্ৰজ-চেপনেৰে তমোময় দেখা, তত পৰি নোম সৰা টান পালে ৰাম বোলা ইংৰাজহঁত কিঞ্চিতকৈ হ'লেও নিয়াৰিৰ মূৰত সৰি হ'ল। [অহা সংখ্যালৈ





বুধিৰ চোকেৰে বল—হয় বুন্দাম্মাৰ

এহেজাৰ বছৰৰ আগৰ কথা। তেতিয়া কাশ্মীৰৰ গা-তে লগা এক কিৰিং থকা পাহাৰৰ বিৰাট গুহা এটাত প্ৰকান্ড আৰু প্ৰচন্ড ৰাক্ষস বাস কৰিছিল। তেতিয়াৰ দিনত এনেবোৰ ৰাক্ষস অ'ত ত'ত থকাৰ কথা বহুতেই জানিছিল, আৰু 'আমিও আছোঁ; ৰাক্ষসো থাকিব' বুলি ভাবি ৰাক্ষসবিলাককো এবিধ মাৰণহতীয়া মানুহ বা তেনেহেন কিবা ধৰণৰ জা-জন্তু বুলিয়েই মানি লৈছিল। এই ৰাক্ষসটো মানুহ খোৱা ৰাক্ষস নাছিল।

এই ৰাক্ষসটোৱে তাৰ আশ-কাষৰ লোক সকলক ভয় খুৱাইছিল, লুট-পাত কৰিছিল, আৰু এইদৰে ঢেৰ ধন-সোণও গোটাব পৰিছিল। মানুহে যেনেকৈ বহু ধৰণৰ আলৈ-বিলৈ সহি থাকে, সেইদৰে এই ৰাক্ষসটোকো সহি আছিল। মানুহে ভাবিছিল : আমাৰ মাজতে দিনত ভাল ৰাতি ভয়ংকৰ হৈ উঠা ডকাইতবিলাকো ৰাক্ষসেই, আৰুনো কি ? গতিকে—এইটো ৰাক্ষসকো সেই ঠাইৰ মানুহে এক বিৰাট শক্তিশালী ডকাইত বুলিয়েই ভবিছিল।

কিন্তু তথাপি মানুহৰ সমাজৰ ডকাইত আৰু এই ৰাক্ষস জাতিৰ ডকাইতত পাৰ্থক্য আছিল। এই ৰাক্ষসটোক যেতিয়াই লাগিছিল বিয়া কৰাবলৈ ছোৱালী বিচাৰি ওলাইছিল, আৰু ডাবি-হুঁকিৰে কাম নহ'লে ধৰি ধৰি কপকৈকে গিলি খোৱাৰ ভয় দেখুৱাই ছোৱালীৰ মাক-বাপেকক ছোৱালী দিবলৈ সেও কৰিছিল।

আৰুএই কথাতহে সেই অঞ্চলৰ মানুহৰ জীৱন অতিষ্ঠ হৈ উঠিছিল। কিয়নো—কেতিয়া যে কাৰ পাল পৰিব কি ঠিক ? তাৰ গাত হঠাৎ-হঠাৎ বিয়াৰ পিৰপিৰণি উঠে, আৰু সি তৎক্ষণাৎ ওলাই কনিয়া বিচাৰে। যদিহে

'পঁচিছ বছৰৰ আগৰ চান্দমামাত প্ৰকাশিত কাহিনী'



কোনোবাজনীক মনে ধৰে, নিদিয়াকৈ নোৱাৰে কনিয়াৰ মাৰ-বাপেৰে।

ৰাক্ষসৰ বিয়াৰ সৈতে হিয়াৰ কোনো সা-সম্পৰ্ক নাই, ঘৰ-সংসাৰ বোলা কোনো বিষয়ো নাছিল ; গতিকে—ৰাক্ষসৰ ঘৈণীহঁতো বেছিদিনলৈ জীয়াই থকা নাছিল। কোনো কোনোবাজনী দিনে-নিশাই কান্দি কান্দি ৰাক্ষসে আনি দিয়া খোৱাবস্তু—নানান ধৰণৰ জন্তু-জানোৱৰ—খাব নোৱাৰি শুকাই-খীণাই ঢুকাইছিল, আৰু কোনোবাজনী আত্মঘাতী হৈছিল। কিন্তু এইবোৰ কথাত ৰাক্ষসটোৰ মনত কোনো দুখ-শোক নহৈছিল। ইজনী মৰিলে আন এজনীক লৈ অহাত তাৰনো কিমানপৰ ?

এইদৰেই মানুহৰ সমাজত উদন্ড ৰাক্ষসৰ উৎপাত চলি আছিল। কিন্তু হঠাৎ এটা ঘটনাৰ চাকনৈয়াত পৰি বিয়ালৈ—আনকি ৰাক্ষসৰ মনতো প্ৰচণ্ড ভয় উপজিছিল।

যেতিয়া এই ৰাইলা ৰাক্ষসৰ দুকুৰি নওজনী ঘৈণী মৰিল—তেতিয়া পুনৰ এদিন ৰাক্ষসৰ গাত পিৰপিৰণি উঠিল আৰু পিৰপিৰণি উঠোঁতেই গুহাৰপৰা ওলাই পংপঙাই ফুৰি থাকিল। ফুৰি ফুৰি ঘূৰি ঘূৰি সি ৰাক্ষসে খেতি-পথাৰত কাম কৰি থকা খেতিয়ক এজনক দেখা পালে, আৰু তাৰ কাষ চাপি ক'লে, "আৰে হেই বেটা নেগুৰ কটা, তোমাৰ ছোৱালীৰ বিয়াখন মোৰে সৈতে পাতা। মই কালিলৈ' ৰতিৰ পৰতে তোমাৰ ঘৰলৈ' খাৱলৈ' যাম, আৰু তাতেই কি দিবা-কি ল'বা তাৰ চয়-নিচয় খাটাং কৰিম, বুইছা ?" এই বুলি কৈয়েই ৰাক্ষসটোৱে খেতিয়কৰ উত্তৰলৈ বাট নাচাই—সুহুৰিয়াই সুহুৰিয়াই তাৰপৰা গুচি গ'ল।

হেঁপাই-ফোঁপাই ঘৰ পাই পেটৰ ভাত চাউল হোৱা খেতিয়কে কথাটো তাৰ ছোৱালীজনীক ক'লে। ঘৰত কেৱল সি আৰু তাৰ ছোৱালীজনীহে, পৰিবাৰ কেতিয়াবাই ঢুকল। গতিকেএই কথা কাকনো আৰু কয় ?

ছোৱালীয়ে দেউতাকক ক'লে, "দেউতা, মই যেনেকৈ যি কৰিবলৈ ক'ম—কৰিবা, মই কোৱা মতে কাম কৰা যদিৰাক্ষসটোৰ ৰা-বাঁহৰ চেপাৰপৰা হয়তো তুমিও ৰেহাই পাবা আৰু সি-ৰাক্ষসেও কিজানি বিয়াৰ নামত বাঘ-ভালুক দেখিব। যি কি নহওক—মোৰ কথা মতে কাম কৰিব পাৰা যদি—কমেও তোমাৰ জীৱনৰ বাকীছোৱা কাল ধন-ধানৰ অভাৱত

হাহাকাৰ কৰাৰপৰা ৰেহাই পাবা।"

ছোৱালীৰ কথামতে খেতিয়কে তাৰ প্ৰায় আটাইখিনি ধনেৰে ভালেমান শহাপহু কিনি আনিলে, আৰু কিনি আনিলে এপিপা মদ। ছোৱালীজনীয়ে চুবুৰীয়াহঁতৰ ঘৰে ঘৰে গৈ যিমান পালে আৰু পাৰিলে হাতে বোৱা মোটা বোৱনৰ কপোৰ-কানি গোটাই আনিলে।

পাছদিনা ৰাক্ষসটো অহাৰ আগে আগে তাই শহাপহুৰ মঙহ ৰান্ধিলে আৰু ৰাক্ষসটোক য'ত খাবলৈ দিব তাত এফালে ৰন্ধা মঙহ আৰু আন ফালে মদৰ পিপা থৈ দিলে।

কথা মতেই ৰাক্ষসটো আহিল। আহি শহাপহুৰ মঙহেৰে দন টানি খাই থাকোঁতে ক'লে, "মোক খুৱাবৰ বাবে ঢেৰ ধন খৰচ কৰিলা হ'ব পায়?

"এঃ, খৰচৰ কথানো কেলে'? যেতিয়ালৈকে ঘৰত এন্দুৰবোৰ আছে—খৰচ নোহোৱাকৈ থাকিবনে বাৰ? যদি এন্দুৰ কমি যায়—তো আটাগুৰি বেছিকৈ লাগিব।" খেতিয়কৰ ছোৱালীজনীয়ে ৰাক্ষসক ক'লে।

"এন্দুৰেৰে ইমান সুন্দৰ বঢ়িয়া খানা বনাব পাৰিনে? মই ইমানদিন ধৰি যিবিলাক ক'লীক ঘৈণী পাতিছিলোঁ সিবিলাকৰ এজনীয়েও এন্দুৰ ৰান্ধি ইমান সুন্দৰকৈ খুউৱা নাছিল। তুমি যি দেখিছোঁ গুণী ঘৈণী হ'বা।" ৰাওমুৱা ৰাক্ষসে ক'লে।

বিয়া কৰোৱাৰ আগতে যে মানুহৰ ছোৱালীবিলাকক অলপকৈ হ'লেও চটুৱাই জোল খুৱাব লাগে আনকি ৰাক্ষসেও জানে আৰু মানে। সি যে কি ক'ব-কি নক'ব পট্‌কৈ



ভাবি উলিয়াব নোৱাৰি ক'লে" তু-তু-তুমি কি বোলেনে বোৱা-কটাৰ কামও বেছ বঢ়িয়াকৈ জানা, নহয়?"

তাই তাইৰ হাতত থকা মোটা বোৱনৰ কাপোৰ এখিনি ৰাক্ষসটোক দেখুৱালে আৰু ক'লে, "যোৱা মাহত এইখিনি মৈ উলিয়ালোঁ।"

শুনি ৰাক্ষসটোৱে ভাবিলে : খেতিয়কবেটাৰ ছোৱালাজনী যি দেখিছোঁ মন-মোহিনী ঘৈণীয়েই নহয়, ভালৰো ভাল ৰান্ধনি, শিপিণী আৰু যে কিখিনি—বিয়া কৰাৰ পাছহে পাম চিনি।

খোৱা-বোৱাৰ অন্তত বিৰাট উগাৰ ছাৰি এইবাৰ ৰাক্ষসটোৱে মদৰ পিপাত ধৰিলে। আৰু যেতিয়া মদ তাৰ টেটুঁলৈকে উঠিল,



তেতিয়া খেতিয়কক সুধিলে, "এতিয়া কোৱা—তাইক বিয়া কৰাবৰ বাবে মোক নগদে-নগদ কিমান দিবা।"

"দিম ? তোমাক ? তোমাৰ লগত বিয়া হৈ তাই যেতিয়া যাবগৈ—মোৰ কিমান যে হ'ব লৈ লৈ থৈ থৈ—জানানে ? তাইক বিয়া দিম বুলি ভবাহেঁতেন এই গাঁৱৰে পৰিবাৰ-ঢুকুৱা জমিদাৰকে দিব পাৰিলোহেঁতেন। জমিদাৰে—তাইক দিলে—মোক' পঞ্চাছহেজাৰ মুদ্ৰা দিব বুলিও কৈছিল।" ছোৱালীয়ে শিকাই দিয়া কথাখিনিৰে খেতিয়কে খুঁটি লাৰি দিলে।

তেতিয়া ৰাক্ষসটো তাৰ আচল মূৰ্তি ধৰি খেতিয়কক ক'লে, "তাইক যদি মই খপকৈ ধৰি কাষলতিৰ তলত পেলাই লৈ যাওঁ—বাধা দিব পাৰিবা ? কোৱাঁ — পাৰিবানে ?"

"তাৰ মানে—খেতিয়কে খোৰ ওলোৱা কথাৰ দৰে ক'লে—" "তুমি তাইৰ বিষয়ে একোডাল নাজানা। তাই যে নিজ ইচ্ছামতে চলা আফত-আমঠ ছোৱালী—নাযাওঁ বুলিলে যে একোপধ্যে লৈ যাব নোৱাৰিকবাকেহে নাজানা দেখিছোঁ।"

"ঠিক আছে" ৰাক্ষসে কিঞ্চিত হতাশ মাতেৰে ক'লে যে তাইক বিয়া কৰাবলৈ সি খেতিয়ক জমিদাৰে যিমান দিব খুজিছিল তাতকৈ এশমান বেছিয়েই দিব।

"ন্নহ'ব। তাতকৈ চাৰিগুণ নিদিলে তোমাক চামৰ পীৰা পাৰি দিয়াত মই নাই। পিছে—তাই যদি যাব খোজে—মই মাত নামাতোঁ।" খেতিয়কে খাৰাংখাচ কৈ দিলে।

তেতিয়া ৰাক্ষসে আমঠ খেতিয়কক তিনিগুণধনকে দিব বুলি যেতিয়া কথা দিলে, তেতিয়া খেতিয়কেও তাক তেল-গামোচা দিব বুলি কৈ ভালকৈ তেল-ঢেঙা ঘঁহিলে।

পাছদিনা ৰাক্ষসটোৱে কথামতে ধন আনি দিলে, আৰু খেতিয়কে তাৰ ছোৱালীজনীৰ কথা মতে ধনখিনি বাৰীত গাঁত এটা খান্দি পুতি থ'লে।

তাৰ পাছত ছোৱালীজনীয়ে ৰাক্ষসক ক'লে, "মোক বিয়া কৰোৱাৰ আগ্তে মোৰ মনৰ কমেও দুটা ইচ্ছা পূৰ কাৰব লাগিব। মোৰ পথম ইচছা হ'ল—আমাৰ এ'তে এটা ডাঙাৰ ঘৰ বনাবা। আৰু মোৰ দিত্য ইচ্‌ছা হ'ল—হাঁহৰ পাখিৰে আমাৰ বিছনাৰ তুলি বনাই দিবা। মই যদি সুখৰে নিদ্ৰা নিদোঁ-মোৰ মূৰৰ অচুখ হ'ব।" ছোৱালীজনীয়ে এইদৰে কৈ কৈ

একেবাহে জুনা গাই থাকিল।

তেতিয়া জাৰকালি। মাঘৰ জাৰ। আৰু মাঘৰ জাৰত যে বাঘো হাবিৰপৰা নোলায়—জনা কথা।

কিন্তু ৰাক্ষসটোৱে ভাবিলে : মই তো ওলাবই লাগিব। ঘৈণীয়ে ঘেং কৰিলেও চেং পিছলা দিব নোৱাৰি নহয় ? হাঁহৰ পাখি যেনেকৈয়েই নহওক — যি দেখিছোঁ — গোটাই আনিব লাগিবই লাগিব।

গতিকে—দুৰ্দান্ত ৰাক্ষস হোৱা সত্বেও মানুহৰ ছোৱালীক বিয়া কৰাবলৈ মন কৰা ৰাক্ষস—তুহঁত হগা বোন্দাটি যেন হৈ—হাড়-কঁপোৱা জাৰৰ মাজত ওলাই যাবলৈ ধৰোঁতেই ছোৱালীজনীয়ে চিঞৰি উঠিল, “হাঁহৰ পাখি — হাঁহৰ পাখি পৰি আছে — আনাগৈ আনাগৈ—হাঁহৰ পাখি বুটলি লৈ আহাঁ।”

“হাঁহৰ পাখি ? ক’তা ?” ৰাক্ষসে আচৰিত হৈ সুধিলে।

“হাৰে বুদ্ধু—সেই যে তুলাৰ দৰে বৰফ পৰিছে—তাকেই আমি হাঁহৰ পাখি বুলি কওঁ। এয়া লোৱা, মোনাটো লৈ যোৱা—বিছ মোনামান আনিলেই হৈ যাব।” খেতিয়কৰ ছোৱালীয়ে সেই দুৰ্দান্ত ৰাক্ষসক আদেশ কৰাৰ দৰে ক’লে।

একে একে বিছ মোনা তুলাৰ দৰে বৰফ লৈ অহাৰ পাছত ৰাক্ষসটো যেতিয়া ভাগৰি পৰিল, তেতিয়া ছোৱালীজনীয়ে সেই ৰাক্ষসটোক বৰফৰ তুলিৰে পাৰি দিয়া বিছনাত শুবলৈ ক’লে। ৰাক্ষসটোৱে তাইৰ কথা মতে বৰফৰ বিছনাত শুই দিয়াৰ লগে লগেই হাই-হুইকৈ চিঞৰি চিঞৰি কৈ থাকিলঃ নকৰোঁ আৰু বিয়া—মোক যাবলে দিয়া—য’লৈকে যাওঁ যাম—আৰু বিয়া নকৰাম—সহিব নৰু চেঁচনি—নেলাগে মোক ঘৈণী !”

এই বুলি কৈ কৈ, হাঁহৰ পাখিৰ বিছনাৰপৰা জাঁপ মাৰি তললৈ পৰি, কঁকাল পোনাই উঠি থিয় হৈ, সেই বিয়া-পগলা ৰাক্ষসটোৱে সাত চেউৰীৰ লৰ দি সেই যে পলাল—তাৰ পাছৰপৰা সেই ঠাইত আৰু তাৰ উম-ঘাম পোৱা নগ’ল।

মানুহৰ বুদ্ধিৰ আগত মহাবলী-মহাশক্তিধৰো যে তেনেই তুচ্ছ, সেই সৰাৰো সাৰকথাটি মানুহৰ ছোৱালী এজনীয়ে জগতক দেখ দেখ দেখুৱালে।



ফোটো-নামকৰণ প্ৰতিযোগিতা : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৮ চনৰ এপ্ৰিল সংখ্যাত ওলাব



MAHANTESH C. MORABAD



MAHANTESH C. MORABAD

* ফোটো-নামকৰণ দুই-তিনিটা শব্দেৰে হ'ব লাগিব। * প্ৰতিযোগিতা 'কোন মাহৰ বাবে' উল্লেখ কৰিব লাগিব। * ১৯৯৮ চনৰ ফেব্ৰুৱাৰি ২০ তাৰিখে আমি পোৱাকৈ পঠাব লাগিব। * সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক নামকৰণৰ বাবে ১০০ টকা পুৰস্কাৰ দিয়া হ'ব। * নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি আমি যথাসময়ত পোৱাকৈ তলৰ ঠিকনালৈ পঠাব লাগিব।

ঠিকনা : CHANDAMAMA PHOTO-CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, CHENNAI-600026.

১৯৯৭ চনৰ ডিচেম্বাৰ সংখ্যাৰ ফোটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

[অনিবাৰ্য্য কাৰণত এই মাহৰ পুৰস্কাৰ স্থগিত থাকিল। তাৰ বাবে আমি দুঃখিত।]

চান্দমামাৰ বছৰেকীয়া বৰঙনি :

ভাৰতত ৭২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

DOLTON AGENCIES
CHANDAMAMA BUILDINGS, 188 N.S.K. SALAI, VADAPALANI, CHENNAI-600 026.

Printed by B.V. REDDI at Prasad Process Pvivate Ltd., Chandamama Building, Chennai- 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, 188, N.S.K.Salai, Vadapalani, Chennai- 600 026 (India) Editor : NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and compying or adopting them in any manner will be dealt with according to law.

মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

CHANDAMAMA
চাঁদমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক ঃ
অসমীয়া, হিন্দী· গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্‌,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 129.00 ● উৰাজাহাজ-যোগে 276.00

ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ

জাহাজ-যোগে 135.00 ● উৰাজাহাজ-যোগে 276.00

আপোনাৰ বৰঙণি বেংকৰ ডিমাণ্ড ড্ৰাফ্‌ট্‌ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক ঃ
ছাৰ্কুলেশ্যন মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

CHANDAMAMA (Assamese)
Feb/Mar 1998
Regd. No. TN / MS (S) 87/97
Registrar of News Papers, India. RN 30278/76



বিজ্ঞ
শিশুহঁতৰ
বিজ্ঞ
পছন্দ

NATARAJ
PENCIL SHARPENER
NATARAJ
PLASTO 621
HPP LTD ✱ NATARAJ 621

বিনামূল্যে

নটৰাজ ৬২১-ৰ ১০ ডাল পেঞ্চিলৰ পেকৰ সৈতে বিনামূল্যে লাভ কৰক নটৰাজ শাৰ্পেনাৰ, নটৰাজ প্লাষ্টো ৬২১ ইৰেজাৰ*

NATARAJ®

* এই উপহাৰ কেৱল ষ্টক থকালৈকেহে থাকিব

everest/97/HPL/49 as

হিন্দুস্তান পেঞ্চিলচ লিঃ-ৰ এটি উৎকৃষ্ট উৎপাদন।